# শংকা আশংকা আৰু মৃত্যু

ড° দীপক মজুমদাৰ

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

SANKA ASANKA ARU MRITRU: A collection of horror stories in Assamese written by Dr Deepak Majumdar and Published by Sri Rajendra Mohan Sarma & Dr. Rabindra Mohan Sarma on behalf of Chandra Prakash, Panbazar, Guwahati -1

*First Edition : October, 2015* **Price : ₹ 70.00 only**

ISBN : 13978-81-244-0532-6

প্ৰকাশক

ৰাজেন্দ্ৰ মোহন শৰ্মা

ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১

ফোন ঃ ০৩৬১-২৫১১৯৪৬/৮৮১১০৮১০০১

*Email : chandra.publisher@gmail.com*

শংকা আশংকা আৰু মৃত্যু

ভৌতিক গল্পৰ সংকলন

লিখক ঃ ড° দীপক মজুমদাৰ

গ্ৰন্থস্বত্বঃ লিখক

প্ৰথম সংস্কৰণ ঃএপ্ৰিল,১৯৮২

দ্বিতীয় সংস্কৰণ ঃ জানুৱাৰী,১৯৯৩

তৃতীয় (প্ৰথম চন্দ্ৰ প্ৰকাশ) সংস্কৰণ ঃ অক্টোবৰ, ২০১৫

বেটুপাত ঃ প্ৰদীপ নাথ

মূল্য ঃ ৭০.০০ টকা

মুদ্ৰক

আঙ্গিক প্ৰেছ

আমবাৰী, গুৱাহাটী-১

# পাতনি

এই সংকলনখনত থকা গল্প কেইটা এসময়ত বিভিন্ন আলোচনীত প্ৰকাশ পাইছিল। ১৯৮২ চনত সংকলনখনৰ প্ৰথম প্ৰকাশ পোৱাৰ পিছত ইয়াৰ দ্বিতীয় প্ৰকাশ হৈছিল জানুৱাৰী, ১৯৯৩ চনত। সুদীৰ্ঘ সময়ৰ পিছত তৃতীয় প্ৰকাশ আগবঢ়াই দিব পাৰি এতিয়া নিজে সুখী হৈছো।

এইখিনিতে এটা কথা কৈ থোৱা উচিত হ'ব। গল্পকেইটাৰ অ'ত-ত'ত যৎসামান্য পৰিবৰ্ত্তন কৰা হৈছে। লিখক হিচাপে সেইখিনি স্বাধীনতা আছে বুলি ভাবিয়ে তেনে কৰা হৈছে। আশা কৰিছো এইবাৰো আগৰ বাৰৰ দৰেই এই কিতাপখনে সহাঁৰি লাভ কৰিব।

ড° দীপক মজুমদাৰ
১ জুন, ২০১৫, গুৱাহাটী

পূজনীয় দেউতা মা
শ্ৰীযুত কমল চন্দ্ৰ মজুমদাৰ
আৰু
শ্ৰীযুতা যুতি মজুমদাৰলৈ

দীপক মজুমদাৰ
৫ এপ্ৰিল,১৯৮২

## সূচী


| | |
|---|---|
| তেজৰ ৰং | ১ |
| শংকা আশংকা আৰু মৃত্যু | ১৫ |
| অলৌকিক | ৪২ |
| অলৌকিক সূৰ্য্যৰ সন্ধানত | ৫৪ |
| অন্ধকূপ | ৬৮ |

এই একে লিখকৰে

নিচান
আক্ৰোশ
বিজয়ী
ৰক্তিম ৰত্ন
শিখৰৰ ৰাজকন্যা
জুই জ্বলিল
গধূলি লগ্ন
শৰাইঘাট
সোণালী পৰশ

## তেজৰ ৰং

ছোৱালীজনীয়ে সৰু বেডিঙখন খুলি কম্বল এখন উলিয়াই চিটটোত পাৰি দিলে। ধকধকীয়া বগা কভাৰৰ গাৰু এটা উলিয়াই চিটটোৰ মূৰত থৈ বেডিংখন আকৌ জপাই থ'লে। চিটত থকা চামৰাৰ চুটকেছটো চিটটোৰ তলত থৈ ছোৱালীজনী এইবাৰ নিজেই বহি ল'লে। তাৰপিছত খোপাৰ চুলিটাৰি মেলি দি পোনে পোনে মোলৈ চাই পঠিয়ালে।

মই অপ্ৰস্তুত হৈছিলো। লাজ লাগিছিল। হয়তো মোৰ চবিশ বছৰীয়া যুৱ দেহটোৰ কোনোবাখিনি চঞ্চল হৈ উঠিছিল। ছোৱালীজনীয়ে বুজিছিল। চলন্ত ট্ৰেইনৰ প্ৰথম শ্ৰেণীৰ ডবাৰ এনেকুৱা অভিজ্ঞতা ছোৱালীজনীৰ হয়তো আগতেও হৈছিল। সেইদেখিয়েই ওঠৰ কোণত দুষ্টালিভৰা হাঁহিৰ অনুজ্জ্বল ৰেখা এডাল বিৰিঙি উঠিছিল।

মই মেলি লোৱা কিতাপখনত আকৌ মনোযোগ দিছিলো। কিন্তু বাৰেপতি মনৰ আঁত হেৰাই যাব খোজে। চঞ্চল হৈ উঠে মন। ছোৱালীজনীলৈ আঁৰ চকুৰে চাবৰ মন যায়। কিন্তু সাহসে নুকুলায়। লাজ লাগে।

ট্ৰেইনখন গুৱাহাটী এৰাৰ ঠিক আগমুহূৰ্তত এসোপা বয়বস্তু লৈ ছোৱালীজনী মোৰ অকলশৰীয়া কম্পাৰ্টমেন্টটোলৈ সোমাই আহিছিল। ভাবিছিলো কলেজৰ ছোৱালী, পূজাৰ বন্ধত ঘৰলৈ যাব আহিছে।

কিন্তু এইখন বৰাক উপত্যকালৈ যোৱা ৰেল গাড়ী। শিলচৰেই ইয়াৰ যাত্ৰাৰ শেষ প্ৰান্ত। ছোৱালীজনী অসমীয়া নহ'বও পাৰে।

'আপুনি ক'লৈ যাব?' ছোৱালীজনীয়েই প্ৰথমে মাত দি সুধিলে।

'মই?'

'অ। আপোনাকে সুধিছো।'

'মাহুৰলৈ যাম।'

'কি?'

ছোৱালীজনী যেন আচৰিত হ'ল। ক'লে 'ময়ো মাহুৰলৈকে যাম।'

'তাৰমানে আপোনাৰ তাতে ঘৰ?' মই কিতাপখন জপাই থৈ সুধিলো।

'ঠিক মোৰ ঘৰ নহয়, মোৰ মামাৰহে ঘৰ। অৱশ্যে সৰুৰে পৰা মই তাতেই ডাঙৰ দীঘল হৈছো।'

মই একো নক'লো।

'মোৰ মা দেউতা সৰুতেই ঢুকাইছিল। সেইদেখিয়েই মামাৰ লগত মাহুৰতে থাকি ডাঙৰ দীঘল হৈছিলো।' ছোৱালীজনীয়ে ক'লে।

অকাৰণতে ছোৱালীজনীলৈ মোৰ মোহ উপজিছিল। এক অনামী ৰোমান্টিকতাই মনটো নচুৱাই যোৱাৰ মুহূর্তত এবাৰো ঘৰত এৰি থৈ অহা মা দেউতালৈ মনত পৰা নাছিল। খন্তেকৰ চিনাকীতে পাহৰি গৈছিলো যে মই মাহুৰ ফৰেষ্ট ৰেঞ্জৰ সদ্য নিযুক্ত ৰেঞ্জাৰ।

'আপোনাৰ নামটো নক'লে যে!'

'মোৰ নাম মলয় বৰুৱা।'

'আৰু মোৰ নাম আকাশী বৰা। কটনত পঢ়ো।'

'মই ঠিকেই অনুমান কৰিছিলো।'

কেইটামান মুহূর্ত অপলকনেত্রে আকাশীলৈ চাই চকুহাল নমাই আনিলো। আকাশীয়ে হয়তো বুজি পাইছিল তাইৰ বিশবছৰীয়া উঠন দেহটোৰ প্রতিটো অংগকে মোৰ দুচকুৰ দৃষ্টিয়ে চুই গৈছে।

লাহে লাহে আমি সহজ হৈ পৰিছিলো।

আপুনি পৰিবর্ত্তন হৈছিল তুমিলৈ।

ৰেলখন জাগীৰোড ষ্টেছনত ৰওঁতে আকাশীয়ে বেগ এটাৰ পৰা কেক এডোখৰ উলিয়াই নিজে লৈ এডোখৰ মোলৈ আগবঢ়াই দিলে। আকাশীৰ পৰা কেকডোখৰ ল'ব খোজোতেই ডবাৰ লাইটৰ বাল্বকেইটা হঠাতে নুমাই গ'ল। লগে লগে আকাশীয়ে একেজাপে নিজৰ চিটটোৰ পৰা উঠি আহি মোৰ ওচৰত বহি ল'লে। আকাশীৰ কান্ধত হাত এখন থৈ মই সুধিলো 'কি হ'ল আকাশী?'

'আন্ধাৰলৈ মোৰ খুব ভয় লাগে।'

'কিয়?'

'কিয় ক'ব নোৱাৰো।' আকাশীয়ে আপোন মনেৰে কৈ গ'ল 'সৰুৰে পৰা মোৰ আন্ধাৰত থাকিবলৈ ভয় লাগে। মামায়ো মোক কেতিয়াও আন্ধাৰত অকলে থাকিব নিদিছিল। কেতিয়াবা অকলে থাকিব লগীয়া হ'লে কি কৰিছিল জানা? প্ৰকাণ্ড তাবিজ এটা বাউসীত পিন্ধাই দিছিল।'

মই একো নক'লো।

আকাশী এজনী যেন ৰহস্যময়ী যুৱতী। ইতিমধ্যে লাইটৰ বাল্বকেইটা আকৌ জ্বলি উঠিছিল। মই ভাবিছিলো আকাশী আকৌ নিজৰ চিটটোলৈ উঠি যাব, কিন্তু আকাশী নগ'ল। মোৰ ওচৰত বহি থাকিয়েই আকাশীয়ে অনৰ্গল তাইৰ কাহিনীয়ে কৈ গ'ল।

২

ৰেলখন মাহুৰ ষ্টেছনত ৰ'লহি। তেতিয়া ৰাতি পুৱাইছে। সৰু পাহাৰীয়া ষ্টেছনটোৰ একমাত্ৰ প্লেটফৰ্মত ৰেলখন ৰোৱাৰ লগে লগে অলপ হৈ চৈ হৈছিল। ৰেলখন গুছি যোৱাৰ পিছত আকৌ শান্ত হৈ পৰিছিল প্লেটফৰ্ম। মই আমাৰ দুয়োৰে বয় বস্তুসোপা এঠাইত দমাই থৈছিলো। আকাশীয়ে ষ্টেছনৰ চাৰিওফালে চাব ধৰা দেখি সুধিলো 'কি চাইছা?'

'মামাক বিছাৰিছো। ' আকাশীয়ে চাৰিওফালে চাই থাকিয়েই উত্তৰ দিলে।

'তেখেত অহাৰ কথা আছে নেকি?'

'অ। মামা সদায় আহে। অকলশৰীয়া বাবে মই আহিলে খুব ফূৰ্ত্তি পায়।'

'আৰু লগত মই থাকিলে?'

আকাশীয়ে কিবা ক'ব ওলায়ো নোকোৱাকৈ ৰৈ গ'ল। সেইসময়তে প্ৰায় ষাঠি বছৰমান বয়সৰ আটিল চেহেৰাৰ পুৰুষ এজন প্লেটফৰ্মলৈ সোমাই আহিছিল। তেওঁক দেখিয়েই আকাশীয়ে আনন্দত উত্ৰাৱল হৈ মামা বুলি চিঞৰি সোঁহাতখন ওপৰলৈ ডাঙি জোকাৰি দিলে। মানুহজনো একপ্ৰকাৰ দৌৰি আহি আকাশীক মৰমেৰে আকোৱালী ল'লে। বুজিলো এওঁৱেই প্ৰতাপ দাস, আকাশীৰ মোমায়েক। আকাশীৰ একমাত্ৰ আপোনজন। আকাশীৰ বাৰু সচাঁকৈয়ে অইন

কোনো সমন্ধীয় মানুহ নাই নেকি?

আকাশীৰ নিচেই ওচৰত মোক থিয় হৈ থকা দেখি প্ৰতাপ দাস অলপ আচৰিত হ'ল। আকাশীয়ে চিনাকী কৰি দিয়াৰ পিছত মোৰ লগত তেওঁ সহজ হ'বলৈ চেষ্টা কৰিলে। কিন্তু .. খন্তেক আগৰ মনৰ উচ্চলতা খিনি যেন ক'ৰবাত হেৰাই গ'ল।

আকাশীয়ে মোক জোৰ কৰিয়ে নিজৰ ঘৰলৈ লৈ গৈছিল। আকাশীৰ ঘৰতে চাহ জলপান খাই বাহিৰে বাহিৰে অফিচত জইনিং ৰিপৰ্টটো দি মোৰ আছুটীয়া বাংলো পালোহি। আদহীয়া মানুহ এজনে মোৰ বস্তুবোৰ থানঠিত লগাই থ'ব ওলাইছিল।

'তুমিয়েই চকীদাৰ হ'বলা?' মই সুধিলো।

মানুহজনে শলাগিলে। মই পুনৰ সুধিলো 'কি নাম?'

'যোগেন বৰা।'

'অসমীয়া?'

'হয়।'

'টাউনখনত দেখিছো ভালে কিঘৰ অসমীয়া মানুহ আছে।'

'বিছ ঘৰমান স্থায়ী অসমীয়া মানুহ আছে।' কথাখিনি কৈ যোগেন অলপপৰ বৈ সুধিলে 'কিবা খাব নেকি চাৰ?'

'নাখাওঁ। এঠাইত খাই বৈ আহিছো।'

'হোটেলত?'

'নহয়,মানুহএঘৰত। প্ৰতাপ দাস যে .. তেওঁৰ ঘৰত।'

যোগেন যেন চক্‌খাই উঠিল। কিছুসময় তভক মাৰি বৈ আকৌ সুধিলে 'কাৰ ঘৰত খালে চাৰ?'

বিৰক্তি লাগিছিল যদিও প্ৰতাপ দাসৰ নামটো পুনৰ ক'লো। মোৰ কথা শুনি যোগেনে এখন্তেক মোলৈ অপাৰ বিস্ময়েৰে চাই অৱশেষত যাব ওলাল। কিন্তু দুৱাৰদলি পাৰ হোৱাৰ মুহূৰ্তত পুনৰ থমকি ৰ'ল। এইবাৰ মোলৈ নোচোৱাকৈয়ে আপোনভাবেৰে কৈ গ'ল 'নতুন ঠাইত সদায় সাৱধানেৰে চলিব লাগে। যাৰে তাৰে ঘৰত খাৱ ল'ব নালাগে।'

তাৰপিছত যোগেন গুছি গ'ল।

মোৰ হাঁহি উঠিছিল।

আকাশীৰ লগত যে মই একেলগে আহিছো এই কথা হয়তো বনজুইৰ দৰে চহৰখনত বিয়পি পৰিছে।

গধূলি আকাশীহঁতৰ ঘৰলৈ পুনৰ গৈছিলো। আকাশীয়ে মোক এটা সৰু কোঠাত বহিব দি নিজে মোৰ ওচৰত বহি লৈ ক'লে 'এইটো মোৰ কোঠা।'

'তোমাৰ মামাই বেয়া নাপাইতো?'

'কিয়?' আকাশীৰ দুচ কুত অপাৰ বিস্ময়।

'তোমাৰ কোঠালৈ পোনে পোনে সোমাই অহা দেখি বেয়া নাপাইতো?'

মোৰ কথা শুনি আকাশীয়ে খিলখিলাই হাঁহি ক'লে 'মামাই সেইবিলাক কথা নাভাবেই। আচ্চা! তোমাৰ বাংলোতো কেনেকুৰা?'

'ধুনীয়া।'

'চাবা, পুৰণি বাংলো বিলাকত প্ৰায়ে ভূত থাকে।'

'ভূতৰ কথা ক'ব নোৱাৰো, কিন্তু অদ্ভুত ধৰণৰ চকীদাৰ এজনহে আছে।'

আকাশীয়ে কিছুপৰ তভকমাৰি ৰৈ সুধিলে 'নামটো যোগেন নেকি?'

' অ, যোগেন বৰা তেওঁৰ নাম। তুমি চিনি পোৱা নেকি?'

'মই চিনি নাপাওঁ। কিন্তু অইনৰ মুখত শুনিছো মামা আৰু তেওঁৰ মাজত বোলে ভিতৰি ভিতৰি বিৰাট কাজিয়া। দুয়ো দুয়োকো চকুপাৰি দেখিব নোৱাৰে।'

'কিহৰ কাৰণে?'

'কিহৰ কাৰণে নাজানো। মামাই কৈছিল মই নিচেই সৰু থাকোতে যোগেন বৰাই এদিন হেনো মোক মাৰিবলৈ খেদি আহিছিল।'

কথাখিনি কৈ আকাশী চাহ কৰিবলৈ উঠি গ'ল।

মই নিঃশ্চুপ হৈ কোঠাটোত বহি ৰ'লো।

হঠাতে আকাশীৰ বিছনাখনলৈ চকু পৰাত চমকি উঠিছিলো। আকাশীৰ বিছনাখনত সৰিয়হৰ গুটি কিয়? আৰু গাৰুটোৰ তলত বেলপাত কিয়? মই একো ধৰিব নোৱাৰিলো। আকাশীয়ে চাহকাপ লৈ আহোতে সুধিম বুলি ঠিক কৰিছিলো। আকাশী চাহকাপ লৈ আহোতে মোৰ ওচৰতে বহিছিল। আকাশীৰ মুখৰ অভিব্যক্তি দেখি অৱশ্যে একো সোধা নহ'ল। আকাশীৰ অলপ আগৰ প্ৰগলভতাখিনি যেন সেমেকি গৈছে।

হঠাতে শব্দ এটা শুনি আকাশী চক্ খাই উঠি মোলৈ চালে।

অলপ পিছত খোলা খিৰিকিখনৰ কাষৰ ওখ আঁহত গছজোপাৰ পৰা

এটা অজান পখী ডেউকা কোবাই উৰি গ'ল।

'কি?'

'ঢোঁৰাকাউৰী এটা।'

'ঢোঁৰা কাউৰী! তাকো এই গধূলিখন?'

'অ। সদায় এইসময়ত গছডালত পৰেহি। কেতিয়াবা ৰাতি দুপৰলৈ থাকে। কেতিয়াবা অলপপৰ থাকিয়েই গুছি যায়।'

'তোমাৰ ভয় নালাগে?'

আকাশীয়ে মোৰ চকুলৈ চাই ক'লে 'প্ৰথমে লাগিছিল। এতিয়া আৰু নালাগে। জন্মৰে পৰা যদি একেটা ঘটনাকে সদায় দেখি থাকো কাৰনো বাৰু ভয় লাগিব?'

৩

'হু।'

'এনেকৈ আৰু কিমান দিন থাকিবা ?'

'কেনেকৈ?' মই বুজি পায়ো অবুজনহৈ সুধিলো। আকাশীয়ে কিহৰ ইংগিত দিছে মই বুজি পাইছো। বুজি পায়েবা মই কি কৰিম? এতিয়া মই যে নিৰুপায়।

ঘৰলৈ আকাশীৰ কথা বৰ্ণাই চিঠি লিখিছিলো। কিন্তু উত্তৰ আহিছিল অজ্ঞাতকুলশীলা ছোৱালী এজনীক মা-দেউতাই বোৱাৰী কৰিব নোৱাৰে। মোৰ মনটো ভাঙি পৰিছিল। ইতিমধ্যে আকাশীৰ পূজাৰ বন্ধ শেষ হৈছিল। মই জোৰ কৰা কাৰণেই আকাশী যোৱা নাছিল। কিন্তু এতিয়া আকাশী বিপাঙত পৰিছে। সৰু চহৰ খনত আমাৰ কথা বৰকৈ ওলাইছে।

এইকেইদিন মন কৰিছিলো যোগেনেও যেন মোক কিবা এষাৰ ক'বলৈ চল চাই ফুৰিছে। মই যোগেনৰ সংগ এৰাই ফুৰিছিলো। যোগেনৰ সন্মুখীন হ'লেই দেখা পাওঁ যোগেনৰ শেঁতা ওঠদুখন কঁপি উঠে। কিন্তু যোগেনে কোনো কথাই সুস্পষ্টকৈ ফুটাই ক'ব নোৱাৰে। এদিন অপ্ৰত্যাহিত ভাৱে ফুটি উঠিছিল 'আ...কা...শী...'

মাত্ৰ সিমানেই।

ইতিমধ্যে মই আঁতৰি আহিছিলো। মনটো আন্মনা হৈছিল। যোগেনে

আকাশীৰ কথা ক'ব ওলাইছিল। কিন্তু কিয়?

'আকাশী!' মই মাত লগালো।

'কি?'

'মই ..'

'কি হ'ল?' আকাশীয়ে এইবাৰ মূৰ তুলি মোলৈ চালে।

'মই...তোমাক বিয়া কৰাম।'

আকাশীয়ে একো নকৈ লাহে - লাহে মূৰটো তললৈ হলাই নিলে। মই ক'লো 'আকাশী! অহাকালি তোমাৰ মামাৰ ওচৰত মই সকলো কথা জনাম। ক'ম, তেওঁ যদি সন্মত হয়, মই আৰু কোনো বাধাই নামানো।'

আকাশীয়ে মোক সাৰতি ধৰি নীৰৱে চকুপানী টুকিছিল।

তাৰপিছত আকাশীহঁত ৰ ঘৰৰ পৰা গুছি আহি মোৰ বাংলোৰ বাৰাণ্ডাত নিৰলে বহিছিলো। হঠাতে ভাব হ'ল কোনোবা এজন যেন নিঃশব্দে আহি মোৰ পিছত থিয় হৈছে। চ্কখাই উঠি চিঞৰি দিছিলো 'কোন?'

'মই চাৰ।' যোগেনৰ অনুচ্চ কণ্ঠস্বৰ।

'কি হ'ল তোমাৰ?'

'মোৰ একো হোৱা নাই।'

'তেন্তে?'

'এটা কথা কওঁ বুলি আহিলো।'

'কোৱা।'

যোগেনে খন্তেক পৰ ৰৈ ক'লে, 'আপুনি তাইৰ সৈতে নুফুৰাই ভাল।'

'তুমি কাৰ কথা ক'ব ওলাইছা?' খঙেৰে সুধিলো।

'কাৰ কথা ক'ব ওলাইছো আপুনি বুজিছেই।'

একেজাপে মই বহাৰ পৰা উঠিছিলো। প্ৰচণ্ড খঙত হিতাহিত জ্ঞান হেৰুৱাই যোগেনৰ মুখত ঘোচা এটা মাৰি দিছিলো। তাল ৰাখিব নোৱাৰি যোগেন মজিয়াখনত কৰ্ফাল খাই পৰি গ'ল। আন্ধাৰতে দেখিলো যোগেনৰ কোৱাঁৰীৰে এসুঁতি তেজ ওলাই আহিছে।

ৰঙা ৰঙা তেজ। সকলোৰে তেজ এনেকুৱাই হয় নেকি?

ৰুমাল এখনেৰে তেজখিনি মচি মচি যোগেন থিয় হ'ল। তাৰপিছত আকৌ কঁপি থকা কণ্ঠস্বৰেৰে ক'লে, 'চাৰ ! মোক বেয়া নাপাব। ভুল নবুজিব।

মই আপোনাৰ ভাল ভাবিয়েই কৈছো। আকাশীৰ সংগ এৰি দিয়ক। তাইৰ লগত বিয়াৰ কথাও নাভাবিব। এইখন বিয়া হ'ব নোৱাৰে। কেতিয়াওঁ হ'ব নোৱাৰে। জানি শুনি পিশাচৰ তেজৰ লগত কোনেও সম্বন্ধ নক'ৰে।'

'কি ?'

যোগেনে কিন্তু আৰু একো নক'লে। ধীৰে ধীৰে খোজ দি বাহিৰলৈ ওলাই গ'ল।

৪

'এইখন বিয়া হ'ব নোৱাৰে।'

'কিন্তু কিয় ?' মই সুধিলো।

'মামা ! মইযে মলয়ক ভাল পাওঁ।' আকাশীয়ে কান্দোনমিশ্রিত স্বৰেৰে ক'লে।

প্রতাপ দাস নির্বিকাৰ। মুখখনত ভাৱলেশহীন অভিব্যক্তি।

আকাশীয়ে উচুপিছিল। মই দুবাৰমান আকৌ সুধিছিলো। কিন্তু প্রতাপ দাসে নিষ্ঠুৰভাৱে একেষাৰ কথাকে দোহাৰিলে।

প্রতাপ দাসে বহুপৰৰ মূৰকত আৰশেষত ক'লে 'তহতে ভাবিছ মই জাতকুলৰ কাৰণে এইখন বিয়াত বাধা দিছো। আচলতে কাৰণতো সেইটো নহয়। মই তহঁতৰ ভালৰ কাৰণেহে....'

'কিন্তু আমাৰ মনত অশান্তি দি তুমি কেনেকৈ আমাৰ ভালৰ কাৰণে ভাবিব পাৰিলা ?'

প্রতাপ দাসে শেঁতা হাঁহি এটা মাৰিলে। তেওঁৰ চকুহাল ঢুলঢুলীয়া হৈছিল। তথাপিও তেওঁ ধীৰে ধীৰে স্থিৰ ভাবে কৈ গ'ল 'তহঁতে কাৰণতো ক'লে বিশ্বাস নকৰিবি হয়তো। এইয়া আজিৰ কথা নহয়। প্রায় বিশ বছৰ আগৰ কথা। অত বছৰে এই কাহিনীতো মই কাকো কোৱা নাছিলো। অৱশ্যে মই নক'লেও অইন এজনে এই কাহিনীতো জানে।'

'কোন তেওঁ ?'

প্রতাপ দাসে অলপপৰ বৈ সুধিলে 'তুমি যোগেন বৰাক জানা ?'

'জানো। তাৰমানে তেঁৰে ...'

'অ। মোৰ বাহিৰে অকল তেৱেঁহে এই কাহিনীতো জানে।'

মই চক খাই উঠিছিলো। প্ৰতাপ দাসে এইয়া কি ক'ব ওলাইছে! আকাশীলৈ চাইছিলো। আকাশীৰ মুখতো বিস্ময়ৰ আভা। কিন্তু প্ৰতাপ দাস নিৰ্বিকাৰ। গধূলিৰ আন্ধাৰজাকে আছন্ন কৰি ৰখা বাৰাণ্ডাখনৰ খুঁটা এটাত আউজি তেওঁ একেথিৰে কাষৰ বুঢ়া আহঁত জোপালৈ চাই আছিল। হঠাতে অজানপখী এটা আঁহতজোপাত পৰিলহি। প্ৰতাপ দাসে এইবাৰ হুমুনিয়াহ এটা এৰিলে।

'শুন তেন্তে।' প্ৰতাপ দাসে অৱশেষত ক'বলৈ আৰম্ভ কৰিলে 'কাহিনীৰ পটভূমি এই অঞ্চলটোৱেই। মাহুৰৰ ওচৰতে ৰামপুৰ গাওঁখন। মানৰ আক্ৰমণৰ সময়তে গঢ় লৈ উঠা গাওঁ। ওঠৰ ঘৰ অসমীয়া মানুহৰ গাওঁ। তেনে এঘৰ মানুহেই আছিল মনবৰ দাস। দুটি ল'ৰা আৰু এজনী ছোৱালীৰে সৈতে সুখী পৰিয়াল এটা। ঘৈণীয়েক পাহিতাও কামৰ তিৰোতা। জীয়েক সাদৰীও নামে কামে সাদৰী। ওখ ক্ষীণ লনি দেহৰ ছোৱালীজনীৰ বয়স তেতিয়া ওঠৰ হৈছিল। ককায়েক দুজনৰ ডাঙৰজনৰ বয়স তেতিয়া চব্বিশ বছৰ। সৰুজনৰ তেতিয়া বিশ বছৰ।

এদিনাখন গাওঁলৈ মায়াঙৰ ফালৰ এজন তান্ত্ৰিক আহিছিল। নিয়মীয়া ওখ ক'লা বৰনৰ মানুহজনৰ ভয়ংকৰ মূৰ্ত্তিয়ে গাওঁৰ বহুতকে ভয় খুৱাইছিল। তান্ত্ৰিকজন শ্মশানৰ ওচৰৰ অকলশৰীয়া টিলা এটাত থাকিবলৈ লৈছিল। নাম আছিল তেওঁৰ পিতৌ বেজ।

এদিনাখনৰ কথা। তেতিয়া ভৰ দুপৰীয়া। ৰামপুৰ গাওঁৰ কাষেৰে যোৱা পাহাৰী নিজৰা খনৰ পৰায়ে গাওঁৰ সকলোৱে পানী খায়, গাধোৱে। সেই নিজৰাখনলৈ সাদৰী গৈছিল পানী আনিবলৈ। অইনদিনাখন অকলে নাযায়। সেইদিনা সাদৰী পিছে অকলে যাব লগা হ'ল। পানী লৈ আহোতে সাদৰীয়ে গাটোও ধুই ল'লৈ। চাৰিওফালে চাই সাদৰীয়ে সাউতকৰে তিতা কাপোৰখিনি সলাই ককালত কলহটো লৈ সাদৰী ঘৰলৈ যাব ওলাল। কিন্তু নিজৰাৰ পাৰলৈ উঠি আহি সাদৰী থমকি ৰ'ল। লাজ, ভয় আৰু সংশয়ত সাদৰীৰ সৰ্ব্বশৰীৰ কঁপি উঠিল। পাৰত তেতিয়া পিতৌ বেজ থিয় হৈ একেথিৰে সাদৰীলৈকে চাই আছিল। পয়ত্ৰিশ বছৰীয়া পিতৌ বেজৰ মুখখন তেতিয়া এক প্ৰবল জৈৱিক কামনাৰে আৰক্তিম হৈ উঠিছিল। আৰু সাদৰী? তাই থৰ থৰকৈ কঁপিছিল। পিতৌ বেজ দুখোজ আগুৱাই আহি সুধিলে 'কি নাম তোমাৰ?'

সাদৰীয়ে একো নক'লে। বেজৰ দুচকুৰ কলুষ ভাষা তাই বুজি পালে। তাই দৌৰি পলাই আহিল। ঘৰ পায়ো সাদৰীৰ বুকুখন ধান বনাদি বানিব ধৰিছিল।

আবেলি ঘটিল আন এটা ঘটনা।

কোনেও ভবা নাছিল তেনে এটা ঘটনা ঘটিব বুলি।

আবেলি পিতৌ বেজ মনবৰ দাসৰ ঘৰ আহি ওলাল।

'আপোনাৰ ছোৱালীৰ নাম সাদৰী, হয়নে?' পিতৌ বেজে পাতনি নেমেলাকৈ মনবৰ দাসক সুধিলে।

'হয়।' মনবৰ দাস আচৰিত হৈছিল সাদৰীৰ প্ৰসংগ ওলোৱা দেখি, তাকো পিতৌ বেজৰ মুখত।

'মই ছোৱালীজনীক বিয়া কৰাব খুজিছো।'

'মানে...'

'ঠিক আছে। আজি নক'লেও হ'ব। মই তিনি দিনৰ পিছত আকৌ আহিম।'

সেইখিনি কৈয়ে পিতৌ বেজ সিদিনা গুছি গৈছিল।

তাৰপিছতে আনন্দ মধুৰ ঘৰখনলৈ বিষাদৰ কলীয়া ডাৱৰ নামি আহিল। গাওঁখনৰ কোনেও এষাৰি মাত নামাতিলে। আচলতে পিতৌ বেজক জোকাই ল'বলৈ কোনেও সাহস কৰা নাছিল। পাহিতাই হুক হুকাই কান্দিছিল। সাদৰী অজ্ঞান হৈছিল। মনবৰ দাস চোতালত আমন জিমনকৈ বহি পৰিছিল।

ডাঙৰটো ল'ৰাই খবৰটো শুনিয়েই ক'ৰবালৈ ওলাই গৈছিল। নিশা এপৰত আহি কৈছিল সুৱৰ্ণপুৰ গাঁৱৰ জগত বৰাৰ ডাঙৰটো লৰা আনন্দৰ লগত সি সাদৰীৰ বিয়াখন ঠিক কৰি থৈ আহিছে। আগতে সি আনৰ মুখত আনন্দৰ লগত সাদৰীৰ মনৰ মিল আছে বুলি শুনিছিল। সেইদেখিয়ে সি আনন্দৰ ওচৰ চাপিছিল। আনন্দ সন্মত হৈছিল। আনন্দৰ ঘৰখনেও আপত্তি নকৰিলে। সাদৰীক বোৱাৰী হিচাপে পোৱাটো ভাগ্যৰে কথা। আনন্দৰ ঘৰখনে সাতদিনৰ ভিতৰতে বিয়াখন পাতিবলৈকো ৰাজি হৈছিল। এতিয়া পিতৌ বেজক ক'লেই হ'ল যে বিয়াখন আগৰ পৰায়ে ঠিক হৈ আছিল। সেইবুলি শুনিলে হয়তো পিতৌ বেজে বেয়া পোৱাৰ কোনো থল নাথাকিব।

ঠিক তিনিদিনৰ দিনাখন পিতৌ বেজ আহি ওলাল। মনবৰ দাসৰ মুখত সাদৰীৰ বিয়া আগৰে পৰা ঠিক হৈ থকা কথাটো শুনি পিতৌ বেজে মুখেৰে একো নামাতিলে। হয়তো পিতৌ বেজে তেনে এটা কথাকে শুনিব বুলি ভাবি আহিছিল। পিতৌ বেজৰ মানস পটত সাদৰীৰ নদীত গাধুই

থাকোতে দেখা নাঙঠ দেহটোৰ ছবিখন অহৰহ নাচি আছিল। তথাপিও পিতৌ বেজ নিমাতে আঁতৰি গ'ল। পিতৌ বেজ উভতি যোৱাৰ পিছতহে ঘৰখনলৈ পোহৰ উভতি আহিছিল। পিছদিনাখনৰ পৰা বিয়াৰ যোজা পুৰাদমে আৰম্ভ হৈ গৈছিল। বিয়াৰ হৈ চৈৰ মাজত পিতৌ বেজৰ প্ৰসংগ সকলোৱে পাহৰি গৈছিল।

কিন্তু পাহৰা নাছিল পিতৌ বেজে।

পিতৌ বেজেযে কিবা অপকাৰ কৰিব পাৰিব কোনেও কল্পনা কৰিব পৰা নাছিল।

সাদৰীৰ মনৰ দুশ্চিন্তা সম্পূৰ্ণ ভাৱে আঁতৰি গৈছিল। বিয়াৰ দিনটো ক্ৰমাৎ আগবাঢ়ি অহাৰ লগে লগে সাদৰীৰ মনটোও থৌকি বাথৌ হৈছিল।

বিয়াৰ আগদিনাখনৰ মাজনিশাৰ কথা।

সাদৰীৰ মাজনিশা সৰুপানী চুবলৈ ভাব আহিল। ওচৰতে শুই থকা মাকক জগাই দিবলৈ ওলাইয়ো সাদৰীয়ে মাকক নজগালে। মাকৰ গভীৰ টোপনি দেখি সাদৰীৰ মাকক জগাবলৈ মন নগ'ল। সেইদেখি সাদৰী অকলেই ওলাই গ'ল। সাদৰীয়ে পিছফালৰ চোতালখন পাৰ হ'ব ওলাওঁতেই হঠাতে পিছফালৰ পৰা কোনোবাই গবামাৰি ধৰা যেন পালে। সাদৰীয়ে মুখখন পিছফালে ঘূৰাওঁতে পিতৌ বেজৰ ভয়ংকৰ মূৰ্ত্তিটো দেখা পালে। সাদৰী অজান আশংকাত কঁপি উঠিল। তাই পিতৌ বেজৰ কবলৰ পৰা মুক্তি পাবলৈ আপ্ৰাণ চেষ্টা কৰিলে। সাদৰীৰ দেহটো ক্ৰমাৎ অৱশ হৈ আহিছিল। কিন্তু তাৰমাজতেই এবাৰ ছাতকৰে আনন্দৰ হাঁহি থকা ধুনীয়া মুখখন সাদৰীৰ চকুৰ আগত ভাঁহি আহিল। লগে লগে সাদৰীয়ে যেন এটা নতুন শক্তি পালে। তাই পিতৌ বেজৰ সোঁহাতখনত সজোৰে কামুৰি দিলে। যন্ত্ৰনাত পিতৌ বেজৰ হাতৰ মুঠি ঢিলা হওঁতেই সাদৰী একেলৰে পলাই আহি দুৱাৰৰ ডাংডাল ভিতৰৰ পৰা মাৰিহে উশাহ ল'লে।

সাদৰীয়ে কিন্তু আকৌ এটা ভুল কৰিলে। সাদৰীয়ে এইবাৰো মাকক নজগালে। জগাবলৈ তাইৰ সত নগ'ল। কথাযাৰ ক'লেই পুনৰ অশান্তিৰ কলীয়া ডাৱৰে মুহূৰ্ততে ঘৰখনক আকৌ আৱৰি ধৰিব। অহাকালি বিয়াৰ দিন। এতিয়া এনেকুৱা এটা ঘটনাৰ কথা উলিয়ালে হিতে বিপৰীতহে হ'ব। সেইদেখিয়েই সাদৰী মনে মনে থকাটোৱে উচিত বিবেচনা কৰিলে।

৫

বিয়াৰ দিনাখন বতৰ ভালেই আছিল।

কিন্তু পয়মাল লাগিল দৰাঘৰত। দৰাৰ কাৰণে আছুতীয়াকৈ ৰখা ডবুৱা কটাৰীখন হেৰাল। নামঘৰৰ আতৈয়ে তুলসীৰ মালা এডাল পঠিয়াইছিল। সেই মালাডাল মালতী পেহীয়ে চুৰাগাৰে চুই দিলে। তথাপিও দৰা ঠিক সময়তেই কইনাঘৰ পাইছিল। বিয়াখন সুকলমে পাৰ হৈ গ'ল। সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে। আগদিনাখনৰ পৰা পিতৌ বেজক নেদেখি গাওঁৰ মানুহে অমংগলৰ আশংকা কৰিছিল।

খুবা খুবুনিৰ ভোজৰ পিছত ফুলশয্যাৰ স্বপ্ন ৰঙীন নিশা আহি পালে। সাদৰীৰ আনন্দৰ আজি শেষ নাই। তাইৰ অতি চেনেহৰ আনন্দক পাব আজি। সাদৰীৰ ৰঙীন সপোন পিছে স্থায়ী নহ'ল। আনন্দ আগবাঢ়ি আহোতেই সাদৰীৰ গাটো এবাৰ শিৰ্‌শিৰ্‌াই গ'ল। আনন্দৰ সোঁহাতত এইয়া কিহৰ দাগ? ঠিক য'ত তাই পিতৌ বেজক কামুৰিছিল ঠিক একেখিনি ঠাইতে আনন্দৰ সোঁহাতখনত দাগ এটা । তেতিয়াও ঘাঁটো শুকুৱা নাই। অজান আশংকাত সাদৰীৰ শৰীৰটো থৰথৰকৈ কঁপিছিল। তাই চিঞৰিব ওলাইছিল। কিন্তু মুখেৰে এটাও মাত বাহিৰ নোলাল। তাই স্পষ্টভাৱে দেখিছিল আনন্দৰ ধুনীয়া মুখখনৰ ঠাইত পিতৌ বেজৰ ভয়াবহ মুখখন।

সাদৰীয়ে প্ৰতিবাদ কৰিব নোৱাৰিলে। চকুলো বোৱাই তাই পিতৌ বেজৰ অবৰ্ণনীয় নিষ্পেষণ সহ্য কৰি গ'ল। সাদৰীৰ উপায়ো নাছিল। দিনৰ পোহৰত যিজন আনন্দ সেইজনেই যে নিশাৰ আন্ধাৰত পিতৌ বেজৰ ৰূপ ধৰে তাই কাক ক'ব? সাদৰীয়ে প্ৰানপণে অভিনয় কৰি গ'ল। দিনৰ আনন্দ বৰাইযে আচলতে পিতৌ বেজ এইকথা তাই কাকো খুলি ক'ব নোৱাৰিলে। ন কইনাৰ লাজে সাদৰীক খুলি খুলি খাইছিল।

সাদৰীয়ে মুখ খুলি একো নকলেও কানসমনীয়া নন্দেকজনীৰ চকুত সাদৰীৰ মনৰ পৰিবৰ্ত্তন ধৰা নপৰাকৈ নাথাকিল। নন্দেকজনী সাদৰীৰ আগৰে পৰা চিনাকী। নন্দেকৰ উপৰ্য্যুপৰি প্ৰশ্নত কওঁ নকওঁকৈ সাদৰীয়ে কথাটো নন্দনক কৈ দিলে। নন্দেকে শাহুৱেকক আৰু তাৰ পিছত সৰ্বত্ৰ কথাটো বিয়পি পৰিল। মূহূৰ্ততে গাওঁৰ ডেকা মখাই আনন্দৰূপী পিতৌ বেজক আগুৰি ধৰিলে। পিতৌ বেজে সৈ কাঢ়িছিল। সাদৰীক পাবৰ কাৰণেই সি বিয়াৰ দিনাখন তন্ত্ৰৰ বলেৰে

আনন্দক মাৰি পেলাইছিল আৰু তাৰঠাইত সি নিজে আনন্দৰ ৰূপ লৈছিল। তুলসীৰ মালাডাল চুৰা নহ'লে অৱশ্যে কথা বেলেগ হ'লহেতেঁন।

পিতৌ বেজৰ কথা মতেই শ্মশানৰ এঠাইত নৰকংকাল এটা পোৱা গৈছিল। সেইটো তেতিয়া আনন্দৰ বুলি ধৰিবলৈ কোনো উপায় নাছিল। নৰকংকালটোৰ বীভৎসতাই যেন ডেকামখাক উন্মত্ত কৰি তুলিলে। তেওঁলোকে টঙনিয়াই টঙনিয়াই পিতৌ বেজক মাৰি শটো শ্মশানতেই পেলাই থৈ আহিছিল। আহোতে কেইবাজনেও দেখিছিল ঢোঁৰাকাউৰী এটাই পিতৌ বেজৰ শটো চেলেকিব ধৰা।

পিতৌ বেজৰ মৃত্যু হ'ল যদিও সাদৰীৰ একো লাভ নহ'ল। সাদৰীৰ দেহত তেতিয়া পিতৌ বেজৰ সন্তান। শাহুৱেকে সাদৰীক ঘৰলৈ পঠিয়াই দিছিল। কেইমাহমান পিছত সাদৰীয়ে ছোৱালী এজনীৰ জন্ম দিছিল। কিন্তু তাৰদুদিনমান পিছত মনবৰ দাস অচিন ৰোগত একেদিনাই মৰি থাকিল। পাহিতাই মনৰ বেজাৰতে চিপজৰী ল'লে। বজ্ৰপাত পৰি এদিন সাদৰীৰ ডাঙৰ ককায়েকজনো ঢুকাই থাকিল। ঘৰখনত থাকিলগৈ সাদৰী, সাদৰীৰ সৰু ককায়েকজন আৰু সাদৰীৰ জীয়েকজনী। ছোৱালীজনীৰ জন্মৰ দিনাখন ঢোঁৰাকাউৰী এটাই আঁহতজোপাৰ ডালত বহি গোটেই দিনতো ৰমলিয়াইছিল। অকল সেইদিনাই নহয়, তেতিয়াৰ পৰা সদায় গধূলি হ'লে ঢোঁৰাকাউৰীটো ক'ৰবাৰ পৰা আহি ওলাই ৰমলিয়াব ধৰে। কিছুসময় থাকি আকৌ গুছি যায়। এদিন নহয়, দুদিন নহয়, সদায় আনকি এতিয়াওঁ একেটা ঘটনাই হৈ আহিছে। এজন বেজে কৈছিল এইয়া পিতৌ বেজৰ অশান্ত আত্মা। ছোৱালীজনী জীয়াই থকালৈকে কাউৰীটোও জীয়াই থাকিব।

তাৰপিছত সাদৰীও এদিন ঢুকাইছিল।

সাদৰী ঢুকুৱাৰ দিনা আনন্দৰ ভায়েকে ছোৱালীজনীক মাৰিবলৈ খেদি আহিছিল। কিন্তু সৰু মোমায়েকে ছোৱালীজনীক বচালে। কনমানি ছোৱালীজনীলৈ তেওঁৰ বৰ মোহ উপজিছিল। মৰমতে ছোৱালীজনীৰ নাম দিছিল আকাশী।

৬

'কি ?'

'অ।' আকাশীৰ মোমায়েকে মূৰটো তললৈ হলাই দিলে। অলপ পিছত আকৌ ক'লে 'তয়ে সেই ছোৱালীজনী। তোৰ জন্মৰ এই কাহিনীটো কিয় ক'লো

জান? তইঁতৰ ভালৰ কাৰণে। এতিয়াওঁ যদি মলয়ে তোক বিয়া কৰাব খোজে তেন্তে...'

প্ৰতাপ দাসে বাকীখিনি ন'কই মনে মনে ৰ'ল।

মই নিঃশ্চুপ হৈ ৰ'লো।

চকুহাল মুদি দিছিলো। ভাবিছিলো এনেকুৱাও কেতিয়াবা হয় নেকি? মই ঠিক কৰিব নোৱাৰিলো আকাশীক মই বিয়া কৰাম নে নকৰাম।

কিমানপৰ তেনেকৈ আছিলো ক'ব নোৱাৰো। কিন্তু হঠাতে চোতালখনত কিবা এটা ধূপুচকৈ পৰা শব্দ শুনি মোৰ তন্দ্ৰালু ভাৱটো ভাঙি চুৰমাৰ হৈ গ'ল। প্ৰকাণ্ড কিচকিচিয়া ক'লা কাউৰী এটাই মাটিত চটফটাব ধৰা দেখি মই শিয়ঁৰি উঠিছিলো। কিন্তু প্ৰতাপ দাসে কাউৰীটোলৈ এবাৰ চায়ে একেলৰে ভিতৰ পালে। কিংকৰ্ত্তব্যবিমূঢ় হৈ মই চোতালতে ৰ'লো।

'মলয়!' ভিতৰৰ পৰা প্ৰতাপ দাসৰ আৰ্ত্তনাদতো ভাঁহি আহি মোৰ কাণত পৰিল।

মই লগে লগে ভিতৰলৈ দৌৰি গ'লো। কিন্তু ....

মোৰ পলম হ'ল, ইতিমধ্যে সকলো শেষ হৈ গ'ল। আকাশীৰ দেহটো চিপজৰী এডালৰ সৈতে....আকাশীৰ কোঁৱাৰীয়েদি তেজ এসুঁতি বৈ আহিছে।

এসময়ত মই ধীৰে ধীৰে মোৰ বাংলোটোলৈ খোজ লৈছিলো।

মোৰ দুচকুৰ সন্মুখত তেতিয়া অকল ৰঙা ৰঙৰ তেজৰ নদী এখনৰ প্ৰতিচ্ছবি।

## শংকা আশংকা আৰু মৃত্যু

জয়াপুৰ এখন সৰু গাওঁ ।

বসতিও ঘন নহয়, পাতল। জয়াপুৰৰ চাৰিওফালে পাহাৰ। পাহাৰবোৰ চাপৰ। কিন্তু থিয়, গছো দুই এডালহে আছে পাহাৰবোৰত।

দক্ষিণৰ পাহাৰখন অলপ ওখ। পাহাৰখনৰ নাম ৰাণীপাহাৰ। ৰাণীপাহাৰৰ দাঁতিয়েদি এটা কেচাঁ মাটিৰ পথ জয়াপুৰলৈ সোমাই আহিছে। পথটো সংকীৰ্ণ, একাবেকা পথটোৰ দুয়োফালে গছ বিৰিখৰ অবিন্যস্ত শাৰীবোৰ।

জয়াপুৰ পাবলৈ এৰ্ফলংমান থাকোতেই পথটোৱে এটা দীঘলীয়া ভাঁজ লৈছে । সেইখিনিতে প্ৰকাণ্ড বটগছ এজোপা আছে। জয়াপুৰৰ মানুহে কয়, এইজোপা বহু শতাব্দীৰ পুৰণি গছ। গছডাল হেনো দেওলগা। এই গছজোপাতে জয়াপুৰৰ বহুকেইজন লোকে আত্মহত্যা কৰিছিল। গাওঁখনৰ পৰা কোনোবা হঠাতে নিখোজ হ'লেই সকলোৱে ইয়ালৈকে বিচাৰি আহে।

তেতিয়াই দেখা পায় বটগছজোপাৰ ডালত ডিঙিত চিপজৰীলৈ ওলমি থকা হেৰোৱা মানুহজন!!

গছজোপা ওখ। চল্লিশ ফুট হয়তো হ'ব। ঠাল ঠেঙুলীয়ে ওপৰখন অভেদ্য কৰি তুলিছে। ওপৰলৈ এতিয়ালৈকে কোনেও সোঁ - শৰীৰে উঠি যোৱা নাই। গ'লে দেখিলেহেতেঁন আৰু কিছুমান অচিনাকী লোকৰ মৃতদেহ ডিঙিত চিপজৰী লৈ ডালবোৰত ওলমি আছে।

অৱশ্যে এতিয়া আৰু মৃতদেহ বুলি ক'ব নোৱাৰি। এতিয়া মৃতদেহবোৰ বীভৎস নৰকংকাল হৈ পৰিছে। অকল জয়াপুৰবাসী কিয়, কোনো এজন বেজ অথবা তান্ত্ৰিকেও এতিয়ালৈকে সাহস কৰা নাই গছজোপাৰ ওচৰ চাপিবলৈ।

১

গাড়ীখনত আৰোহী তিনিজন। দুজন যুৱক,এগৰাকী যুৱতী।

অৰুণাভ, অবিনাশ আৰু কৰবী।

অৰুণাভে গাড়ী চলাইছে। অৰুণাভৰ কাষতে সদ্যবিবাহিতা কৰবী। পিছফালে বহি আছে অবিনাশ, অৰুণাভৰ ভায়েক।

কৰবীৰ বিয়া হোৱা চাৰিমাহেই হোৱা নাই। কিন্তু এই চাৰিমাহেও যেন কৰবীৰ দেহৰ পৰা মাহ হালধিৰ গোন্ধ আঁতৰাই নাই। কৰবীৰ খুব লাজ লাগে। তাই এতিয়াও নিজকে ন-কইনাজনীযেন অনুভৱ কৰে।

'বিয়াখনত পিছে অকনো ফূৰ্ত্তি নহ'ল।' অৰুণাভে কৈছিল।

সিহঁত বিয়া খাব গৈছিল। অৰুণাভহতঁৰ দূৰসম্পৰ্কীয় খুৰাকৰ জীয়েকৰ বিয়া। দৰা অহাৰ পিছত ভাত খাইয়ে সিহঁত গুছি আহিছিল। ঘৰত অকল মাকহে আছে। ৰাতি বেছি হ'লে মাকে চিন্তা কৰিব। তাতে কৰবীৰ এতিয়া ...

'কিয়?' কৰবীয়ে সুধিলে।

ফূৰ্ত্তি কৰবীৰো হোৱা নাছিল। তাইৰ লাজহে লাগিছিল। কইনা ঘৰৰ সকলো কইনাৰ ওচৰত থাকিব এৰি ঘৰখনৰ প্ৰথমা বোৱাৰী কৰবীকে বেঢ়ি ধৰিছিল। কৰবীৰ অস্বস্তি লাগিছিল। অৱশ্যে অবিনাশৰ বেয়া লগা নাছিল। বিয়াঘৰত লিপিকাক লগ পাই যাব বুলি সি সপোনতো কল্পনা কৰা নাছিল।

সিহঁতৰ গাড়ীখন তেতিয়া আন্ধাৰৰ মাজেৰে আগবাঢ়ি গৈছিল।

'দাদা!' অবিনাশে হঠাতে মাত দিলে।

'হু?'

'জয়াপুৰৰ মাজেৰে গ'লে ঘৰ পাওঁতে ওচৰ হ'ব নেকি? পাহাৰ কেইখনো পাৰ হ'ব নালাগিব তেতিয়া।'

'তই ৰাস্তাতো চিনি পাৱ?' অৰুণাভে সুধিলে।

'পাওঁ।'

'দেখুৱাই দিবি।'

অৰুণাভে দেখুৱাই দিছিল। সিহঁতৰ বগা এম্বেচাডৰখন মন্থৰ গতিৰে ৰাণীপাহাৰৰ দাঁতিয়েদি সোমাই গ'ল।

নিশা এতিয়া এঘাৰটা বাজিছে।

চতুৰ্দ্দিশ নিজম। ক'তো শব্দ নাই। পোহৰ এচমকাও ক'তো নাই।

একাবেকা পাহাৰী পথটোও এতিয়া জনশূণ্য। শীতৰ সেমেকা ৰাতিৰ নৈশ বতাশজাক ধীৰ গতিত বৈ আছে।

কৰবীৰ অস্বস্তি লাগিছিল। এনেকুৱা পৰিবেশ তাইৰ অকনো ভাল নালাগে। অৰুণাভক তাই গাড়ীখন জোৰেৰে চলাব কৈছিল। অৰুণাভে একচেলেটৰত হেঁচা বঢ়াই দিছিল। কিন্তু অলপদূৰ গৈয়েই অৰুণাভে গাড়ীৰ গতি আকৌ কমাই আনিবলৈ বাধ্য হ'ল। এসময়ত পথৰ দাঁতিতে সি গাড়ীখন ৰখাই দিলে।

'কি হ'ল?'

'বোধকৰোঁ চকা ফুটিল।'

কথাখিনিকৈ অৰুণাভ নামি গ'ল, পিছে পিছে অবিনাশ।

গাড়ীখনৰ এটা চকা সঁচাকৈয়ে পাম্পচাৰ হৈছিল। অৰুণাভ আৰু অবিনাশে দুয়ো চকাটো বদলাব যোজা কৰিলে। সেইসময়তে কৰবীয়ে মৃদুভাৱে চিঞৰি দিলে। অৰুণাভ আৰু অবিনাশ দুয়ো কৰবীৰ ওচৰ চাপি আহিল।

'এই ঠাইখন ইমান জয়াল যেন লাগিছে। তাতে আকৌ এই বিয়াগোম বটগছজোপাৰ তলতেই গাড়ীখন ৰাখিছা। মোৰ যে..'

'ভয় লাগিছে?'

কৰবীয়ে একো নক'লে। ক'বলৈ হয়তো লাজ কৰিলে।

'দাদা! তুমি গাড়ীতে বহি থাকা। নহ'লে নবৌয়ে হয়তো ভয়তে আকৌ চিঞৰি দিব।' অবিনাশে দুষ্টালিভৰা হাঁহিৰে কথাষাৰ কৈ গাড়ীৰ জেকডাল বুটলি ল'লে। অৰুণাভে কৰবীৰ কাষতে বহি ল'লে। অৰুণাভে কৰবীক কিবা এষাৰ কথা কৈছিল, অবিনাশে নুশুনিলে। সি জেকডাল উঠাবলৈ গৈ তমসাঘন পথটোলৈ চাই পঠিয়ালে।

আৰু হয়তো পাঁচমিনিটৰ বাট জয়াপুৰলৈ। এতিয়া জয়াপুৰখন নিশাৰ কুহেলিকাত মোহাচ্চন্ন হৈ আছে। তথাপিও অবিনাশে ক'ৰবাত ধিমিক ধামাককৈ জ্বলি থকা চাকিৰ অনুজ্বল পোহৰ এচমকা দেখা পাব বুলি ক্ষীণ আশা এটা কৰিছিল। কিন্তু নেদেখিলে।

অবিনাশে জেকডাল উঠাই নতুন চকাটো লগাবলৈ লৈ হঠাতে উচপ খাই উঠিল। নাতিদীৰ্ঘত সি টিপচাকি এটা দেখা পালে। চলমান চাকি এটা। ক্ষীণপোহৰ চাকিটোৰ। শলিতাডাল হয়তো খুব কঁপিছে। নহ'লে এনেকুৱা পোহৰ

অসম্ভৱ। কিন্তু বতাহ! এতিয়াতো অকনো বতাহ বলা নাই। তথাপিও চাকিটো বৰকৈ লৰিছে।

অবিনাশে কিছুসময় একেথিৰে চাকিটোলৈ চাই ৰ'ল।

চাকিৰ পোহৰখিনি ক্ৰমশঃ ওচৰ চাপি আহিছে। অবিনাশে দেখিলে ক্ষীণকায় বুঢ়া মানুহ এজনে কঁপি থকা হাত এখনেৰে টিপচাকি এটা ধৰি লাহে লাহে আহি আছে। অবিনাশে সকাহ পালে। অন্ততঃ এই অস্বস্তিকৰ নীৰৱতা অলপ পিছতে শাম কাটিব। কথা এষাৰ পাতিবলৈ মানুহ এজনৰ সংগ পাব।

অবিনাশে খৰখেদাকৈ নতুন চকাটো লগালে। পুৰণা চকাটো ভিতৰত থৈ জেকডাল নমাওতে তাৰ আধামিনিট লাগিছিল। তাৰপিছত থিয় হৈ সি সন্মুখলৈ চাই পঠিয়ালে। কিন্তু এইবাৰ সি একোকে দেখা নাপালে। সি ভিতৰত বহি লৈ অৰুণাভক কথাটো ক'লে।

'ক'তা মইতো একো দেখা নাছিলো।'

'মইতো স্পষ্টভাৱে মানুহজনক দেখিছিলো। হাতত জ্বলিথকা টিপচাকি এটা লৈ বুঢ়া মানুহ এজন আমাৰ ফাললৈকে আহি আছে।' অবিনাশে ক'লে।

'মইতো আগফাললৈকে চাই আছিলো। কৰবীয়ো সেইফালেই চাই আছিল। টিপচাকি লৈ বুঢ়া মানুহ এজনক দেখা পাইছিলা নেকি তুমি?'

'ওহো, নাই দেখা পোৱা।'

অবিনাশে একো নক'লে। গোটেই ঘটনাটো সি মনতে এবাৰ জুকিয়াই চালে। তাৰপিছত অৰুণাভে ইঞ্জিন ষ্টাৰ্ট কৰাৰ মুহূৰ্ত্তত পুনৰ উৎকণ্ঠাভৰা স্বৰেৰে কৈ উঠিল 'দাদা!'

অৰুণাভ উচপখাই উঠিল। অবিনাশলৈ চাওঁতে অবিনাশে পিছফালে আঙুলিয়াই দেখুৱালে। কৰবী আৰু অৰুণাভে পিছফাললৈ ঘূৰি চালে। লগে লগে দুয়ো অজান আশংকাত জিকাৰ খাই উঠিল। সিহঁতৰ পিছফালৰ তমসাচ্ছন্ন পথটোৰ মাজেৰে এটা ক্ষীণ পোহৰ লাহে লাহে দূৰলৈ, দূৰ দূৰণিলৈ গৈ আছে।

'মোৰ বৰ ভয় লাগিছে।' কৰবীয়ে ক'লে।

কৰবীৰ লনি মাতটো বৰকৈ কঁপিছিল। অৰুণাভে এবাৰ কৰবীলৈ চাই পিছমুহূৰ্ত্তত গাড়ীখন আগবঢ়াই নিলে।

তিনিও নিমাতে ৰ'ল। হয়তো তিনিও আপোন ভাবত বিভোৰ।

হঠাতে ৰাস্তাৰ কাষতে অকলশৰীয়া ঘৰ এটা দেখি অৰুণাভে গাড়ীখন

ৰখাই দি ক'লে 'মানুহঘৰৰ পৰা কোনোবা এজনক লৈ আহো। অন্ততঃ গাওঁখন শেষ নহয় মানে তেওঁ আমাক আগবঢ়াই থৈ আহিবলৈ ক'ম। লাগিলে পইচা দিম বুলি ক'ম। তহঁতৰ কিবা আপত্তি আছে নেকি?'

অবিনাশে একো নকৈ নবৌকলৈ চালে। কৰবীয়ে এবাৰ অবিনাশলৈ চাই অৰুণাভৰ চকুত চকু থ'লে। কৰবীৰ দুচকুৰ ভাষা অৰুণাভে বুজি পালে। সি গাড়ীৰ পৰা নামি গৈ ঘৰটোলৈ সোমাই গ'ল। পিছে পিছে কৰবী আৰু অবিনাশ।

২

'কোন?'

মাজনিশাৰ ভয়াবহ নীৰৱতাক আওকান কৰি ভিতৰৰ পৰা ভাঁহি আহিল কোনোবা প্ৰৌঢ় লোকৰ কণ্ঠস্বৰ।

অৰুণাভে বাহিৰৰ পৰাই চিনাকীটো দিলে। অলপ সময়ৰ মৌনতাৰ পিছত ভিতৰৰ পৰা আকৌ ক্ষীণস্বৰেৰে মাত এষাৰ ভাঁহি আহিল 'ৰ'ৰা!'

খন্তেকপিছত প্ৰৌঢ় লোক এজনে দুৱাৰখন খুলি দিলে। অৰুণাভহতঁ ভিতৰলৈ সোমাই গ'ল। অৰুণাভে বাহৰ চাঙ এখনত বহিলৈ ঘটনাটো চমুকৈ ক'লে। প্ৰৌঢ়লোকজনে সকলো নীৰৱে শুনি গ'ল। মানুহজনৰ চুলিবোৰ আধাপকা। গালদুখন বেয়াধৰনে ভিতৰলৈ সোমাই গৈছে। মুখখনৰ সেই গহ্বৰ দুটাত জ্বলি থকা টিপচাকি এটাৰ অনুজ্বল পোহৰৰ চঞ্চল ছাঁ পৰিছে। দেখিবলৈ পৌৰাণিক প্ৰস্তৰ মূৰ্ত্তি যেন হৈ পৰিছে।

'মই এটা কথা কওঁনে?'বুঢ়াজনে অৱশেষত মাত দিলে।

'কওঁক।'

'এই ৰাতিখন চহৰলৈ নোযোৱাটোৱে ভাল হ'ব। বৰঞ্চ মোৰ এই পঁজা ঘৰতে ৰাতিটো থাকা। ৰাতিপুৱাতেই গুছি যাব পাৰিবা।'

'নহয় .. মানে..' অৰুণাভে দুৰ্ব্বল ভাৱে আপত্তি কৰিলে। অৰুণাভৰ কণ্ঠস্বৰৰ সবলতাৰ অভাৱ তেওঁ ধৰিব পাৰিলে। এইবাৰ আগতকৈয়ো জোৰকৈ থাকিবলৈ অনুৰোধ কৰিলে।

অৰুণাভে কৰবীলৈ চালে। সি কৰবীৰ অনুমতি বিচাৰিলে। কৰবীয়ে মুখেৰে একো নামাতি মূৰটো দুপিয়ালে। অৰুণাভে এইবাৰ সুধিলে 'আপোনাৰ জানো অসুবিধা নহ'ব?'

'মোৰ একো অসুবিধা নহয়। ঘৰখনত মই অকলে। তদুপৰি কোঠা এটা এনেয়ে পৰি আছে। তাতে বিছনা এখনো আছে। তিনিও তাতে শোৱ পাৰিবা। তোমালোকেহে কিবা অসুবিধা পাবা বুলি মোৰ ভয় লাগিছে।' বুঢ়াজনে শেতাঁ হাঁহি এটা মাৰি ক'লে। কথাষাৰ কৈ তেওঁ বৈ নাথাকি অৰুণাভ আৰু কৰবীক ভিতৰৰ কোঠাটো দেখুৱাই দি আহিল। অবিনাশ তেতিয়াও বাঁহৰ চাঙখনতে বহি আছিল। বুঢ়াজন আকৌ আহি মূঢ়া এটাত বহি লোৱাত অবিনাশে এইবাৰ বুঢ়ালৈ ভালদৰে চাই পঠিয়ালে।

বুঢ়াজনে এইবাৰ নিজে আৰম্ভ কৰিলে 'মোৰ নাম হৰিকান্ত পাঠক।'

'আপুনি অকলেই থাকে?' অবিনাশে সুধিলে।

'অ।'

'নিজৰ অইন কোনো নাই?'

'আছিল।' পাঠকৰ চুটী উত্তৰ।

'তেন্তে?'

'মৰিল। চাৰিওজনেই মৰিল।'

'কি হৈ ঢুকালে?'

হৰিকান্ত পাঠকে কিন্তু এইবাৰ ততালিকে উত্তৰ নিদিলে। বহুসময় মনে মনে ৰ'ল। তাৰপিছত হঠাতে মূৰটো তললৈ হলাই দিলে। অলপ সময় তেনেকৈ বৈ থাকি পুনৰ অবিনাশলৈ চাই পঠিয়ালে। পাঠকৰ দুচকুৰ দৃষ্টিয়ে যেন সকলো গিলিহে পেলাব। অৱশ্যে নিমিষতে সকলো স্তিমিত হৈ আহিল। হৰিকান্ত পাঠকে হাড় ওলোৱা শৰীৰটো এইবাৰ জোকাৰি ল'লে। অবিনাশে নীৰৱে ক্ষণ গণি ৰ'ল।

'ভূতে ধৰিছিল। ভূতেই মাৰি নিলে।'

অবিনাশ চক্ খাই উঠিল। সি কথা সুধিবলৈ পাহৰি গ'ল।

'বটগছজোপাৰ ভূতটোৱে ধৰিছিল। কোন পাৰিব সেইটোক আতঁৰাব? কোনেও নোৱাৰিলে। এদিনাখন সকলো মৰি থাকিল।'

অবিনাশ নীৰৱ শ্ৰোতা।

'মোৰ মানুহজনী,পুতাই আৰু বোৱাৰী তিনিও মৰি থাকিল। তেতিয়াৰে পৰা মই অকলশৰীয়া। গাওঁখনেও মোক এৰিলে, ময়ো সকলোকে এৰিলো।'

'আপুনি চাৰিওজন মৰা বুলি কৈছিল। কিন্তু এতিয়া তিনিজনৰ কথাহে ক'লে। অইনজনৰ কি হ'ল?'

'অইনজনো মৰিল। অৱশ্যে দুদিনমান পিছত।'

'কোন তেওঁ?' অবিনাশে জানিব বিচাৰিলে।

পাঠকে উত্তৰ নিদিলে। অবিনাশে আকৌ সুধিলে। এইবাৰো পাঠকে একো নকৈ দীঘলকৈ হুমুনিয়াহ এটাহে এৰিলে। ক'বলৈ হয়তো ইচ্ছা নকৰিলে। অবিনাশেও দুনাই আৰু নুসুধিলে। অবিনাশৰ মনটো গধূৰ হৈ আহিছিল। বিক্ষিপ্ত চিন্তা কিছুমানে তাৰ মনটো ভাৰাক্ৰান্ত কৰি পেলালে। সি বহাৰ পৰা উঠি ধীৰে ধীৰে কোঠাটোলৈ সোমাই গ'ল।

৩

কৰবীয়ে ভয়লগা সপোন এটা দেখিছিল। হঠাতে খকমকাই সাৰ পাওঁতে কৰবীৰ শৰীৰটো জিকাৰ খাই উঠিছিল।

কোঠাটোত টিপচাকি এটা জ্বলি আছিল। ক'তো সাৰি শব্দ নাই। বাঁহৰ চাঙখনৰ দাঁতিত কৰবী শুইছে। তাইৰ কাষত অৰুণাভ। ইটো দাঁতিত অবিনাশ। সপোনটোৰ কাৰণেই নেকি কৰবীৰ বৰ পিয়াহ লাগিছিল। তাই টিপচাকিৰ অনুজ্বল পোহৰতে কোঠাটোৰ চাৰিওফালে চালে। ক'তো পানীৰ কোনো ধৰনৰ পাত্ৰ তাইৰ চকুত নপৰিল। কৰবীৰ বিৰক্তি লাগিল। তাই অৰুণাভৰ ওপৰত খঙো উঠিল। অনাত্মীয় আৰু সম্পূৰ্ণ অচিনাকী মানুহ এঘৰত এনেকৈ থকাতো অকনো ভাল হোৱা নাই। দোষ অৱশ্যে তাইৰো আছে। তাই আৰু অবিনাশে প্ৰতিবাদ কৰিব লাগিছিল। কিহৰ কাৰণেনো সিহঁত তিনিও অচিনাকী বুঢ়া মানুহ এজনৰ এটা অনুৰোধতে সন্মোহিত হৈ এৰাতি থাকিবলৈ মান্তি হৈ গ'ল এতিয়া ভাবি গুনিয়ো কৰবীয়ে একো ঠিৰাং কৰিব নোৱাৰিলে।

কৰবীয়ে আকৌ চকু মুদি শুবলৈ যত্ন কৰিলে। কিন্তু চকুৰ পটা জাপ খালেই সপোনটোলৈ মনত পৰে। গাটো তেতিয়া তাইৰ জিকাৰ খাই উঠে।

হঠাতে খিৰিককৈ শব্দ এটা হ'ল।

কৰবী আকৌ উচপ খাই উঠিল।

কৰবীয়ে স্পষ্টভাৱে শুনা পালে কোনোবাই বাঁহৰ দৰ্জ্জাখন লাহে লাহে মেল খুৱাই দিছে। দৰ্জ্জাখন কিছু মেল খোৱাৰ পিছত কোঠাটোলৈ এজাক বতাহ সোমাই আহিল। কৰবীৰ ভাব হ'ল সিটো কোঠাত যেন কোনোবাই অনুচ্চ কণ্ঠেৰে কথা পাতিব ধৰিছে।

হঠাতে টিপচাকিটো নুমাই গ'ল। কোঠাতো নিঃসীম অন্ধকাৰে আবৰি পেলালে । কৰবী ভয়ত পেপুৱা লাগিল। তাইৰ ভাব হ'ল তাইৰ ওচৰত যেন কোনোবাই উশাহ নিশাহ ল'ব ধৰিছে! কৰবীয়ে ভয়তে সজোৰে চিঞৰি দিব খুজিও মুখেৰে এটাও শব্দ উচ্চাৰণ কৰিব নোৱাৰিলে। তাইৰ ওঠ দুটা যেন ক্ৰমান্বয়ে শুকাই যাব উপক্ৰম কৰিছে। উপায়ন্তৰ হৈ কৰবীয়ে অৰুণাভক সাৱটি ধৰিলে। লগে লগে অৰুণাভে টোপনিৰ পৰা সাৰ পাই কৰবীৰ গাটো কিঞ্চিৎ জোকাৰি দি সুধিলে 'কি হ'ল কৰবী?'

কৰবীয়ে সেপ দুটা মান ঢুকি কিবা এষাৰ ক'ব ওলাইছিল। মুখেৰে কিবা এষাৰ কোৱাৰ আগেয়ে কোনোবাই সশব্দে হাঁহি দিলে। অবিনাশেও সাৰ পাই শুনা পালে সেই পৈশাচিক হাঁহিৰ শব্দ।

হঠাতে হাঁহিৰ অনন্ত স্ৰোত বন্ধ হৈ গ'ল। কিন্তু লগে লগে বাহৰ চাঙখন কেৰমেৰাই ভাঙি পৰিল। বাহিৰৰ চোতালখনত তেতিয়া অজান পখী এটাৰ আৰ্ত চিৎকাৰো অবিনাশহতঁৰ কাণত পৰিল।

আ...আহ....

কোঠাটোৰ কোনোবা এটা অংশৰ পৰা নাৰীকণ্ঠৰ যন্ত্ৰনাকাতৰ গেঙঁনি ভাঁহি আহিল । কিংকৰ্ত্তব্যবিমূঢ় হৈ এহাতে কৰবীক আকোৱালীলৈ অৰুণাভ সিটো কোঠালৈ দৌৰি গ'ল। আন্ধাৰতে অবিনাশেও সিহঁতৰ পিছে পিছে দৌৰি আহিল। কিন্তু সিটো কোঠা পোৱাৰ আগেয়ে হঠাতে অবিনাশ কিহবাত উজুটি খাই কেচঁা মাটিৰ মজিয়াখনতে দীঘে দীঘে পৰি গ'ল। অবিনাশে হাত দুখনেৰে খেপিয়াই থিয় হ'বলৈ খোজোতে পিঠিখনত এটা সুশীতল স্পৰ্শ অনুভৱ কৰিলে। সি পিছফালে মূৰটো হলাই দিলে ।

অবিনাশৰ পিছফালে হৰিকান্ত পাঠক থিয় হৈ আছে । অবিনাশে ঘূৰি চোৱা দেখি পাঠকে ঢেক ঢেকাই হাঁহি দিলে। তাৰ পিছৰ পলকতে অৱলীলা ক্ৰমে অবিনাশক এহাতেৰে ধৰি ডাঙি ঠিয় কৰাই দিলে পাঠকে। অবিনাশ জঠৰ হৈ পৰিল। সি চিঞৰিব পৰাৰ শক্তিখিনিও যেন হেৰুৱাই পেলালে।

পাঠক নামধাৰী বুঢ়াজনে নিজৰ দুয়োখন হাত অবিনাশৰ কান্ধত থৈ লাহে লাহে হাত দুখন অবিনাশৰ ডিঙিলৈ চোচোৰাই নিলে। প্ৰতিটো ক্ষণ পাৰ হৈ যোৱাৰ লগে লগে বুঢ়াৰ কুৎসিত মুখখনৰ পৰা মঙহবোৰ গলি যাব ধৰিলে। অবিনাশৰ দুচকুত ক্ৰমশঃ সুস্পষ্ট হৈ আহিব ধৰিলে মুখখনৰ হাড়বোৰ। অবিনাশে

উপলব্ধি কৰিলে তাৰ মৃত্যু অৱধাৰিত,আৰু মাত্ৰ কেইটামান ক্ষণহে বাকী। ভাবটোৱে অবিনাশক হঠাতে এক নতুন উদ্যম আনি দিলে । সি মৰণত শৰণ দি বুঢ়াক সমস্ত শক্তিৰে পিছফাললৈ ঠেলি দিলে। বুঢ়াজন ওফৰি মজিয়াত চিটিকি পৰিল। অবিনাশ একেলৰে বাহিৰ পালে। অৰুণাভে ইতিমধ্যে কৰবীৰ অজ্ঞান দেহটো গাড়ীৰ সন্মুখৰ ছিটটোত শুৱাই দি নিজে চালকৰ আসনত বহি লৈছিল। অবিনাশে দৌৰি আহি পিছফালৰ ছিটটোত বহি লৈ চকু দুটা মুদি দিলে। সি মুখেৰে কিবা এসোপা বিৰবিৰাব ধৰিলে। গাড়ীখন কিছুদূৰ আগবঢ়াৰ পিছত বিৰবিৰণি ক্ৰমাৎ অস্পষ্ট হৈ আহিব ধৰিলে। এটা সময়ত দুই কোঁৰাৰিৰে এসোপা বগা ফেন বৈ আহিল। তাৰপিছত অবিনাশ নিশ্চুপ হৈ পৰি ৰ'ল ।

অৰুণাভ ফোপাইছিল।

অবিনাশ নিশ্চুপ হৈ পৰি ৰোৱা দেখি অৰুণাভে পিছফাললৈ মূৰটো ঘূৰাই চালে। অবিনাশৰ মুখৰ পৰা বৈ অহা বগা ফেনবোৰ দেখি অৰুণাভৰ বৰ ভয় লাগিল। সি চিঞৰ এটা মাৰি দি গাড়ীখন ৰখাই দিলে ।

নিদ্ৰামগ্ন জয়াপুৰ, ক'তো এটা সাৰি শব্দ নাই। প্ৰশান্তিৰ সাগৰত যেন জয়াপুৰ শুই আছে। কিন্তু এই প্ৰচণ্ড নিস্তব্ধতাক আওকাণ কৰি দিশে দিশে প্ৰতিধ্বনি হ'ল অৰুণাভৰ আৰ্ত চীৎকাৰ। সেই চিঞৰটোতে সকলো সাৰ পাইছিল। বুজিব নোৱৰা সাঁথৰ হৈ পৰিছিল চিঞৰটো। এই মাজনিশা ক'ৰ পৰা ওলাল চিঞৰটো। নে আকৌ আৰম্ভ হ'ল দুৰ্যোগৰ অমানিশা!!

সকলো ওলাই আহিছিল। মাজ আলিতে গাড়ী এখন ৰৈ থকা দেখি সকলো সেইখিনি পালে। টিপচাকিৰ কঁপি থকা পোহৰত আৰোহী তিনিজনৰ অৱস্থা দেখিয়ে সকলোৱে অনুমান কৰি ল'লে ঘটনাটো। তাৰপিছত যন্ত্ৰবৎ প্ৰাথমিক কামখিনি কৰি তিনিওৰে অজ্ঞান দেহকেইটা নিচেই কাষৰ বাঁৰী বিধবা সেউতী বাইৰ ঘৰলৈ নি বাঁহৰ চাঙত শুৱাই কেইজনমান ওচৰতে পৰ দি ৰ'ল। দুজনমানে ৰমাকান্ত বেজক খবৰ দিবলৈ তেতিয়াই গুছি গৈছিল।

৪

ৰাতিপুৱাল ।

পাহাৰবোৰৰ ওখ চাপৰ ফাঁকেৰে সূৰ্য্যৰ কিৰণবোৰ ওলাই আহিছে আৰু জয়াপুৰৰ চৌপাযে সিচৰিত হৈ পৰিছে। পোহৰ হৈ উঠিছে জয়াপুৰ।

ঘৰটোৰ বাঁহৰ জলঙাৰে পোহৰৰ ৰেঙনিবোৰ সোমাই আহিছে। বাঁহৰ চাঙৰ ডাঙৰ বিছনাখনত কিছুমান ৰশ্মি পোনে পোনে পৰিছে। তাৰে কিছুমান ৰশ্মি কৰবীৰ দুচকুতে পৰিছে, যেন স্বৰ্গীয় আশীষ এইয়া।

কৰবীৰ চকুৰ পতা দুখন লাহে লাহে মেল খাব ধৰিলে। ইমান পৰে কোঠাটোত জঠৰ হৈ থকা মানুহকেইজন তৎপৰ হৈ উঠিল। চাৰিওফালৰ পৰা তেওঁলোকে কৰবীক আগুৰি ধৰিলেহি।

কৰবীয়ে চকু মেলিয়েই চৌপাষে অতবোৰ মানুহ দেখি হতভম্ব হ'ল। মানুহজাকলৈ তাই আচহুৱা দৃষ্টিৰে চালে। কৰবীয়ে একোকে মনত পেলাব নোৱাৰিলে।

হঠাতে কৰবীয়ে তেতিয়াওঁ কাষতে অজ্ঞান হৈ বিছনাখনত পৰি থকা অৰুণাভ আৰু অবিনাশক দেখা পালে। লগে লগে যোৱানিশাৰ দুৰ্য্যোগভৰা স্মৃতি তাইৰ মনত পৰি গ'ল। তাইৰ সকলো কথাই এটা এটাকৈ মনত পৰি গ'ল। কৰবীয়ে হুকহুকাই কান্দি দিলে। কৰবীৰ অৱস্থা দেখি মানুহজাকো ম্ৰিয়মান হৈছিল। মুখেৰে কিন্তু কোনেও একো নামাতিলে। এজনে সেউতীবাইক চকুৰে ইংগিত এটা দিলে । সেউতী কৰবীৰ ওচৰ চাপি আহি কৰবীৰ ওচৰতে বহি ল'লে। কৰবীৰ দীঘল চুলিখিনি আলফুলে হাত ফুলাই দিলে।

'নাকান্দিবা আইজনী! এইয়া সকলো তেৰাৰে লীলা। তোমালোকে কিবা দোষ লগলা বোধকৰো। নহ'লে সেইজোপাৰ হেৰিয়ে এনেকুৱা নকৰিলেহেঁতেন। আৰু আইজনী! এওঁলোকৰতো একো হোৱা নাই।' সেউতীয়ে লাহে লাহে ক'লে।

কৰবীৰ উচুপনি কমিল।

'এওঁলোকে ভয়তে জ্ঞান হেৰুৱাই পেলাইছে। ৰমাকান্ত বেজ আহিলেই সকলো ঠিক হৈ যাব । তুমি চিন্তা নকৰিবা ।'

কৰবীয়ে চকুহাল আঁচলৰে মচি লৈ সুধিলে 'তেখেত কেতিয়া মানে আহিব?'

'দুপৰীয়া মানে পাবহি কিজানি।'

কৰবীয়ে অৰুণাভ আৰু অবিনাশলৈ চালে। দুয়ো নিথৰ হৈ শুই আছে। উশাহ নিশাহ স্বাভাৱিক ভাৱে লৈ থকা দেখি কৰবী এইবাৰ কিছু সুস্থিৰ হ'ল।

'আইজনীৰ ঘৰ ক'ত?' সেউতীয়ে মৰমসনা মাতেৰে সুধিলে।

'গুৱাহাটীত। মহানন্দ চৌধুৰীৰ..' কৰবীয়ে চমুকৈ পৰিচয়টো দিলে।

সেউতীয়ে পুনৰ মৰমসনা মাতেৰে সুধিলে 'ঘটনাটো কেনেকৈ হ'ল আইজনী?'

কৰবীয়ে আকৌ চকুহাল মুদি দিলে। তাইৰ মানসপটত তেতিয়াওঁ জলন্ত অগ্নিপিণ্ডৰ দৰে উত্তাল হৈ আছিল কালৰাত্ৰিৰ বীভৎস কাহিনী। তাই সেপ ঢুকি কোনোমতে কৈ গ'ল কাহিনীটো। কথাখিনি কোৱা শেষ কৰি তাই অৰুণাভলৈ চালে। উথলি উঠা বেদনাৰাশিৰ প্ৰচণ্ড প্ৰকোপ সহিব নোৱাৰি কৰবীয়ে পুনৰ দুয়োখন হাতেৰে মুখখন ঢাকি কান্দিব ধৰিলে।

এইবাৰ মানুহজাক আঁতৰি গ'ল। নগ'ল সেউতী। কোঠাটোতে সেউতী থিয় হৈ ৰ'ল।

সেউতীয়ে মনত পেলাইছিল পাঁচ বছৰৰ আগৰ সেই দুপৰীয়াটোলৈ...

৫

সেউতীৰ বয়স পঞ্চাশৰ ওচৰা ওচৰি হ'ব। সঠিক হিচাপ কোনেও নাজানে। জানিলেও পাহৰি গৈছে।

সেউতীয়ে কিন্তু একোকে পাহৰা নাই। সকলো মনত আছে সেউতীৰ। মনত আছে নাৰী এগৰাকীৰ কৰ্ত্তব্য। আজি পাঁচ বছৰ আগেয়ে এনেকুৱা এটা ভয়ংকৰ দিন সেউতীৰ জীৱনেদি পাৰ হৈ গৈছিল। সেইদেখিয়ে সেউতীয়ে কৰবীৰ মনৰ অস্থিৰতাৰ উমান ততালিকে পালে।

মানুহজাক যোৱাৰ পিছত সেউতীয়ে জোৰ কৰি কৰবীক বাহিৰলৈ ওলাই আনিলে। সেউতীৰ মৰমিয়াল চাৱনিক উপেক্ষা কৰিব নোৱাৰি কৰবীয়ে প্ৰাতঃকৃত সমাপন কৰি গা ধুব লগাত পৰিল। তাৰপিছত সেউতীয়ে কৰবীক গাখীৰ এগিলাচ আৰু সান্দহ অকনমান জোৰ কৰিয়ে খোৱাই দিলে।

'বাইদেউ!' কৰবীয়ে মাত লগালে। দুয়ো পিৰালীৰ চুকত বহি লৈছিল।

'কোৱা।'

'তোমাৰ কোনো নাই?' কৰবীয়ে সুধিলে।

'আছিল।' হুমুনিয়াহ এটা পেলাই সেউতীয়ে ক'লে 'আজি পাঁচ বছৰ আগলৈকে সকলো আছিল। ঘৰখনত তেতিয়া তেওঁ আৰু মই। এয়ে আছিল আমাৰ সংসাৰ।'

'আৰু লৰা ছোৱালী?'

'হোৱাই নাছিল। আমি অৱশ্যে দুখ কৰা নাছিলো। ভগৱানে নিদিলে দুখ বেজাৰ কৰি কি কৰিবা? অৱশ্যে খাবলৈ ধানখিনি ঠিক জোখেৰেই পাইছিলো। গতিকে দিনবোৰ সুখে দুখে পাৰ হৈ গৈছিল।' সেউতীয়ে ক'লে।

'তাৰপিছত?'

সেউতীয়ে খন্তেক ৰৈ ক'বলৈ আৰম্ভ কৰিলে 'এদিন ভৰ দুপৰীয়া, পথাৰৰ পৰা আহি কি হ'ল জানো কথা নাই বতৰা নাই হঠাতে তেওঁ ঘৰৰ পৰা ওলাই গ'ল। ময়ো সিমান খেয়াল নকৰিলো। পিছে গধূলিলৈ ঘূৰি নহাত সন্দেহ হ'ল। ওচৰৰ সকলোকে জনালো। বিচাৰ খোচাৰ কৰিলো।'

'পালানে?' কৰবী জানিবলৈ উত্ৰাৱল হ'ল।

'ওহো, নাপালো। দেহটো অৱশ্যে পালো। জীয়া মানুহটোহে নাপালো।' অলপপৰ ৰৈ সেউতীয়ে চকুহাল আঁচলেৰে মচি লৈ ক'লে 'ডিঙিত চাদৰ এখনৰে বটগছ জোপাতে চিপজৰী ল'লে তেওঁ। কিয় মানুহজনে এই কাম কৰিলে আজিলৈকে গম নাপালো।'

কৰবীৰ শৰীৰটো সিৰসিৰাই উঠিল।

তাইৰ যোৱানিশা দেখা প্ৰকাণ্ড বট গছজোপাৰ কথা মনত পৰি গৈছিল।

'তেতিয়াৰে পৰা মই অকলশৰীয়া। কিন্তু মাজে মাজে যেন কোনোবাই মোক মতা শুনো। মাতটো সাইলাখ তেওঁৰ দৰে। মাতটো শুনিলেই মই উন্মাদ হৈ পৰো। বটগছজোপাৰ ওচৰলৈ যাবলৈ মনত প্ৰচণ্ড এক হেপাহ হয়। কেতিয়াবা বটগছজোপাৰ ওচৰলৈ দৌৰি যাওঁ। সেইখিনি পোৱাৰ লগে লগে কিহবাই মোৰ সমগ্ৰ দেহটো কঁপাই দিয়ে। মই...মই তেতিয়া..'

সেউতীৰ কথাখিনি সম্পূৰ্ণকৈ কোৱা নহ'ল।

তেতিয়াই ধুমুহাৰ দৰে ডেকা ল'ৰা এজন চাইকেল চলাই ভিতৰলৈ সোমাই আহিছিল। ল'ৰাজনে চাইকেলৰ পৰা নামিয়েই কৰবীৰ আটিল দেহটোলৈ এবাৰ আঁৰচকুৰে চাই সেউতীক ক'লে 'ৰমাকান্ত বেজ এতিয়া ঘৰত নাই। ঘৰত খবৰ দি আহিছো। গধূলি ঘৰলৈ উভতাৰ লগে লগে ইয়ালৈ আহিবলৈ কৈ আহিছো।'

'তেন্তে আমাৰ কি হ'ব এতিয়া?' কৰবীয়ে চিঞৰি দিলে।

'চিন্তা নকৰিবা আইজনী। সকলো ঠিক হৈ যাব।' সেউতীয়ে সান্ত্বনা দিলে।

৬

গধূলি লগ্ন।

দিনটো সৰব হৈ থকা জয়াপুৰ আকৌ নিমাওমাও হৈ আহিল। চাৰিওফালে পাতল আন্ধাৰৰ আবৰণী এখন। আকাশখনো মেঘাচ্ছন্ন।

কৰবী চাংখনৰ দাঁতিত বহি আছে। মজিয়াখনত সেউতী বহি আছে। ঘৰখনত এতিয়া অকল সেউতী আৰু কৰবী। আন্ধাৰ হ'ল কাৰণে সকলো ঘৰাঘৰি গ'ল। ভাত পানী খাই আকৌ আহিব। কোঠাটোত জ্বলি থকা হ্যাৰিকেন লেম্পটোৰ অনুজ্বল পোহৰত কৰবীয়ে অৰুণাভক একেথিৰে চাই আছিল। কৰবীৰ ভাব হৈছিল অৰুণাভ যেন এইমাত্ৰ সাৰ পাই উঠি তাইক মাত দিব। কৰবীয়ে তেনেকৈয়ে অধীৰ আগ্ৰহেৰে বৈ থকাৰ সময়তে হঠাতে লক্ষ্য কৰিলে অৰুণাভৰ ওঠ দুখন যেন মৃদুভাৱে কঁপি উঠিছে। কৰবীয়ে লগে লগে সজোৰে চিঞৰি দিলে 'সেউতী বাই!'

সেউতীয়ে উঠি আহি অৰুণাভক চালেহি। তাৰপিছত ঘৰৰ ভিতৰলৈ সোমাই গৈ পানী এঘটি আৰু গাখীৰ এগিলাচ আনি কৰবীৰ হাতত দি আকৌ ওলাই গ'ল। কৰবীয়ে ঘটিটোৰ পানীৰে অৰুণাভৰ মুখখন মচি দিলে। খন্তেক পিছতে চকুহাল মেলি অৰুণাভ চাংখনতে বহি ল'লে। কৰবীয়ে আগবঢ়াই দিয়া গাখীৰ গিলাচ একে উশাহে পী শেষ কৰি এইবাৰ কোঠাটোৰ চাৰিওফালে চালে। অৰুণাভৰ সকলো সাঁথৰ যেন লাগিল। কৰবীলৈ এইবাৰ বিস্ময়ভৰা চাৱনিৰে চালে অৰুণাভে। কৰবীয়ে সংক্ষেপে সকলো ক'লে। অৰুণাভে সুধিলে 'কিন্তু অবিনাশে জ্ঞান ঘূৰাই পোৱা নাই কিয়?'

'তুমি জ্ঞান পালা যেতিয়া অবিনাশেও পাব। অলপ পিছত বেজজনো আহি পাবহি। আৰু তেতিয়া..'

'তেতিয়া আমি বেজজনক লৈয়ে ঘৰলৈ গুছি যাম।'

'মোৰো ইয়াত এখন্তেকো থাকিবলৈ মন নাই।' কথাখিনি কৈয়ে কৰবীয়ে অৰুণাভৰ বুকুত কুচি মুচি সোমাই গ'ল। কিন্তু সেউতী কোঠাটোলৈ সোমাই অহাৰ উমান পাই একেজাপে চাঙখনৰ সিদাঁতি পালে। সেউতীয়ে আঁৰচকুৰে কৰবীলৈ চাই হাঁহিলে, একো ন'কই আকৌ আগৰ ঠাইত বহি ল'লে।

কিছুসময় নীৰৱেই অতিবাহিত হ'ল।

সেউতীয়ে তামোল এখন মুখত ভৰাই কিবা এষাৰ ক'ব ওলাইছিল,

কিন্তু নক'লে। গাটো জোকাৰ এটা মাৰি হঠাতে থিয় হ'ল। এখন্তেক থিয় হৈ ৰৈ কিবা যেন শুনিব খুজিলে। তাৰপিছত ঘপহকৰে বাহিৰলৈ ওলাই গ'ল।

কৰবী আকৌ অৰুণাভৰ গাৰ কাষ চাপি আহিল।

কৰবীৰ খেয়াল হ'ল বাহিৰৰ পৃথিবীখন যেন এইমাত্ৰ টোপনিৰ পৰা সাৰ পাই উঠিছে। উন্মাদ হৈ উঠিছে প্ৰকৃতি। নিশাৰ নিস্তব্ধ পৃথিৱীৰ নীৰৱতাক থানবান কৰি ফেঁচাৰ চীৎকাৰ অনৰ্গল ভাঁহি আহিব ধৰিলে। বাদুলিবোৰ পাখি কোবাই কোবাই বাঁহবোৰৰ পৰা ওলাই আহিব ধৰিলে।

কৰবীয়ে ভয় খাই অৰুণাভক গাৰ কাষ চাপি আহিল।

অৰুণাভে খোলা দৰ্জ্জাখনৰ ফাঁকেৰে বাহিৰলৈ চাই পঠিয়ালে। অৰুণাভৰ একো চকুত ধৰা নপৰিল। বাহিৰখন অন্ধকাৰ। এই অন্ধকাৰৰ কোনোবাখিনিত হয়তো সেউতী লুকাই আছে।

অৰুণাভ এটা সময়ত সচকিত হৈ উঠিল। সি উমানতে ধৰি ল'লে কোনোবা এটা কোঠাটোলৈ সোমাই আহিছে। সি চিঞৰি দিলে 'কোন?'

কিন্তু কোনেও প্ৰত্যুত্তৰ নিদিলে। অৰুণাভ বিবুধিত পৰিল। সিটো স্পষ্টভাৱে কাৰোবাৰ অস্পষ্ট ছাঁ এটা দুৱাৰডলিৰ মুখতে দেখা পাইছিল।

অলপ পিছত অৰুণাভে কাৰোবাৰ পদধ্বনি শুনিলে। অৰুণাভে কৰবীক লৈ বাঁহৰ চাংখনৰ পৰা নামি আহিল। এহাতেৰে হ্যাৰিকেন লেমটো লৈ বাহিৰলৈ ওলাই যাৱ খোজোতেই কোঠাটোৰ দুৱাৰমুখত সেউতীক থিয় হৈ থকা দেখা পালে। সেউতীৰ চুলিটাৰি আউল বাউল। অৰুণাভ লেমটো লৈ আৰু এখোজ আগবাঢ়োতে সেউতীয়ে খিলখিলাই হাঁহি দিলে। কৰবীয়ে ভয় খাই লগে-লগে অৰুণাভক পিছফালৰ পৰা সাৱতি ধৰিলে। অৰুণাভে কৰবীক আঁতৰাই আৰু এখোজ আগবাঢ়ি গৈ আকৌ ৰৈ গ'ল। এইয়া সি কি দেখিছে?

সেউতীৰ বুকুখনত তেতিয়া এধানিমানো কাপোৰ নাই। মুখখন বিকৃত ভাৱে উখহি উঠিছে। দুই কোৱাৰিৰে তেজ এসোপা বৈ আহি ডিঙিয়েদি তললৈ নামি আহিছে। তেজখিনি বুকুৰ দুই পাহাৰৰ মাজৰ সংকীৰ্ণ গিৰিপথেদি নামি আহিছে তললৈ ..আৰু তললৈ..

অৰুণাভে পলকতে বুজি পালে বিপদ সন্নিকট। সি অকনো পলম নকৰি এহাতেৰে কৰবীক আকোৱালী লৈ ইহাতেৰে সেউতীক ঠেলা মাৰি বাহিৰৰ চোতালখনত ভৰি দিয়েই চিঞৰি দিলে। কিছুসময়ৰ পিছতে গাওঁৰ

মানুহকেইজনমান আহি পালে। অৰুণাভৰ কথা শুনি দুজনমান ওলাই গ'ল সেউতীক বিচাৰি।

'তাইক বোধহয় আৰু পোৱা নাযাব।' বয়সিয়াল এজনে মাত দিলে।

কৰবীয়ে মানুহজনক চিনি পালে। জয়াপুৰৰ গাওঁবুঢ়া, দুপৰীয়া চিনাকী হৈছিল। কৰবীয়ে সুধিলে 'কিয়?'

'সেউতীক বোধহয় বটজোপাই নিলে।'

'কি?'

'অ। কাৰোবাক বটগছজোপাৰ ভূতে লম্ভিলে এনেকুৱাই কাণ্ড ঘটে।'

'বটগছজোপা ইমানেই দেওলগা নে?' এইবাৰ অৰুণাভে সুধিলে।

গাওঁবুঢ়াই হুমুনিয়াহ এটা এৰিলে। অতীতলৈ মনত পেলালে তেওঁ।

৭

গাওঁখনৰ এমূৰে হৰি পাঠকৰ ঘৰ।

পাঠকৰ তেতিয়া বয়স পঞ্চাশৰ ওচৰা ওচৰি। মানুহজন ক্ষীণকায় যদিও স্বাস্থ্যশ্ৰী অটুটেই আছিল। ঘৈণীয়েক শেৱালীৰ শ্ৰীচেহেৰাহে ভাঙি পৰিছিল। মানুহজনীক উদফাই বেমাৰে কাহিল কৰি পেলাইছিল। আগৰ লহপহ ধুনীয়া চেহেৰাটোৰ অৱশিষ্ট বুলিবলৈ তেতিয়া হাড় ওলোৱা দেহটোহে আছিল।

পাঠকৰ ল'ৰা ছোৱালী বুলিবলৈ এটাই মাথো ল'ৰা। ৰমানন্দ নাম আছিল ল'ৰাটোৰ। ৰমানন্দ অষ্টম শ্ৰেণীলৈকে পঢ়িছিল। তাৰপিছত আৰু নপঢ়িলে। কেইবছৰমান এনেয়ে থাকি এদিন ঘৰৰ পৰা হঠাতে ৰমানন্দ নোহোৱা হ'ল। গাওঁৰ মানুহে বহুঠাইত বিচাৰিও ৰমানন্দক বিচাৰি নাপালে। বহুদিনৰ মূৰত চিঠি এখন আহিল। চিঠিখন ৰমানন্দই লিখিছিল। সি হেনো মিলিটাৰীত ভৰ্ত্তি হ'ল।

এবছৰমান পিছত ৰমানন্দ ঘৰলৈ আহিছিল। সেইবাৰ হৰি পাঠক আৰু শেৱালীয়ে মাধৱী বোলা এজনী ছোৱালীৰ লগত ৰমানন্দৰ বিয়াখন পাতি দিলে। ৰমানন্দই আপত্তি নকৰিলে।

বিয়াখন সুকলমে পাৰ হ'ল। বিয়াৰ তিনিমাহো সুখ শান্তিৰেই পাৰ হ'ল। তিনিমাহৰ অন্তত ৰমানন্দ কামলৈ গুছি যোৱাৰ পিছতে যেন ঘৰখনলৈ অশান্তিৰ ছাঁ নামি আহিল। এই তিনিমাহতো মাধৱীৰ যেতিয়া গা-ভাৰী নহ'ল,

পাঠক আৰু শেৱালীৰ মনৰ উছাহ লাহে লাহে নাইকিয়া হৈ আহিল। দুয়ো খিঙখিঙিয়া হৈ পৰিছিল। অলপ কথাতে মাধৱীক অকথ্য ভাষাৰে গালি পাৰিবলৈ আৰম্ভ কৰা হ'ল। মাধৱীয়ে পিছে সকলো নীৰৱেই সহ্য কৰি গৈছিল।

তেনে এটা সময়তে এসত্তৰৰ যুদ্ধখন আৰম্ভ হ'ল।

চাৰিওফালে হুৱাদুৱা লাগিছিল। এদিনাখন টেলিগ্ৰাম এখনে ভয়ানক বাতৰি এটা কঢ়িয়াই আনিলে। যুদ্ধত ৰমানন্দ নিহত হ'ল। খবৰটো পাই শেৱালী ঠাইতে মুচকচ গ'ল। কিন্তু জ্ঞান পায়েই মাধৱীৰ ওপৰত আৰম্ভ কৰি দিলে গালি শপনিৰ অত্যাচাৰ। মাধৱীয়ে পিছে নীৰৱেই চকুলো টুকি সহ্য কৰি গ'ল। লাহে লাহে মাধৱীৰ ওপৰত অত্যাচাৰ বাঢ়ি আহিব ধৰিলে। মাধৱীয়ে নীৰৱে সকলো সহ্য কৰি গ'লেও এদিনাখন মাধৱীৰো সহ্যৰ বান্ধোন ঢিলা হৈ গ'ল। সেইদিনা শেৱালীৰ কথাৰ ওপৰতে মাধৱীয়ে অনুচ্চ কণ্ঠেৰে কিবা এষাৰ কৈছিল। লগে লগে শেৱালীয়ে ৰণচণ্ডী মূৰ্ত্তি ধৰি হাতৰ মুঠিতে পোৱা খৰি এডালেৰে মাধৱীৰ মূৰলৈ মাৰি পঠিয়ালে। মাধৱী চীৎকাৰ এটা কৰি চোতালতে পৰি গৈছিল। হৰি পাঠক আছিল তেতিয়া বাৰীৰ শাকনি ডৰাত। মাধৱীৰ চিঞৰটো শুনি তেওঁ দৌৰি আহিল। চোতালত পৰি থকা মাধৱীৰ ৰক্তাক্ত দেহটো দেখিও হৰি পাঠক অকনো বিচলিত নহ'ল। তিলমাত্ৰ বিচলিত নোহোৱাকৈ তেৰোঁ মাধৱীক গোৰ কেইটামান মাৰি দিলে।

মাধৱীৰ মৃত্যু হৈছিল।

হৰি পাঠকে ঘটনাটো বেলেগধৰনে প্ৰচাৰ কৰিছিল। কোনোবাই হয়তো পতিয়ন গৈছিল। গাওঁৰ সৰহ ভাগেই পতিয়ন যোৱা নাছিল। হৰি পাঠকৰ ওচৰ চুবুৰীয়া ৰামচৰন বোলা ডেকা এটাৰ সন্দেহ উপজিছিল। ৰাতিপুৱালেই পুলিচৰ আগত তাৰ সন্দেহৰ কথা ক'ব বুলি সি ঠিক কৰিছিল। হৰি পাঠকে উমান পাইছিল কথাটো। সেইদিনাই নিজৰ বাৰীৰ এচুকতে মাধৱীৰ শটো দাহ কৰিছিল। কথাটো কোনেও টলকিবই নোৱাৰিলে। পিছদিনাখন আকৌ ৰাতিপুৱাতে সকলোৱে দেখিলে ৰামচৰনৰ দেহটো বটগছজোপাতে চিপজৰীলৈ ওলমি আছে।

তাৰপিছত আৰু কোনেও পুলিচৰ ওচৰলৈ যাবলৈ সাহস গোটাব নোৱাৰিলে।

তেনেকৈয়ে কিছুদিন পাৰ হ'ল।

মানুহেও কথাবোৰ লাহে লাহে পাহৰিব ধৰিছিল। হৰি পাঠকে পথাৰ

সমাৰলৈ যোৱা আৰম্ভ কৰি দিছিল। এদিনাখন পথাৰৰ পৰা ঘূৰি আহোতে পাঠকৰ গধূলি হৈছিল। ৰাণীপাহাৰৰ পথটো মৰা সাপ এডালৰ দৰে পৰি আছিল। জনশূণ্য পথটোৰে হৰি পাঠক অকলশৰে খোজ কাঢ়ি আহি আছিল। বটগছজোপাৰ ওচৰ পাওঁতে হঠাতে পাঠকে বৈ দিলে। কোনোবাই পাঠকক মাতিছিল। পাঠকে চাৰিওফালে চাই কাকো নেদিখি এবাৰ মাত লগালে 'কোন?'

কাৰোৰে পৰা প্ৰত্যুত্তৰ নাপাই পাঠকে চোলাৰ জেপৰ পৰা জুইশলাৰ কাঠি এটা উলিয়াই লৈ জ্বলাই ল'লে। সোঁহাতেৰে জলন্ত কাঠিটো ওপৰলৈ ডাঙি নিওঁতে পাঠক উচপ খাই উঠিল। যি ডাল ডালত ৰামচৰনক তেওঁ ওলমাই দিছিল সেই ডাল ডালতে তেতিয়াও ৰামচৰনক ওলমি থকা দেখি পাঠক চক্ খাবৰ কথাই। কিন্তু ৰামচৰনৰ মৃত্যু হোৱাৰ এমাহেই হৈ গ'ল। পাঠকে ভয়তে সেইদিনা দৌৰি ঘৰ আহি ওলাল। শেৱালীয়ে পাঠকক ফোঁপাই জোপাই আহি ওলোৱাত সুধিলে কাৰণতো। পাঠকে চমুকৈ কাৰণতো ক'লে। পাঠকৰ কথা শুনি শেৱালীয়ে তপ্ত হুমুনিয়াহ এটা এৰিলে। তাৰপিছত শেৱালীয়ে হুকহুকাই কান্দিব ধৰা দেখি পাঠকে মৰমী স্বৰেৰে সুধিলে 'কি হ'ল শেৱালী?'

'ময়ো ...'

'কি ময়ো?' পাঠকে আচৰিত হৈ সুধিলে।

'আবেলি বাৰীত শাক বুটলিব গৈছিলো। বাৰীতে তেজ সনা খৰি এডাল চকুত পৰিছিল।'

'কি তেজসনা খৰিৰ কথা কৈছা?' পাঠকে বুজিব নোৱাৰিলে।

'মাধৱীৰ তেজ লাগি থকা খৰিডাল বাৰীৰ পিছ ফাললৈ যে দলি মাৰি দিছিলো, মনত আছেনে?'

'মনত পৰিছে মোৰ।' পাঠকে অস্ফুট স্বৰেৰে ক'লে।

'সেই খৰিডাল মাধৱীৰ শ দাহ কৰাৰ ঠাইতে পৰি থকা দেখা পাই মূৰটো ঘূৰোৱা যেন লাগিছিল। মই শাক বুটলিব এৰি ঘৰলৈ ঘূৰি আহিলো। মই উভতি অহাৰ সময়ত প্ৰকাণ্ড ঢোঁৰাকাউৰী এটাই চোতালতে পৰি চিঞৰি আছিল। হঠাতে কি হ'ল জানো সেইদিনাৰ দৰে শিলগুটি এটা কাউৰীটোলৈ মাৰি পঠিয়ালো। আজিও ঠিক সেইদিনাৰ দৰে ঢোঁৰাকাউৰীটো ....'

'মৰি থাকিল, হয়নে?'

মূৰটো দুপিয়াই শেৱালীয়ে পাঠকলৈ চাই ৰ'ল। পাঠকে আলফুলকৈ

শেৱালীৰ চুলিটাৰিত হাতবুলাই দি ক'লে 'একো চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব। তুমি এতিয়া শোৱা। শুলে গা আৰু মন দুয়োটা ভাল লাগিব।'

শেৱালীয়ে শুৱলৈ চেষ্টা কৰিলে ।

পাঠকে চাকিটো ভালদৰে জ্বলাই চাঙখনৰ দাঁতিত বহি কিছুসময় শেৱালীৰ শীৰ্ণ শৰীৰটোলৈ চাই ৰ'ল। অলপ সময় পিছত শেৱালীৰ বগা বুকুখনত হাত বুলাই দিলে। শেৱালীৰ উশাহ নিশাহ বোৰ ছুটী ছুটী হ'ল। পাঠকেও উশাহ ঘন ঘনকৈ ল'ব ধৰিলে। এসময়ত পাঠকে শেৱালীৰ শেঁতা পৰা ওঠদুটাত হাত বুলাই দিলে।

হঠাৎ পাঠক বহাৰ পৰা উঠিল। এবাৰ শেৱালীৰ অসাৰ শীৰ্ণ শৰীৰটোলৈ চাই তেওঁ বাহিৰলৈ ওলাই আহিল। কিছুসময় চোতালখনতে থিয় হৈ থাকি শেষত নিজৰ বাৰীৰ পশ্চিম কোণ পালেগৈ। সেইয়াই পাঠকৰ বাৰীৰ সীমা। বাঁহৰ জেওঁৰা খনৰ সিপাৰে অইন এঘৰৰ বাৰী। ৰামচৰনৰ বাৰী।

বাঁহৰ জেওঁৰাখন পাৰ হৈ মন্ত্ৰমুগ্ধ সাপৰ দৰে হৰি পাঠক বাৰীৰ ভিতৰলৈ সোমাই গৈ এঠাইতে থিয় হৈ ৰ'ল।

পাঠকে মনত পেলালে।

সিদিনাখনো তেওঁ ইয়াতে বৈ আছিল। তেওঁ জানে ৰামচৰনে ভাত খোৱাৰ পিছতে সৰুপানী চুবলৈ বাৰীৰ পিছ ফাললৈকে আহিব। ৰামচৰনক তেওঁ জী থাকিব দিব নোৱাৰে। আজি যদি ৰামচৰন জীয়াই থাকে অহাকালি নিশ্চয় সি থানালৈ যাবই। পাঠকে জানে পুলিচৰ কবলত এবাৰ পৰিলে তেওঁৰ সাৰন নাই। অকল তেওঁ কিয় শেৱালীৰো বিপদ হ'ব পাৰে। সেইবাবেই ৰামচৰনৰ বাবে তেওঁ সিদিনাখন বহুসময় বৈ আছিল। তেওঁ ভবামতেই ৰামচৰন বাৰীৰ চুকলৈ আহিছিল। পাঠকে হঠাতে পিছফালৰ পৰা গৈ ৰামচৰনক জপটিয়াই ধৰিছিল। এটা সময়ত ৰামচৰন ধৰাশায়ী হৈছিল।

আজি কিন্তু পাঠকে ভাবি ওৰ নাপালে তেওঁ কিয় এইখিনিলৈ আহি ওলাল। ৰামচৰনৰ ঘৰত এতিয়া অকল ৰামচৰনৰ বিধৱা গাভৰু ঘৈণীয়েক আৰু এহাল এমাডিমা ল'ৰা ছোৱালীহে আছে। সেই ল'ৰা ছোৱালী হালৰ এটাও পাঠকৰ শতৰু নহয়। ৰামচৰনৰ বিধৱা ঘৈণীয়েকো পাঠকৰ পথৰ কাঁইট নহয়। তেন্তে?

হঠাতে খুটুককৈ শব্দ এটা হ'ল।

শব্দটো শুনি পাঠকে সন্মুখলৈ চালে। দেখিলে ঘৰৰ পৰা মানুহ এগৰাকী ওলাই আহিছে। পাঠকে চিনি পালে সেইয়া ৰামচৰনৰ গাভৰু বিধৱা ঘৈণীয়েক। পাঠকে যেন এতিয়াহে গম পালে তেওঁ কিয় এই ৰাতিখন ৰামচৰনৰ বাৰীৰ চুকলৈ মনে মনে আহিছে।

পাঠকৰ চকুত পৰিল ৰামচৰনৰ বিধৱা ঘৈণীয়েক পাঠকৰ পৰা অলপ আঁতৰৰ জোপোহা এডৰাৰ আঁৰত বহি লৈছে। পাঠকে এপলক কিবা ভাবি চালে। তাৰপিছত সন্তপর্ণে আগবাঢ়ি গৈ পিছ ফালৰ পৰা মানুহজনীক গবা মাৰি ধৰিলে। মানুহজনীয়ে উচপ খাই উঠি পিছফাললৈ ঘূৰি চাইছিল। হৰি পাঠকক দেখি ৰামচৰনৰ বিধৱা ঘৈণীয়েকে চিঞৰিব ওলাইছিল। কিন্তু তেতিয়াই পাঠকে মানুহজনীৰ মুখখনত সোপা মাৰি ধৰিলে। মানুহজনীয়ে দুইখন হাতেৰে পাঠকৰ হাতখন এৰুৱাবলৈ যাওঁতে টনা আজোৰাত বুকুৰ অতুলনীয় সৌন্দর্য্যখিনি ওলাই পৰিল।

পাঠকে এইবাৰ অনাবৃত বুকুখন এখন হাতেৰে খামুচি ধৰিলে।

পাঠক মাজ ৰাতিহে থৰক বৰক খোজেৰে ঘৰ আহি পাইছিল।

মানুহজনী তেনেকৈয়ে বহুসময়লৈ নিথৰ হৈ ঠাইতে শুই আছিল। বেছ কিছুসময়ৰ পিছত মানুহজনীয়ে মাটিৰ পৰা উঠি আঁতৰত পৰি থকা বগা চাদৰখন বুটলি ল'লে। কিন্তু নিপিন্ধিলে। ঘৰলৈকো উভতি নগ'ল। নাচালেও। অলপ পিছতে উলংগ শৰীৰেৰে মানুহজনী বাৰীৰ মাজে মাজে গৈ আলিত উঠিল। কিন্তু নৰ'ল। আলিটোৰে বেছ কিছু দুৰ আগবাঢ়ি গৈহে ৰৈ দিলে ।

সেইখিনিতে বটগছজোপা আছিল।

জয়াপুৰৰ মানুহবোৰ নিমাখিত। ওচৰ পাজৰৰ গাওঁৰ মানুহে কয় জয়াপুৰৰ মানুহৰ সহনশীলতাৰ তুলনা নাই। কিন্তু তেওঁলোকেও নাজানিছিল সহনশীলতাৰ সীমা এটা আছে বুলি। অৱশ্যে এদিনাখন গম পাইছিল। সেইদিনা মেল পাতি জয়াপুৰবাসীয়ে হৰি পাঠকৰ ঘৰখন এঘৰীয়া কৰিলে।

গাওঁৰ শেষ প্ৰান্তত, বটগছজোপাৰ পৰা অলপ আঁতৰত এদিনতে এটা নতুন ঘৰ উঠিল। সেই ঘৰটোতে এতিয়া থাকিব ল'লে হৰি পাঠক আৰু শেৱালীয়ে।

কেইদিনমানৰ ভিতৰতে শেৱালীৰ শীৰ্ণ শৰীৰটো আৰু শুকাই গৈছিল। আৰু এদিন বিনা চিকিৎসাই শেৱালীৰ মৃত্যু হৈছিল। শেৱালীৰ মৃত্যুৰ খবৰ ল'বলৈ

গাওঁৰ কোনো অহা নাছিল। হৰি পাঠকেও কাৰোলৈ ভ্ৰূক্ষেপ নকৰি আগচোতালতে নিজেই চিতা সাজি শেৱালীৰ সৎকাৰ কৰিছিল। দপদপাই জ্বলি উঠা চিতা জুইকুৰাৰ লেলিহান শিখাবোৰলৈ বহুসময় চাই থাকি এসময়ত পাঠক চোতালৰ পৰা লাহে লাহে খোজ দি বাহিৰ ওলাল।

তেতিয়া নিশা নটা বাজিছিল।

হৰি পাঠক ধীৰে ধীৰে খোজ দি মনবৰ বায়নৰ ঘৰ গৈ ওলাল। মনবৰ বায়নেই হৰি পাঠকক এঘৰীয়া কৰিবলৈ আগভাগ লৈছিল। সেইদিনা বায়নে চোতালত অকলশৰে জুই পুৱাই আছিল। হৰি পাঠকৰ দুচকুত তেতিয়া নৃসংশতাৰ তাণ্ডৱ নৃত্য। হৰি পাঠকৰ চকুত তেতিয়া চোতালৰ জুইকুৰা শেৱালীৰ চিতা জুইকুৰালৈ ৰূপান্তৰিত হৈছিল।

মনবৰ বায়নক জুইকুৰাৰ কাষতে অকলশৰীয়াকৈ থকা দেখি পাঠকৰ শৰীৰটো জিকাৰ খাই উঠিল। পিছমূহুৰ্ততে দৌৰি গৈ বায়নক দপদপাই জ্বলি থকা জুইকুৰালৈ ঠেলা মাৰি দি পাঠকে অট্টহাস্যৰে চৌদিশ বিদীৰ্ণ কৰি পেলালে। বায়নৰ ঘৰৰ মানুহখিনি ওলাই অহা দেখি অৱশ্যে পাঠক দৌৰি আতঁৰি গ'ল। কিন্তু পাঠক পলাই সাৰিব নোৱাৰিলে। বটগছজোপাৰ তলতে গাওঁৰ ডেকাবোৰে পাঠকক ধৰি পেলালে।

হৰি পাঠক কিন্তু এৰা ভকত নহয়, পাঠকেও ফেঁপেৰি পাতি ধৰিলে। এটা অসতৰ্ক মুহূৰ্তত যোগেশ্বৰৰ নেলুতে চেপি ধৰিলে। যোগেশ্বৰক বচাবলৈ মহেনে ওচৰতে পোৱা খৰি এডালেৰে পাঠকৰ মূৰতে পূৰ্ণহতীয়া কোব এটা সোধালে।

সেই বটগছজোপাৰ তলতে হৰি পাঠক ঢুকাল। পিছদিনা মহেনেও মুখেৰে তেজ বটিয়াই সিপুৰী পাইছিল। কেইদিনমান পিছত যোগেশ্বৰেও বটগছজোপাৰ ডালতে চিপজৰী ল'লে।

তেতিয়াৰে পৰা আৰম্ভ হৈছিল বটগছজোপাৰ তাণ্ডৱ লীলা।

৮

গাওঁবুঢ়াই কথাখিনি কৈ শেষ কৰি আকৌ এটা হুমুনিয়াহ এটা এৰিলে।

কৰবীৰ দুচকুৰ পৰা চকুলো বৈ আহিছিল। গাওঁবুঢ়াই এবাৰ কৰবীলৈ চাই দৃষ্টি ঘূৰাই আনিলে। দুজন ল'ৰা ফোপাই জোপাই অহা দেখি গাওঁবুঢ়াই সুধিলে 'কি হ'ল?'

'মানে ...সেউতী খুড়ী...'

'বটগছজোপাৰ ডালতে ওলমি থকা পালি বোধকৰো।' গাওঁবুঢ়াই উদাসীন ভাৱেৰে ক'লে।

'অ।' ল'ৰা এজনে সেপ এটা ঢুকি কোনো ৰকমে ক'লে।

কিছুসময়ৰ নীৰৱতাৰ পিছত গাওঁবুঢ়াই আকৌ ক'লে 'সেউতী যোগেশ্বৰৰে ঘৈণীয়েক আছিল।'

'কি?' অৰুণাভ চক্ খাই উঠিল।

'ইয়াত উচপ খাবলৈ একো নাই। ঘটনাবোৰ শুনিলে ভয়, সংশয় আৰু অবিশ্বাসৰ ভাব আহে। আপোনালোকৰো বিশ্বাস নহ'ব পাৰে। কিন্তু মই কোৱা সকলো কথাই সচাঁ। এই অঞ্চলৰ কোনো এজন বেজে....'

'ৰ'ব।' অৰুণাভে কথাৰ মাজতে সুধিলে 'বেজ এজনক যে মাতিবলৈ গৈছিল তেওঁ আহিব নে নাহে?'

'বেজ নাহে।' গাওঁবুঢ়াই লাহেকৈ ক'লে।

'কিন্তু কিয়?' অৰুণাভে চিঞৰি দিলে।

গাওঁবুঢ়াই তললৈ মুখ কৰি কৈ গ'ল 'ৰমাকান্ত বেজ আহিলেও একো লাভ নহ'লহেঁতেন। অকল ৰমাকান্ত কিয়, এই অঞ্চলৰ কোনো এজন বেজ আহিবলৈ সাহস নকৰে। লাজ পাই একো কৰিব নোৱাৰি। মায়াঙৰ ফালৰ বেজ আহিলে কিবা এটা হ'ব পাৰে। কিন্তু..'

'কিন্তু মায়াঙ যে ইয়াৰপৰা বহু দূৰৈত ...'

গাওঁবুঢ়াই এইবাৰ একো নক'লে। অৰুণাভে উশাহবোৰ ঘন ঘনকৈ ল'ব ধৰিলে। গাওঁবুঢ়াই আঁৰচকুৰে এবাৰ অৰুণাভলৈ চাই বহাৰ পৰা উঠিল। দীঘলকৈ উশাহ এটা লৈ ক'লে 'এতিয়া কোনেও আপোনাক সহায় কৰিবলৈ নিবিচাৰিব। আপোনাক সহায় কৰা মানেইতো নিজৰে মৃত্যু চপাই অনা। গতিকে নিজকে মৃত্যুমুখত পেলাই কোনেও আপোনাক সহায় কৰিবলৈ আগবাঢ়ি নাহে।'

'আৰু আপুনি?'

গাওঁবুঢ়াই উত্তৰত একো নক'ই লাহে লাহে খোজ দি আঁতৰি গ'ল।

গাওঁবুঢ়া যোৱা দেখি জুমটোত গোটখোৱা মানুহখিনিও তলমূৰকৈ নিঃশব্দে আঁতৰি গ'ল।

অৰুণাভ হতভম্ব হৈ বহুসময় চোতালতে থিয় হৈ ৰ'ল। পিছত সি

ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। সি সোমাই যোৱা দেখি কৰবীয়ো তাৰ পিছে পিছে ভিতৰলৈ সোমাই গ'ল। কৰবীয়ে অৰুণাভৰ বুকুতে মুখখন গুজি হুকহুকাই কান্দি দিলে। কৰবীৰ চুলিটাৰীত হাতবুলাই দিয়াৰ বাহিৰে অৰুণাভে সান্ত্বনাৰ ভাষা বিচাৰি নাপালে। তাৰ অন্তৰখন পুঞ্জীভূত ক্ষোভ আৰু হতাশাৰ অগ্নিয়ে চাৰখাৰ কৰি দিলে।

হঠাতে কোঠাটোৰ দৰ্জ্জাখন কেৰেককৈ শব্দ এটা কৰি মেল খাই গ'ল।

কোঠাটোলৈ সোমাই আহিল দুজন ডেকা আৰু এগৰাকী যুৱতী। যুৱতীৰ হাতত চামৰাৰ বেগ এটা।

'এখেত ডাঃ কবিতা দত্ত। ইয়াৰে হস্পিতালখনৰ ডাক্তৰ।' ল'ৰা এজনে ক'লে। অৰুণাভে একো নক'ই ডাঃ কবিতা দত্তলৈ চাই ৰ'ল। অৰুণাভে পলকতে বুজি পালে এতিয়া এই যুৱতী ডাক্তৰ গৰাকীয়ে সিহঁতৰ আশা ভৰষাৰ একমাত্ৰ স্থল।

ডাক্তৰ গৰাকীয়ে বাঁহৰ চাংখনতে বহি লৈ অবিনাশক পৰীক্ষা কৰিবলৈ আৰম্ভ কৰি দিলে। ল'ৰা দুজন ইতিমধ্যে আঁতৰি গৈছিল। কোঠাটোত এতিয়া মাথো চাৰিজন মানুহ, দুজন যুৱক, দুগৰাকী যুৱতী। অৰুণাভ, অবিনাশ, কৰবী আৰু কবিতা দত্ত।

'ডাক্তৰ! কিবা ধৰিব পাৰিলেনে?' সুধিলে অৰুণাভে।

'দেখাততো একোৱেই নাই। তথাপিও...'

'তথাপিও কি?'

কবিতা দত্তই কিবা এষাৰ ক'ব ওলায়ো নক'লে। আচলতে তেওঁ একো ধৰিব পৰা নাই। সেইকাৰণে তেওঁ একো নক'লে। কবিতা দত্তৰ চাৰিমাহৰ আগৰ ঘটনা এটালৈ মনত পৰিল। সেইদিনা দুপৰীয়া তেওঁ অকলেই ৰাণীপাহাৰৰ সিপাৰে থকা গাওঁ এখনলৈ ৰোগী চাবলৈ গৈ উভতি আহিছিল। সেই বটগছজোপাৰ ওচৰ পাওঁতেই তেওঁ থমকি ৰৈ গৈছিল। ডাল এডালত নিথৰ হৈ পৰি থকা প্ৰকাণ্ড ঢোঁৰাকাউৰী এটা দেখি তেওঁ সচাঁকৈয়ে ভয় খাইছিল। গাটো সেইদিনা অসম্ভৱ কঁপিছিল। দুদিনমানলৈ ঢোঁৰাকাউৰীটোৰ বীভৎস মুখখন মনত পৰিলেই তেওঁৰ শৰীৰটো জিকাৰ খাই উঠে। সেইকাৰণেই খবৰটো শুনিও তেওঁ অহা নাছিল। ল'ৰাকেইজনে জোৰ নকৰিলে তেওঁ নাহিলহেঁতেন।

এতিয়া কিন্তু অবিনাশৰ ধুনীয়া মুখখন নিথৰ হৈ পৰি থকা দেখি তেওঁৰ মোহ উপজিল।

কবিতাই অবিনাশক ইনজেকশ্যন এটা দি অৰুণাভহতঁক বাহিৰতে জিৰণি ল'বলৈ ক'লে। অৰুণাভে প্ৰথমে আপত্তি কৰিছিল যদিও নৰজিল। অৰুণাভে কৰবীৰ সৈতে বাহিৰৰ চোতাললৈ ওলাই গ'ল।

এখন পুৰণি কাঠৰ বেঞ্চত দুয়ো বহিল।

অৰুণাভে সোঁ-হাতখন কৰবীৰ ককালেদি নি তলপেটত থৈ হুমুনিয়াহ এটা এৰিলে। কৰবীয়ে অৰুণাভৰ হাতখন নিজৰ দুয়োখন হাতৰে খামুচি ধৰি ফুচফুচাই মাত দিলে 'অৰুণ।'

'কি?' অৰুণাভে লাহেকৈ সঁহাৰি দিলে।

৯

এটা নিজান মুহূৰ্ত।

কোঠাটোত তেতিয়া মাথো দুজন লোক। অবিনাশ আৰু ডাঃ কবিতা দত্ত।

কবিতা এবাৰ বাহিৰলৈ ওলাই গৈছিল। অৰুণাভৰ বুকুত তেতিয়া কৰবী কুচি মুচি শুই আছিল। অৰুণাভৰ দুয়োখন হাত কৰবীৰ মৃশ্ৰণ পিঠিত। দৃশ্যটো দেখি কবিতাৰ অন্তৰখন আবেগ আৰু অনুৰাগৰ ঢৌৰে কপাঁই গ'ল। কবিতা উভতি আহি বাঁহৰ চাঙখনত বহি ল'লে। এইবাৰ অবিনাশৰ যৌৱনোচ্চল দেহটো দেখি কবিতা ৰোমাঞ্চিত হৈ উঠিল। এটা অসৰ্তক মুহূৰ্তত কবিতাৰ সোঁহাতখন অবিনাশৰ শেঁতা ওঠখন চুই তাতে ৰৈ গ'ল। কবিতাৰ সমগ্ৰ শৰীৰটো এইবাৰ এটা অজান আবেগে কঁপাই দিলে। কবিতাই হাতখন এৰুৱাই আনি এইবাৰ মূৰটো তললৈ হলাই আনিলে। কবিতাৰ উশাহবোৰ ঘন ঘন হ'ল। তাইৰ গোটেই শৰীৰটো ঠৰ ঠৰ কৈ কঁপিব ধৰিলে। এক অজান শক্তিয়ে তাইক যেন সন্মোহিত কৰি পেলালে। যৌৱনৰ মায়াজালত উটি ভাঁহি গৈ তাই ওঠখন আৰু তললৈ লৈ গ'ল।

কিমানপৰ তেনেকৈ আছিল কবিতাই নাজানে।

হঠাতে কোঠাটোত কিবা এটা খচমচাই উঠাত কবিতা উচপ খাই উঠি মূৰটো ওপৰলৈ উঠাই আনিলে। কিবা এটা যেন খোলা দৰ্জ্জাখনৰ ওচৰত লৰি চৰি আছে। কবিতাই ধৰিব নোৱাৰিলে। কিছুসময় চলমান বস্তুটোলৈ চাই থাকি অৱশেষত হ্যাৰিকেন লেমটো এহাতত লৈ কবিতা বহাৰ পৰা উঠিল।

দুখোজ আগুৱাই গৈয়ে কবিতা ৰৈ গ'ল।

কবিতাই ভয় খালে। প্ৰকাণ্ড ঢোঁৰাকাউৰী এটা দুৱাৰমুখতে ৰৈ আছে। সেপ এটা ঢুকিহে কবিতাই ঢোঁৰাকাউৰীটোলৈ চাই থাকিব পাৰিছিল। সীমাহীন শংকা আৰু আশংকাই কবিতাৰ দেহটো আলোড়িত কৰি তুলিলে। তথাপিও কবিতাই চিঞৰ এটা মাৰিব নোৱাৰিলে। পিছুৱাইয়ো আহিব নোৱাৰিলে। কবিতা ঠাইতে স্থবিৰ হৈ ৰ'ল।

ঢোঁৰকাউৰীটো দেও দি দি আহি বাঁহৰ চাঙখনৰ ওচৰ পাই জাপ মাৰি চাঙখনৰ ওপৰ পালে। তাৰপিছত অবিনাশৰ নাকৰ ওচৰত খুট এটা মাৰি দিলে। দৃশ্যটো দেখি কবিতাৰ শৰীৰটো জিকাৰ খাই উঠিল। লেমটো মজিয়াখনতে থৈ কবিতা চাঙখনৰ ওচৰ চাপি গ'ল। কবিতাৰ চকু এইবাৰ তেজেৰে ৰাঙলী হৈ উঠা অবিনাশৰ ওঠত। অবিনাশৰ ওঠৰ ৰক্ত ৰঙা ৰঙে কবিতাৰ দেহ মন উত্তেজিত কৰি তুলিলে। ঢোঁৰাকাউৰীটোলৈ সন্মোহিত দৃষ্টিৰে এবাৰ চাই কবিতাই নিজৰ মুখখন অবিনাশৰ ওঠৰ ওচৰলৈ লৈ গ'ল। পিছ পলকত এক প্ৰচণ্ড জৈৱিক চেতনাত আতুৰ হৈ তাই অবিনাশৰ নিঃশ্চল দেহটো সাৱতি ধৰি ওঠত কামুৰি দিলে । যৌনজ কামনাই যেন তাইক উন্মাদিনী কৰি তুলিলে।

## ১০

কৰবীয়ে শুই শুই বহুত কিবা কিবি ভাবিছিল। ভাবিছিল অবিনাশৰ কথা। শাহুৱেকৰ কথাও তাইৰ মনত পৰিছিল। তাই চিন্তিত হৈছিল তাইৰ গৰ্ভৰ সন্তানটোৰ কথা ভাবি। শাহুৱেকে কিজানি ইমানপৰে ঘৰত হুলস্থুল কৰি দিছে। হয়তো চাৰিওফালে খবৰ পঠাইছে। কৰবীয়ে ঠিক কৰিলে অবিনাশে জ্ঞান নাপালেও অহা কালি ৰাতিপুৱালেই সিহঁত ঘৰলৈ গুছি যাব।

কৰবীয়ে চকুদুটা মেলি দিলে। কিছুসময় শহাকনীয়া হৈ কিবা শুনিব খুজিলে। তাৰপিছত অৰুণাভৰ গাটোত চিকূট এটা মাৰি ফুচফুচাই মাত দিলে 'অৰুণ!'

'কি?' অৰুণাভে খপজপাই উঠি সুধিলে।

কোঠাটোলৈ আঙুলিয়াই দি কৰবীয়ে ক'লে 'শুনাছোন! কিবা এটা যেন ছটফটাই থকাৰ শব্দ কোঠাটোৰ পৰা আহিছে।'

অৰুণাভেও শুনা পালে শব্দটো।

অৰুণাভে কৰবীক তাতে বৈ থাকিবলৈ কৈ নিজে কোঠাটোলৈ সোমাই গ'ল। সোমাইয়ে প্ৰথমে কাউৰীটো দেখা পাই সি ভয় খালে। অমংগলীয়া ভাৱ এটাই অৰুণাভৰ মনটো সেমেকাই পেলালে। তথাপিও জোৰ কৰি কাউৰীটোৰ পৰা চকু আঁতৰাই সি এইবাৰ চাঙখনৰ ওচৰ চাপি গ'ল।

কিন্তু....ডাক্তৰণীজনীয়ে এইয়া কি কৰিব ধৰিছে?

'ডাঃ দত্ত!' অৰুণাভে চিঞৰি দিলে।

কবিতাই চিঞৰটো শুনি মুখখন অবিনাশৰ ওঠৰ পৰা এৰুৱাই আনি অৰুণাভলৈ চালে। এপলক মাত্ৰ। তাৰপিছত খিলখিলাই হাঁহি অবিনাশক আকৌ সাৱতি ধৰিলে।

'ডাঃ দত্ত!!'

দেহৰ সমস্ত শক্তিৰে আকৌ এবাৰ চিঞৰি অৰুণাভে কবিতাৰ উদং পিঠিখন জোকাৰি দিলে। কিন্তু কবিতাক অবিনাশৰ ওচৰৰ পৰা এৰুৱাই আনিব নোৱাৰিলে। বৰঞ্চ আগতকৈ আৰু জোৰেৰেহে অবিনাশক সাৱতি ধৰিলে। ইতিমধ্যে অৰুণাভৰ বজ্ৰকঠিন কণ্ঠস্বৰ শুনিয়ে কৰবী উধাতু খাই দৌৰি আহিছিল। ঠিক সেইসময়তে কাউৰীটোৱে অতৰ্কিতে আহি অৰুণাভৰ কপালত খুট এটা মাৰি দিলে। অৰুণাভে যন্ত্ৰণাকাতৰ চিঞৰ এটা মাৰি বাঁহৰ চাঙখনত পৰি যোৱা দেখি কৰবী সেইখিনি পালে।

'কৰবী!' অৰুণাভে সেঁহাই মাত দিলে।

'কোৱা।' অৰুণাভৰ ক্ষতস্থানত ৰুমাল এখন লগাই কৰবীয়ে ক'লে ।

'কৰবী ! তুমি ইয়াৰ পৰা গুছি যোৱা। গাওঁৰ মানুহখিনিক খবৰ দিব পাৰিলে তুমি ইয়াত থকাতকৈ বেছি কামত আহিব।'

'কিন্তু..তুমিযে ইয়াত অকলে.....'

কৰবীয়ে ইতস্ততঃ কৰা দেখি অৰুণাভে কৰবীক সমুখলৈ ঠেলা মাৰি দিলে। কৰবী দুখোজ পিছুৱাই গৈ পৰি যাব ওলাইছিল। বাঁহৰ খুটা এডালত ধৰি তাই কিংকৰ্ত্তব্যবিমূঢ় হৈ সেইখিনিতে থিয় হৈ ৰ'ল।

'কৰবী! তুমি যোৱা নাই কিয়?'

কৰবী আৰু নৰ'ল। তাই কোঠাটোৰ পৰা ওলাই আহি একপ্ৰকাৰ উদভ্ৰান্তৰ দৰে দৌৰি ওচৰৰ মানুহঘৰক খবৰ দিলে। তাইৰ কথাখিনি শুনি মানুহজনে মাত লগালে 'আইদেউ! বটগছজোপাৰ ভূতে লম্ভিলে যেতিয়া আৰু

নিস্তাৰ নাই। আনকি কোনোবাই সহায় কৰিব আহিলেও তেঁৰো তেজ বমি কৰি মৰে। নহ'লে পগলা হয়। তেতিয়া চিপজৰী লৈ নিজে মৰে। সেউতীয়ে তোমালোকক আশ্ৰয় দিয়া কাৰণেই শেষত তাই পগলা হৈ চিপজৰী ল'লে। এতিয়া তোমালোকক সহায় কৰা মানেই...'

ইখিনি মানুহজনে ক'ব নুখুজিলে। নীৰৱে বাঁহৰ দৰ্জ্জাখন বন্ধ কৰি দিলে। উপায়হীনা হৈ কৰবী উদভ্ৰান্ত হৈ ওচৰৰ আন এঘৰলৈ গ'ল।

সকলোৰে মুখত কিন্তু একেখিনি কথাৰে প্ৰতিধ্বনি।

নিশা ক্ৰমে গভীৰ হৈ আহিছিল। জয়াপুৰখন নিমাওমাও হৈ পৰিছে। অৱশ্যে কাৰো চকুত টোপনি নাই। সৰ্তক হৈ আছে সকলো। হয়তো কৰবীহতঁৰ শেষ অৱস্থা জানিবলৈ সকলো উদগ্ৰীৱ হৈ পৰিছে। আজি অতবছৰে যেতিয়াই বট গছজোপাৰ ভূতে কাৰোবাক লম্ভে তেওঁলোকে এনেকৈয়ে বাট চাই ৰৈ থাকে।

কৰবী এইবাৰ আকৌ উভতি আহিল।

কোঠাটোত তেতিয়া দুৰ্য্যোগৰ চৰম পৰ্য্যায়।

কৰবী যোৱাৰপিছত অৰুণাভে কবিতাক আঁতৰাই আনিছিল। কিন্তু কবিতাই তাইৰ জোঙাল নখেৰে তাৰ মুখখন আচুৰিব ধৰা দেখি অৰুণাভে কবিতাক এৰি দিলে। অৰুণাভৰ পৰা মুক্তি পায়ে কবিতাই আকৌ অবিনাশক একেলৰে গৈ সাৱতি ধৰিলে। এইবাৰ কবিতাই অবিনাশৰ ওঠৰ তেজখিনি...

অৰুণাভ ভয়ত বিহ্বল হৈছিল। কোন তলকতযে টোঁৰাকাউৰীটোৱে উৰি আহি তাৰ ক্ষতস্থানৰ পৰা মাংস এবকলা খুট মাৰি এৰুৱাই লৈ গ'ল সি তলকিবই নোৱাৰিলে। অৰুণাভে চিঞৰ এটা মাৰি মজিয়াত পৰি যাওঁতে দেখা পালে সিহঁতক প্ৰথমে আশ্ৰয় দিয়া সেই ক্ষীণকায় বুঢ়া মানুহজন অৰ্থাৎ হৰি পাঠক কোঠাটোলৈ সোমাই আহিছে।

বুঢ়াৰ ওঠত পৈশাচিক হাঁহি।

বুঢ়াজন অৰুণাভৰ কাষ চাপি আহিল। ইতিমধ্যে কাউৰীটোৱে কবিতাৰো গালত খুট মাৰি দি নিগৰি ওলোৱা তেজবোৰ পীবলৈ ধৰিলে। কিন্তু কবিতাৰ যেন ক'লৈকো কাণসাৰ নাই। আপোন ভাবত যেন তাই বিভোৰ।

অৰুণাভ ক্ষণ গণি ৰ'ল।

সি শুনিছিল দূৰৈত কৰবীৰ পদশব্দ। কৰবীৰ আহি থকাৰ শব্দ শুনি অৰুণাভ আৰু বিহ্বল হৈ পৰিল। এই পৰিস্থিতিত কৰবী ইয়ালৈ অহা মানে তাইৰো

মৃত্যু অৱধাৰিত হ'ব। সেইটো সি হ'বলৈ কোনো পধ্যেই দিব নোৱাৰে। অৰুণাভে কিবা এটা পদক্ষেপ লোৱাৰ আগতেই বুঢ়া হৰি পাঠকে তাক অৱলীলা ক্ৰমে মজিয়াৰ পৰা ডাঙি ঠিয় কৰাই দিলে। তাৰপিছত বুঢ়াই হাতদুখন অৰুণাভৰ কান্ধত পেলাই দি লাহে লাহে ডিঙিলৈ চপাই নিলে।

কৰবী ঠিক সেইসময়তে চোতাল পাৰ হৈ দুৱাৰডলি পাইছিল। কৰবীৰ ছাঁটো দেখিয়েই অৰুণাভে প্ৰাণপনে চিঞৰি দিলে 'কৰবী! তুমি নাহিবা। গুছি যোৱা।'

কৰবী উচপ খাই উঠিল।

দুৱাৰদলিত ঠিয় হৈ কৰবীয়ে ভিতৰলৈ চাই পঠিয়ালে। কোঠাটো তেতিয়া অন্ধকাৰ। সাৰিশব্দ একো নাই। কৰবীয়ে ভয়ে ভয়ে চিঞৰি দিলে 'অৰুণ!'

একো উত্তৰ নাই।

কৰবীয়ে আকৌ এবাৰ মাত লগালে 'অৰুণ!'

ঠিক সেইসময়তে কোঠাটোৰ চৌদিশ ৰজনজনাই কোনোবাই ঢেকঢেকাই হাঁহি দিলে। কৰবীয়ে ভয়তে দুখোজ পিছুৱাই আহিল। তাই এইবাৰ স্পষ্ট ভাবে দেখা পালে যোৱা নিশাৰ সেই বুঢ়াজনক। কৰবীলৈ চাই থৰক বৰক খোজেৰে আহি আছে বুঢ়াজন। ইয়াৰ অৰ্থ কি হ'ব কৰবীয়ে পলকতে অনুমান কৰি ল'লে।

ওহো, তাই মৰিব নোৱাৰে।

অন্ততঃ অৰুণাভৰ তেজমঙহৰ স্মৃতি দেহত থকালৈকে তাই জীয়াই থাকিব লাগিব।

কৰবীয়ে বুজি পালে ভিতৰত কি হৈছে। ইয়াত আৰু অলপ পৰ ৰ'লে তাইৰো দশা বোধহয় একে হ'ব।

কৰবীয়ে প্ৰাণপনে দৌৰি উভতি আহিল। তাই ক'তো এপলক নৰৈ একেলৰে গৈ আলিত ৰৈ থকা সিহঁতৰ গাড়ীখনৰ ড্ৰাইভিং চিটটোত বহি ল'লে। ইঞ্জিন ষ্টাৰ্ট কৰি তাই গাড়ীখন সজোৰে চলাই নিলে।

কৰবীয়ে পিছফাললৈ ঘূৰি নাচালে।

জয়াপুৰৰ মানুহে বেৰৰ জলঙাৰে কৰবীৰ যোৱালৈ জুমি জুমি চাইছিল। কোনোবাই হয়তো হুমুনিয়াহ পেলাইছিল হায় বেচেৰীজনী!!

## অলৌকিক

মাজনিশাৰ ভয়াৰহতাই গ্ৰাস কৰা সৰু চহৰখনৰ সৰ্পিল পথটোৰে দুজন যুৱক ধীৰে ধীৰে আগবাঢ়ি গৈছিল। নিতাল নিস্তব্ধ জোনাকসনা পৃথিৱীখনত যুৱকদুজনৰ জোতাৰ ছন্দময় শব্দই সামান্য পৰিমাণে হিল্লোল তুলিছিল। জোনাক নিশাৰ নিস্তব্ধ পৃথিৱীৰ এই ৰূপটো সাগৰ আৰু মলয়ৰ বেছ ভাল লাগে। সেয়েহে নিশাৰ দ্বিতীয় দৰ্শনীৰ চিনেমা চাই উঠি সৰু চহৰখনৰ এটা মূৰৰ পৰা সিহঁতৰ ঘৰ থকা সিটো মূৰলৈ খোজ কাঢ়ি আহিবলৈ অকনো বিৰক্তি পোৱা নাছিল। দুয়ো কথা পাতি বেছ কিছুদূৰ আগবাঢ়ি আহিছিল। সিহঁত এতিয়া চহৰৰ উপকণ্ঠত। আৰু মাত্ৰ পোন্ধৰ মিনিট খোজ কাঢ়িলেই সিহঁতৰ ঘৰ পোৱা যাব।

এটা সময়ত হঠাতে সিহঁতৰ ছন্দময় গতি স্তব্ধ হ'ল।

দুয়োৰে দৃষ্টি বাওঁফালৰ মুকলি পথাৰ এখনৰ এটা কোণত থকা সৰু মন্দিৰ এটাত ৰৈ গৈছিল। পথাৰ খনৰ এটা মূৰে এখন শশ্মান। ঠাইখিনি জয়াল, দিনতেই ভয় লাগে। মন্দিৰটো পুৰণি, জৰাজীৰ্ণ। সিহঁতৰ গাওঁহেন চুবুৰীটোৰ বাবে মন্দিৰটো পৰিত্যক্ত, এলাগী। এনেকুৱা এটা সময়ত মন্দিৰত পূজা কৰিব কোনে ভাবি ওৰ নাপালে সাগৰে। সি সুধিলে 'কোনে বাৰু এই অসময়ত ইয়াত পূজা কৰিছে? মইতো আজি ইমান বছৰে কাকো পূজা এভাগো দিয়া দেখা নাই।'

সাগৰে ফুচফুচাই কোৱা কথাখিনি শুনি মলয়ে কিছুপৰ নিশ্চুপ হৈ ৰৈ অৱশেষত মাত লগালে 'ক'ব নোৱাৰো।'

'চাব যাবি নেকি?' সাগৰে সুধিলে।

'পাগল হৈছ নেকি তই? এই মাজ নিশা তাতে আকৌ শশ্মানৰ কাষৰ

সেই পুৰণি মন্দিৰত কোনে পূজা দিছে মই চাব যাব নোৱাৰো। তোৰ যদি সাহস আছে তই অকলেই যাগৈ।' মলয়ে উত্তৰ দিলে।

সাগৰে অনিচ্ছা স্বত্বেও অৱশেষত ক'লে 'ব'ল তেন্তে ঘৰলৈকে।'

দুয়ো আকৌ খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে।

ঘৰ গৈ পালেও সাগৰৰ মনৰ কৌতুহ'ল কিন্তু মাৰ নগ'ল। দোভাগ নিশা পৰিত্যক্ত মন্দিৰটোত কোনে পূজা কৰিছে এই প্ৰশ্নটোৱে সাগৰক খুলি খুলি খালে। দিনতো ব্যস্ততাৰে পাৰ কৰোতেও মাজে মাজে তাক প্ৰশ্নটোৱে অস্থিৰ কৰি তুলিছিল। গধূলি সিহঁতে সদায়ে চাৰিআলি চুকটোত থকা মতি দাসৰ দোকানখনৰ বেঙ্গত বহি আড্ডা দিয়ে। মলয়ক তাতে লগ পাওঁতে তাৰ মনত প্ৰশ্নটোৱে পুনৰ উকমুকনি দিলে। মতি দাসৰ দোকানত ভিৰ পাতলাৰ পিছত সাগৰেই প্ৰসংগটো উত্থাপন কৰিলে। আদহীয়া মতিক যোৱা নিশাৰ সিহঁতৰ অভিজ্ঞতাখিনি বৰ্ণাই উঠি সি সুধিলে 'কথাটো আচৰিত নহয়নে?'

'একো আচৰিত কথা নহয়।' মতিয়ে নিৰ্বিকাৰ ভাৱে উত্তৰ দিলে।

'কিয়?' সাগৰৰ লগতে মলয়ো আচৰিত হ'ল।

'শুন। সেই মন্দিৰটোত এসময়ত তন্ত্ৰ মন্ত্ৰৰ সাধনা হৈছিল।'

'অ। এসময়ত হৈছিল হয়, কিন্তু সেইয়াটো বহু বছৰৰ আগৰ কথা। ৰত্নখুৰাই এসময়ত তাতে সাধনা কৰিছিল বুলি বহুতেই কয়। এই বুঢ়া বয়সত ৰত্নখুৰাই ঘৰৰ পৰা তালৈকে সাধনা কৰিব নাযায়।'

মতিয়ে এইবাৰ মাত লগালে 'ৰত্নখুৰাৰ উদণ্ড ল'ৰা এটা আছে। বুধীন তাৰ নাম। পাচঁ বছৰমান সি গাওঁত নাছিল। ক'ত আছিল কোনেও নাজানে। যোৱাবছৰ সি ঘৰলৈ ঘূৰি আহিছে। এদিন ৰত্ন খুৰাক লগ পাওঁতে তেওঁ বুধীনক কিবা কিবি শিকোৱা বুলি কৈছিল।'

'ধৰি ল'লো বাৰু বুধীনেই তাত সাধনা কৰিছে। কিন্তু সি সেইবোৰ গোপনে কৰিছে কিয়?' মলয়ে সুধিলে।

'মন্ত্ৰ সাধনাৰ ফল অসীম। পৰম শক্তি লাভ কৰে বুলি সকলোৱে কয়। বুধীনেও তেনে ইচ্ছা কৰিয়ে হয়তো সাধনা কৰিছে।'

'তেনেহ'লে এবাৰ মন্দিৰলৈকে যোৱা ভাল হ'ব। সকলো কথাৰে আঁতিগুৰি জানিব পাৰিম।' সাগৰে ক'লে।

'তালৈ যোৱাটো উচিত নহ'ব।'

'কিয় ?'

'মন্ত্ৰৰ সাধনা মানেই প্ৰেতাত্মাৰ সাধনা।' মতিয়ে ক'লে।

'সেইবোৰলৈ আমি ভয় নকৰো।'

ভয় বোলা কথাষাৰ মতিৰো নাছিল। আচলতে মতিয়ে অনাহকতে আনৰ কথাৰ মাজত সোমাব খোজা নাছিল। কিন্তু সাগৰ আৰু মলয় এৰি দিয়া ভকত নহয়, দুয়ো মতিক জোৰ দি ধৰিলে এদিন নিশা সিহঁত দুয়োটাৰে লগত মন্দিৰলৈ যাবলৈ। মতিৰ আপত্তি অৱশ্যে নৰজিল। মতিয়ে অৱশেষত মাত দিলে 'হ'ব দে বাৰু, এদিন নিশা তহঁতৰ লগত ওলাম।'

২

দুদিনমান পিছত এদিন অমাৱশ্যাৰ নিশা সিহঁত তিনিও মন্দিৰটোলৈ অগ্ৰসৰ হ'ল। মন্দিৰটো সচাঁকৈয়ে জৰাজীৰ্ণ আৰু যথেষ্ট সৰু। ভিতৰখন তিনিটা চাকিৰ পোহৰে উজ্বলাই ৰাখিছিল। মূল দৰ্জ্জাখন অৱশ্যে জপাই থোৱা আছিল, কাষৰ বেৰৰ ছিদ্ৰৰে সাগৰে দেখিলে কালী গোসাঁনীৰ ভয়লগা মূৰ্ত্তি এটাৰ সন্মুখত নৰকংকাল এটা পৰি আছে। সন্মুখত বুধীন ধ্যানমগ্ন হৈ বহি আছে। বুধীনৰ সোকাষে কিছু আঁতৰত যুৱতী এগৰাকী বহি আছে। যুৱতীৰ অপৰূপ সৌন্দৰ্য্যই সাগৰক ব্যাকুল কৰি পেলালে। তাৰ দৃষ্টি যুৱতীৰ ওপৰতে স্থিৰ হৈ বৈ গ'ল।

মলয়ে সাহস সঞ্চয় কৰি বন্ধ হৈ থকা দৰ্জ্জাখন খুলি মন্দিৰৰ ভিতৰলৈ সোমাই গ'ল, পিছে পিছে মতি। দুয়োকো তেনেদৰে সোমাই আহোতে বুধীনৰ ধ্যান ভংগ হৈছিল। মলয়ে কোনো ভুমিকা নকৰি সুধি পেলালে গোপনে পূজা কৰাৰ কাৰণ। বুধীনে কিন্তু কোনো উত্তৰ নিদিলে। কিন্তু বুধীনৰ মুখৰ অভিব্যক্তি দেখি মতিয়ে বেছ ভয় খালে। সি কিবা এষাৰ কথা কোৱাৰ আগেয়ে মলয়ে আকৌ সুধিলে 'আপুনি কিহৰ কাৰণে এই নিশাখন অকলে অকলে পূজা কৰি আছে? তাকো নৰকংকাল এটা লৈ ?'

বুধীনে একো উত্তৰ নিদি ধ্যানমগ্ন ঋষিৰ দৰে চকুহাল মুদি দিলে। খন্তেকপৰ তেনেদৰে থাকি এটা সময়ত চকুহাল মেলি মনে মনে বহি থকা মতিলৈ চাই গম্ভীৰ ভাৱে ক'লে 'মতি! অহাকালি এবাৰ আমাৰ ঘৰলৈ আহিবা, কথা আছে। নাপাহৰিবা।' কথাখিনিকৈ বুধীন বহাৰ পৰা উঠিল।

মলয়ে ঠিক সেইসময়তে মাত দিলে 'মোৰ প্ৰশ্নৰ যে উত্তৰ নাপালো ?'

বুধীনে এইবাৰ হাঁহি দিলে। সেই হাঁহি কৌতুকৰ নহয়, তাচ্ছিল্যৰ। মলয়লৈ চাই এইবাৰ বুধীনে উত্তৰ দিলে 'কিছুমান প্ৰশ্নৰ উত্তৰ বুজাই নক'লেও জনা মানুহে বুজি পায়।'

মলয়ে অকৰাৰ দৰে সুধিলে 'কিয়?'

'সময়ে সকলো প্ৰশ্নৰ উত্তৰ দি যাব।' কথাখিনিকৈ বুধীন গুছি গ'ল।

মতিৰ অনুভৱ হ'ল বুধীন যোৱাৰ পিছতেই গোটেই মন্দিৰটোৰ ভিতৰ ফালটোত যেন বতাহৰ এটা সোঁত কুণ্ডলী পকাই উৰিব ধৰিলে! মতি শিয়ঁৰি উঠিল। এটা সময়ত অৱশ্যে সেইয়া বন্ধ হ'ল। ভিতৰৰ পৰিৱেশ আকৌ শান্ত হ'ল। মতিয়ে সন্মুখত আগন্তুক বিপদৰ ৰেঙণি দেখা পালে। মলয়ৰ কিন্তু এইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাই, সি বুধীনৰ কথাকে পাগুলী আছিল কিছু অন্যমনস্ক্যভাৱে।

আৰু সাগৰে?

সি সেই অপৰূপ ৰূপৱতী যুৱতীলৈ একেথিৰে চাই ৰ'ল। সাগৰে তাৰ সমস্ত জীৱনৰ মাত্ৰ সেইখিনি সময়তেই কোনো ধৰণৰ চঞ্চলতা প্ৰকাশ কৰা নাছিল। মতিৰ চকুত পৰিছিল ইতিমধ্যে মন্দিৰৰ ভিতৰলৈ সোমাই অহা সাগৰলৈকে সেই যুৱতীয়েও একেথিৰে চাই থকা। দুয়োটাৰে দৃষ্টিত সৃষ্টিৰ আদিম অশ্লীলতা। মতিয়ে এইবোৰ ভাল পোৱা নাছিল। আচলতে সিহঁত দুটালৈ চাই থাকিবলৈ মতিৰ নিজৰেই লাজ লাগি গৈছিল।

৩

দিনটো মতিয়ে অস্থিৰভাৱে পাৰ কৰি দিলে।

গধূলিৰ লগে লগে মতিয়ে বুধীনৰ ঘৰলৈ খোজ দিলে। বুধীনৰ ঘৰটো অন্ধকাৰত ডুব গৈ আছিল। ভিতৰত মানুহ থকাৰ কোনো সাৰি শব্দ নাই। নঙলা মুখ পাওঁতে মতিৰ ভাব হ'ল এছাটি কোবাল বতাহ যেন তাৰ দেহৰ চাৰিওফালে অবিৰাম ব'ব ধৰিছে। মতিয়ে ভয় খালে। সি সজোৰে চিঞৰি দিলে 'বুধীন!'

ভিতৰৰ পৰা কোনো উত্তৰ নাহিল। কিন্তু এমিনিটমান পিছতে ভিতৰৰ কোঠা এটাত কিহবাৰ শব্দ হ'ল। মতিয়ে স্পষ্টকৈ শুনা পালে ঠিক যেন কাঁহ পিতলৰ বাচনৰ শব্দ।

মতিয়ে আকৌ চিঞৰিলে 'বুধীন!'

এইবাৰো কোনো উত্তৰ নাহিল। মতিয়ে এইবাৰ মৰণত শৰণ দি ভিতৰলৈ

সোমাই গ'ল।

চ'ৰা ঘৰ পাৰ হৈ সি ভিতৰৰ চোতাল পালে। পূৰ্ণিমাৰ জোনাকে চোতালখন ধুনীয়া কৰি তুলিছিল। মতিয়ে চিকুণকৈ মচি থোৱা চোতালখনতে কিছুসময় ৰ'ল। সেই আহল বহল চোতালখনত অকলে অকলে অলপ সময় ৰোৱাৰ পিছতে মতিৰ মনত এটা অজান ভয়ৰ ভাবৰ উদয় হ'ল। মতিয়ে তাৰ দেহৰ ঠিক পিছফালেই যেন কোনো অশৰীৰিৰ উপস্থিতি অনুভৱ কৰিলে। মনত ভাবটো খেলোৱাৰ লগে লগে সি পিছলৈ ঘূৰি চালে। মতিৰ দেহটো লগে লগে আতংকত জিকাৰ খাই উঠিল। সি মুখেৰে একো মাতিব নোৱাৰা হ'ল। অনিমেষ নেত্ৰে মাথো সি তাৰ পিছফালে ৰৈ থকা নৰকংকাল এটালৈ চাই ৰ'ল।

নৰকংকালটোৰ হাত দুখন ওপৰলৈ ডাংখাই থকা। চকু দুটাৰ গহ্বৰত অগ্নিৰ ফিৰিঙতি যেন উজ্বলতা। মেলখাই থকা মুখখনৰ ভিতৰফালে থকা দাঁত কেইটাই এক অবৰ্ণনীয় ভয়ংকৰ দৃশ্যৰ সূচনা কৰিছিল। মতিয়ে সেই দৃশ্য দেখি আতংকত চকুদুটা মুদি দিব খুজিলে। কিন্তু আচৰিত ভাৱে সি চকুৰ পতা দুটা জাপ খুৱাব নোৱৰা হ'ল। সি যেনেকৈ আছিল তেনেকৈয়ে থিয় হৈ ৰ'ল। লাহে লাহে মতিয়ে যেন নিজেই নিজৰ অস্তিত্ব পাহৰি যাব ধৰিলে, সি যেন এতিয়া অইনৰ ইচ্ছা শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত এটা পুতলা মাত্ৰ, মতিৰ এনে ভাব উপজিল।

হঠাতে মতিৰ মনত ভাব হ'ল বুধীন যেন এক সৰ্ব্বশক্তিমান পুৰুষ! মতিৰ মনত ভাবটো অহাৰ লগে লগে নৰকংকালটো ক্ৰমশঃ পিছুৱাই যাব ধৰিলে। নৰকংকালটোৰ ওপৰলৈ ডাংখাই থকা হাতদুখনে হাতবাউল দি মতিক মাতিব ধৰিলে। মতি যেন মোহাবিষ্ট হৈ পৰিল। নৰকংকালটোৱে দেখুৱাই দিয়া পথেৰে অগ্ৰসৰ হৈ সি এটা কোঠাত সোমাই পৰিল। কোঠাটোৰ এচুকত বুধীন বহি আছিল। বুধীনৰ মুখমণ্ডলত ধ্যানমগ্নতাৰ চিন। মতি সোমাই যোৱাৰ লগে লগে চকুৰ ইংগিতেৰে বুধীনে মতিক বহিব ক'লে।

'তুমি যে আহিবা সেইটো মই আশা কৰা নাছিলো।' মতি মজিয়াখনতে বহি পৰাৰ পিছত বুধীনে মাত দিলে।

'কিন্তু মই আহিলো।' মতিয়ে স্বপ্নাবিষ্টৰ দৰে উত্তৰ দিলে।

'এৰা, আহি ভাল কৰিলা। তোমাৰ লগত মোৰ কথা আছে।'

'কি কথা?' মতিৰ চকু মুখত অবুজ প্ৰশ্ন।

'সেইটো তুমি নিজেই গম পাব লাগিছিল।' এইবাৰ বুধীনৰ কথাত কঠিনতা

আৰু দৃঢ়তা ফুটি উঠিল। সি পুনৰ একে সুৰেৰে ক'বলৈ আৰম্ভ কৰিলে 'সাগৰহতঁ মোৰ পিছত কিয় লাগিছে ? মোৰ সাধনা নষ্ট কৰিবলৈ ? কোনেও মোৰ সাধনাত বিঘিনি ঘটাব নোৱাৰে। যিয়ে চেষ্টা কৰে তাৰ অনিষ্টহে হ'ব। ভীষণ অনিষ্ট হ'ব।'

বুধীন ৰৈ গ'ল। পিছৰ কথাখিনি কোৱাৰ আগেয়ে সি হাতৰ মুঠি দুটা জোৰে চেপি ধৰিলে। তাৰপিছত যথেষ্ট খঙৰে ক'লে 'সাগৰে এটা বৰ বেয়া কাম কৰিব ওলাইছে। ভীষণ অন্যায় কাম। মোৰ মন্ত্ৰ সাধনাৰ উৎস মায়াক সি বেলেগ ধৰনেৰে চাইছে। তাইক সি চঞ্চল কৰি পেলালে। মায়াৰ মন সি উতনুৱা কৰি পেলালে। মায়া এতিয়া মোৰ কামত উদাসীন হৈ পৰিছে। মই ইয়াৰ প্ৰতিশোধ ল'মেই।'

মতিয়ে ভয়ত একো মাতিব নোৱাৰিলে। সি বুধীনৰ কথাবোৰ নীৰৱে শুনি গ'ল।

'শুনা ! অহা অমাৱশ্যাৰ নিশালৈ মই সময় দিছো। সেইদিনা মই সাধনাৰ এটা স্তৰ পাম। গতিকে নিজৰ ভাল বিচাৰিছা যদি সেইদিনাৰ আগেয়ে সাগৰে মায়াৰ সংগৰ পৰা আঁতৰি আহিব লাগিব। নহ'লে....'

৪

বুধীনৰ কথাখিনি সাগৰহতঁক ক'বলৈ মতি অধৈৰ্য্য হৈ পৰিল। সেয়েহে বুধীনৰ ঘৰৰ পৰা ওলায়েই মতি সাগৰৰ ঘৰলৈ গ'ল। সাগৰৰ ঘৰতে মলয়কো লগ পালে মতিয়ে। দুয়োটাকে একাষৰীয়াকৈ মাতি মতিয়ে বুধীনৰ কথাখিনি চমুকৈ ক'লে। সাগৰে কিন্তু কথাখিনি শুনিও নুশুনাৰ ভাও জুৰিলে। সাগৰৰ চকুৰে মুখে এটা ৰোমান্টিক ভাব, কেনেকৈ মন্দিৰত লগ পোৱা সেই অপৰূপ ৰূপৱতী যুৱতীৰ লগত তাৰ চিনাকী হ'ল আৰু কেনেকৈ দুয়ো দুয়োৰো প্ৰেমত মচগুল হৈ পৰিছে তাৰে ৰসাল কাহিনী সি বৰ ৰস লগাকৈ মতিৰ আগত বৰ্ণাবলৈ ধৰিলে। মলয়ে সাগৰৰ কথাত বৰ আমোদ পালে। সি মিচিক মাচাককৈ হাঁহিব ধৰিলে। মতি সিহঁতৰ অমনোযোগিতাত অধৈৰ্য্য হৈ পৰিল। সি একপ্ৰকাৰ চিঞৰিয়েই ক'বলৈ ধৰিলে 'তহঁত পগলা হৈছ নেকি ? বুধীনৰ কথা শুনি তহঁতে ভয় খোৱা নাই ? এই অমাৱশ্যা নিশা সি সাধনাৰ এটা স্তৰ পাৰ হ'লেই...'

'কি কৰিব ?' মতিৰ কথাৰ মাজতে সুধিলে মলয়ে।

বুধীনে কি কৰিব সেইটো মতিয়েও ভালকৈ ধৰিব পৰা নাছিল। সি মাথো ক'লে 'এইবোৰ বৰ ভয় লগা কাম।'

মতিৰ সাৱধান বাণীয়ে সাগৰ আৰু মলয়ক ভয় খোৱাব নোৱাৰিলে। মতি যোৱাৰ পিছত দুয়ো ওলাই গ'ল। সাগৰৰ আজি উল্লাসে হিয়া নধৰা হৈছে। অকল সেই নিশাই নহয়, তাৰ পিছদিনাও সাগৰৰ মনৰ উছাহ আৰু এখোপ চৰিলেহে। সি তাৰ প্ৰেমৰ অভিযান চলাই গ'ল, লগত অৱশ্যে মলয়। সাগৰে অৱশ্যে মতিৰ লগতো যোগাযোগ ৰাখি গ'ল। সাগৰ আৰু মলয়ে বুধীনৰ অস্তিত্বই পাহৰি গৈছিল। মতিয়ে কিন্তু বুধীনৰ প্ৰতিটো কথাই মনত ৰাখিছিল। সি লক্ষ্য কৰিছিল বুধীনে দেওবৰীয়া হাটৰ পৰা এটা ক'লা পঠা ছাগলী কিনা। নগা এটাৰ পৰা মানুহৰ লাওখোলা এটা লোৱাও সি দেখিছিল। মায়াঙৰ ফালৰ দুটামান মানুহৰ লগতো বুধীনে দুদিনমান কথা পতাও মতিয়ে দেখিছিল। এইবোৰ দেখি মতি যথেষ্ট ভয় খাইছিল। কিন্তু সাগৰ আৰু মলয় নিৰ্বিকাৰ।

দিনবোৰ তেনেকৈয়ে প্ৰকৃতিৰ নিয়মমতে পাৰ হৈ যাব ধৰিলে।

এদিন তেনেকৈয়ে সেই আতংকগ্ৰস্ত অমাৱশ্যাৰ দিনটোও নিৰ্বিঘ্নে পাৰ হৈ গ'ল। কাৰো একো ক্ষতি নহ'ল। এতিয়া সাগৰহতঁৰ উৎসাহ আৰু বাঢ়ি গ'ল। সাগৰে বুধীনৰ সন্মুখতে মায়াৰ লগত কথা পাতিব পৰা হ'ল। সাগৰক দেখা পালেই মায়াৰ ধুনীয়া মুখখন হাঁহিৰে উপচি পৰে। সাগৰ আৰু মায়াৰ কাৰণে নিশাবোৰ যেন একোটা মধুৰ সপোন। জৰাজীৰ্ণ মন্দিৰটোৰ পিছ ফালে থকা শিল এছটাত বহি দুয়ো নিশাৰ লগত অন্তৰংগতা পাতে। সিহঁতে অজস্ৰ কথা পাতে। কথাবোৰ অৰ্থহীন, কিন্তু মাদকতাভৰা। মলয় আৰু মতি সাগৰৰ মুখত সেইবোৰ কথা শুনি পুলকিত হয়। মতিয়েও লাহে লাহে বুধীনৰ ভয়ৰ কথা পাহৰি যাবলৈ উপক্ৰম কৰে। মলয়েতো বুধীন নামৰ মানুহ এটাৰ কথাই পাহৰি গ'ল।

গতিকে অমাৱশ্যাৰ পিছৰ পৰা দিনবোৰ শান্তিৰে পাৰ হ'ব ধৰিলে।

সেইদিনা আছিল শুকুৰবাৰ।

আকাশত পূৰ্ণিমাৰ জোনটো। নিশা তেতিয়া দহটা বাজিছে। সৰু চহৰখনৰ বাবে সেইখিনি সময়েই মাজনিশা হৈ পৰিছিল। সেইসময়তে সাগৰৰ সৰু ঘৰটোৰ কাঠৰ দৰ্জ্জাখনত কোনোবাই সশব্দে ঢকিয়ালে। সাগৰ ঘৰতে আছিল। সি শব্দটো শুনি ভিতৰৰ পৰাই চিঞৰিলে 'কোন?'

'মই। মই মায়া।'

নামটো শুনিয়েই সাগৰে ততালিকে দৰ্জ্জাখন খুলি দিলে। সাগৰ আচৰিত হৈছিল। এই নিশাখন মায়া তাৰ অকলশৰীয়া ঘৰটোলৈ অহাটো সাধৰণ কথা হ'ব

নোৱাৰে। তাক আৰু হতবাক কৰি মায়াই ভিতৰলৈ সোমাইয়ে দৰ্জ্জাখন বন্ধ কৰি দিলে। সাগৰে মায়াক বহিব দি খুব উৎকণ্ঠাৰে সুধিলে 'মায়া! কি হৈছে তোমাৰ?'

'মোৰ একো হোৱা নাই।'

'তেতিয়া হ'লে এনেখন কিয় কৰিছা?'

'তোমালোকৰ বিপদ সাগৰ। ভীষণ বিপদ।' মায়াই কিছুসময় তভক মাৰি আকৌ ক'লে 'বুধীন ককায়ে সাংঘাটিক কাম এটা কৰিব ওলাইছে।'

'কি কাম?'

'তুমি যে দেখিছিলা মন্দিৰৰ সেই নৰকংকালটো... বুধীন ককায়ে যে পূজা কৰে... সেই নৰকংকালটোৰ প্ৰেতাত্মাক বুধীন ককায়ে অদ্ভুত কাম এটাত লগাইছে।' মায়াই ফোঁপাই ফোঁপায়ে ক'লে।

তাৰপিছত লাহে লাহে মায়াই যিখিনি কথা ক'লে সেইয়া শুনি সাগৰে সচাঁকৈয়ে ভয় খালে। কথাটো হ'লঃ চহৰৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰমান আঁতৰত থকা ৰঙাপাহাৰৰ গাতে লাগি থকা যিখন জয়াল হাবি আছে তাতে ৰজাদিনীয়া অট্টালিকা এটাৰ ভগ্নাৱশেষ আছে। তালৈ আজিকালি কোনো নাযায়। ফেঁটীসাপৰ ৰম্যভূমি হৈ পৰিছে ঠাইখন। ভৌতিক কাহিনীৰে পৰিপূৰ্ণ তাৰ ইতিহাস। সেই ঠাইলৈকে অহাকালি বুধীন যাব। সি অট্টালিকাটোৰ আগচোতালতে জুই একুৰা ধৰিব। বুধীনৰ ভয়লগা মুখখনৰ পৰা মন্ত্ৰ কিছুমান অনৰ্গল নিঃসৃত হ'ব। বুধীন তেতিয়া সাধনাত বহিব। আৰু তেতিয়া সেই নৰকংকালটো ভয়ংকৰ ভাবে জীৱন্ত হৈ উঠিব।

আৰু...

জুইকুৰাৰ চাৰিওকাষে নৰকংকালটোৱে নৃত্য কৰিব। এটা সময়ত যেতিয়া নৰকংকালৰ নৃত্য শেষ হ'ব বুধীনে তেতিয়া সাধনাৰ পৰা সাৰ পাব। বজ্ৰকঠিন স্বৰত সি নৰকংকালটোৰ প্ৰেতাত্মাক আদেশ দিব সাগৰ আৰু মলয়ৰ আত্মাক লৈ আহিবলৈ। আৰু তেতিয়া? তেতিয়া বুধীনে যি ইচ্ছা কৰে সেইমতেই কাম কৰিব পাৰিব। সি হয়তো সাগৰহঁতক দুটা মেকুৰী কৰি থ'ব। অথবা দুটা কুকুৰা বা ছাগলী।

'এতিয়া উপায়?' এইবাৰ সাগৰে সচাঁকৈয়ে ভয় খালে।

'উপায় একো নাই। মতিয়ে যদি আগধৰি গৈ বুধীন ককাইক সৈমান কৰিব পাৰে তেনেহ'লে হয়তো কিবা এটা হ'ব পাৰে। নহ'লে গত্যন্তৰ নাই।'

সাগৰে সময় নষ্ট নকৰিলে। সি তেতিয়াই মায়াক লৈ মলয়ৰ ঘৰ ওলাল।

মলয়ে কথাখিনি শুনি ভীষণ ভয় খালে। সিহঁতে সেই ৰাতিয়ে গৈ মতিক শোৱাৰ পৰা জগালে। মতিৰ ঘৰতে চাৰিও আলোচনাত বহিল। শেষত এইটো ঠিক হ'ল যে মতি আৰু মায়া আগধৰি বুধীনৰ ওচৰলৈ যাব। তাৰপিছত প্ৰয়োজন হ'লে সাগৰ আৰু মলয়ো যাব।

৫

পিছদিনা বেছ উৎকণ্ঠাৰে সাগৰ আৰু মলয়ে দিনটো পাৰ কৰি দিলে। গোটেই দিনটো সিহঁতে একোকে খাব পৰা নাছিল। সাগৰৰ সৰু ঘৰটোৰ বাৰাণ্ডাখনতে দুয়ো জুপুকা মাৰি বহি থাকিল। ৰাতিপুৱা পাৰ হৈ দুপৰীয়া আৰু দুপৰীয়া পাৰ হৈ এতিয়া নিশা হ'ল। ঘড়ীত তেতিয়া নিশা নটা বাজিছিল। সাগৰে ঘড়ীলৈ চোৱা দেখি মলয়ে মাত দিলে 'সাগৰ!'

'হু!' সাগৰে সৰুকৈ সহাঁৰি দিলে।

'এবাৰ যাবি নেকি?'

'ক'লৈ? বুধীনৰ সেই....'

'অ।'

'যাব পাৰো। মোৰ কিন্তু খুব ভয় লাগিছে।'

মলয়ে নিজেও ভয় খাইছিল। তথাপি সি ক'লে 'ধেৎ! কি ভয়নো? মতি আৰু মায়া আছে নহয়, সিহঁতে ইতিমধ্যেই কিবা এটা কৰিছেই ছাগে। আৰু আজিৰ দিনত এইবোৰ অলৌকিক কথা কাণ্ড বিশ্বাস কৰিব লাগেনে?'

সাগৰে প্ৰত্যুত্তৰত একো উত্তৰ নিদি যাবলৈ থিয় হ'ল।

সাগৰৰ মিলিটাৰিৰ পৰা নীলামত কিনা পুৰণা উইলী জীপ এখন আছিল। সেইখনেৰেই দুয়ো সেই জয়াল ঠাইখনলৈ আগবাঢ়িল। নিশাৰ এন্ধাৰ ফালি প্ৰচণ্ড গতিৰে সিহঁতৰ জীপখন আগবাঢ়িছিল। জীপখন চলাইছিল সাগৰে। মলয় তাৰ কাষতে নীৰৱে বহি গৈছিল। বেছ কিছুদূৰ যোৱাৰ পিছত সাগৰে কিছুমান অস্পষ্ট গুণগুণণি শুনা পালে। সাগৰ আচৰিত হ'ল। চলন্ত জীপখনত অকল সি আৰু মলয়। তেনেহ'লে এই গুণগুণণিৰ শব্দ ক'ৰপৰা আহিল? কিছুসময় পিছত সাগৰে মলয়ক কঁপা কঁপা মাতেৰে লাহেকৈ সি শুনা গুণগুণণিৰ শব্দৰ কথা ক'লে। সাগৰে মলয়ৰ পৰা একো সমিধানেই নাপালে। সি এইবাৰ এখন হাতেৰে মলয়ৰ গাটো হেচুকি দিলে। মলয় তথাপিও নিৰ্ব্বিকাৰ হৈ ৰ'ল। সাগৰৰ মনত তেতিয়া কিছুমান

অজান অমঙ্গলীয়া ভাবৰ সঞ্চাৰ হ'ল। এটাসময়ত সাগৰৰ ভাব হ'ল এই অস্পষ্ট গুণগুণণি অইনৰ পৰা নহয়,বৰঞ্চ মলয়ৰ মুখৰ পৰাহে ওলাইছে। সাগৰে মলয়ৰ গাটো জোৰেৰে জোকাৰি দি এইবাৰ সুধিলে 'মলয় ! এই মলয় !! কি হৈছে তোৰ ? তই কথা নকৰ কিয় মলয় ?'

মলয় তেতিয়াও অলৰ অচৰ। সাগৰৰ ভাব হ'ল তাৰ হাত দুখনে যেন যান্ত্ৰিক ভাবে জীপখন চলাই নিছে, তাত যেন তাৰ একো কৰণীয় নাই। সিহঁতৰ জীপখন তেতিয়া গহীন অৰণ্য ভেদি গৈ আছিল। দুয়ো কাষৰ ওখ গছ বিৰিখবোৰ সাগৰৰ একো একোটা দৈত্য যেন অনুভৱ হ'ল। সি মন কৰিলে অৰণ্যখন যেন পাতল হৈ আহিছে! জীপৰ হেডলাইটৰ পোহৰত সাগৰে দূৰৈত একুৰা প্ৰকাণ্ড জুই জ্বলি থকা দেখা পালে। জুইকুৰাৰ লেলিহান শিখাবোৰে যেন সিহঁতকে মাতিব ধৰিছে, সাগৰৰ এনে ভাব উপজিল। সি দেখা জুইকুৰাৰ চাৰিওফালে এটা ভয়লগা পৰিবেশ বিৰাজ কৰিছে। সাগৰে দেখা পালে মায়াই কোৱা বুধীনৰ সেই বীভৎস নৰকংকালটোৱে জুইকুৰাৰ চাৰিওফালে ঘূৰি ঘূৰি নৃত্য কৰিব ধৰিছে।

সাগৰে জীপখন ৰখাবলৈ চেষ্টা কৰিলে। তাৰ শতচেষ্টাৰ মূৰকতো জীপখন নৰ'ল, একে গতিত গৈয়ে থাকিল জীপখন। জীপখন যিমানেই আগবাঢ়ি গৈছে মলয়ৰ মুখৰ গুণ গুণণিবোৰো অধিক স্পষ্ট হৈ আহিব ধৰিলে।

সাগৰে একো কৰিব নোৱাৰি প্ৰস্তৰ মূৰ্ত্তিৰ দৰে নিশ্চল হৈ ৰ'ল।

এটা সময়ত জীপখন জুইকুৰাৰ নিচেই কাষ চাপিল।

এইবাৰ ঠাইখিনিৰ ভৌতিক পৰিবেশটো স্পষ্টকৈ সাগৰৰ চকুত পৰিল। জুইকুৰাৰ এটা ফালে বুধীন ধ্যানমগ্ন হৈ বহি আছে। তাৰ কিছু আঁতৰত মতি আৰু মায়া বহি আছে। জীপখন জুইকুৰাৰ কাষতে স্বয়ংক্ৰিয়ভাৱে ৰৈ যোৱাৰ লগে লগে মায়া আৰু মতিক চিঞৰি মাতিলে সাগৰে।

কিন্তু মতি আৰু মায়া নিৰুত্তৰ, সিহঁতৰ পৰা কোনো প্ৰত্যুত্তৰ নাপালে সাগৰে। সিহঁতৰ ওঠ কঁপি উঠিছিল, কিন্তু এষাৰ কথাও উচ্চাৰিত নহ'ল। মন্ত্ৰৰ অলৌকিক বলত মতি আৰু মায়া তেতিয়া সম্পূৰ্ণৰূপে মোহাচ্ছন্ন হৈ পৰিছিল। সাগৰে জীপৰ পৰা নামি মায়াৰ গাটো লৰাই দিলে। তথাপিও সি একো উত্তৰ নাপালে। সাগৰে লক্ষ্য কৰিলে মতি আৰু মায়াৰ দৃষ্টি তেতিয়া সেই জুইকুৰাতে কেন্দ্ৰীভূত হৈ আছে। সাগৰে সিহঁতৰ দৃষ্টি অনুকৰণ কৰি জুইকুৰালৈ চাই আতংকত শিয়ঁৰি উঠিল। তাৰ প্ৰাণৰ বন্ধু মলয়ে জীপখনৰ পৰা নামি আহি জুইকুৰাৰ

চাৰিওফালে নৰকংকালটোৰ লগত নাচিব ধৰিছে।

সাগৰে মলয় বুলি চিঞৰ এটা মাৰি মলয়ৰ কাষলৈ আগুৱাই গ'ল।

সাগৰৰ হঠাতে খেয়াল হ'ল মায়াই যেন আপ্রান চেষ্টা কৰি কিবা কথা কৈছে! সি কাণপাতি খুব মনোযোগেৰে মায়াৰ কথা শুনিবলৈ চেষ্টা কৰিলে। কিন্তু 'না..যা..বা..' এই শব্দটোৰ বাহিৰে আন একো কথা ধৰিব নোৱাৰিলে সাগৰে। সি মায়াৰ একেবাৰে ওচৰ চাপি গ'ল। মায়াৰ কান্ধত হাত থৈ সাগৰে তাইৰ গাটো প্রচণ্ডভাৱে জোকাৰি দিলে। তাৰপিছত সি উত্তেজিত ভাৱে সুধিলে 'মায়া! এতিয়া আমি কি কৰিম? মলয়ে...'

মায়াৰ ওঠদুখন কিছুসময়ৰ বাবে সামান্য ভাৱে কঁপি উঠিল। খুউব অস্পষ্ট ভাৱে সাগৰে মায়াৰ কথা শুনিবলৈ পালে। মায়াৰ প্রতিটো কথাই বিসংগতিপূর্ণ। সাগৰৰ কাণত পৰিল মায়াই কোৱা কথাখিনি 'সেই তেজখিনি....তেজখিনি...জুইত পেলাই দিয়া.. এতিয়াই জুইত পেলাই দিয়া ..দেৰি নকৰিবা সাগৰ....সোনকালে কৰা.....'

সাগৰৰ চকুত পৰিল বুধীন বহা ঠাই খিনিৰ পৰা তিনিহাতমান আঁতৰত এটা মুণ্ডহীন ক'লা পঠা ছাগলী পৰি আছে। ছাগলীটোৰ ডিঙিৰ পৰা ওলোৱা তেজখিনিয়ে এটা তেজৰ সুঁতিৰ সৃষ্টি কৰিছে। তেজৰ সুঁতিটো অকোৱা পকোৱা বাট এটাৰে গৈ জুইকুৰাৰ লগ লাগিছে। কিছুসময় সেইফালে চাই থাকি সাগৰে পঠা ছাগলীটোৰ ফালে অগ্রসৰ হ'ল। লগে লগে এছাটি বতাহৰ হো হোৱনি সাগৰৰ কাণত পৰিল। নিমিষৰ ভিতৰতে সাগৰৰ চাৰিওফালে তীব্রবেগে বতাহৰ টৌ ব'ব ধৰিলে। সাগৰ ঠাইতে বৈ গ'ল। সি লৰচৰ কৰিব নোৱৰা হ'ল। আপ্রাণ চেষ্টা কৰিও সাগৰে এখোজো দিব নোৱাৰিলে।

মলয়ৰ নৃত্যৰ গতি তেতিয়া চৰম শিখৰত। নাচৰ তালে তালে সি ক্রমশঃ জুইকুৰাৰ কাষ চাপি গৈছিল। ইতিমধ্যে মতিও বহি থকাৰ পৰা উঠি থিয় হৈছিল। সাগৰৰ চকুত পৰিল মতি এজন মন্ত্রমুগ্ধ মানুহৰ দৰে জুইকুৰাৰ ওচৰলৈ খোজ দিবলৈ উপক্রম কৰিছে। সাগৰৰ চকুৰ আগতেই মতি জুইকুৰাৰ নিচেই কাষ চাপি গ'ল। সাগৰে কিংকর্ত্তব্যবিমূঢ় হৈ মায়ালৈ চালে। মায়াৰ মুখখন ভয়তে বিবর্ণ হৈ গৈছিল। তাইৰ ধুনীয়া দেহটো কঁপিব ধৰিলে। মেলখাই থকা লহপহীয়া চুলিখিনিও বতাহতে টৌ খেলিবলৈ আৰম্ভ কৰিলে। সাগৰৰ হৃদয়ত তোলপাৰ লাগিল। তাৰ চকুৰ আগতেই ইতিমধ্যেই তাৰ অতি মৰমৰ বন্ধু মলয় দাউ দাউ কৰি জ্বলিথকা জুইকুৰাৰ

মাজলৈ নাচি নাচি সোমাই গৈছিল। মতিৰো হয়তো খন্তেক পিছতে একে দশা হ'ব।

বুধীন তেতিয়াও ধ্যানমগ্ন হৈয়ে বহি আছে, মুখেৰে অৱশ্যে মন্ত্ৰ এসোপা বিৰবিৰাই আছে। মন্ত্ৰ মতাৰ গতি যিমানেই বাঢ়িছে নৰকংকালটোৰ নাচোনৰ গতিও সিমানেই বাঢ়িব ধৰিলে। সাগৰে উপলব্ধি কৰিলে আৰু মাত্ৰ কেইটামান মুহূৰ্তহে আছে বুধীনৰ মন্ত্ৰ পাঠ শেষ কৰিবলৈ। সি বাচিবলৈ হ'লে এতিয়াই তাৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰিব লাগিব। হঠাতে আহি যোৱা ভাবটোৱে যেন সচাঁকৈয়ে সাগৰৰ মনলৈ আচম্বিতে অযুত হাতীৰ বল আনি দিলে। সি এটা পলো অথলে যাৱ নিদি দেহৰ সমস্ত শক্তি প্ৰয়োগ কৰি খুব কষ্টৰে সোঁ - ভৰিখনেৰে পঠাটোৰ মুণ্ডহীন দেহটোত প্ৰচণ্ড শক্তিৰে গোৰ এটা মাৰি দিলে। পঠাটো উফৰিগৈ জুইকুৰাত পৰিলগৈ। সাগৰে দেখিলে মায়া প্ৰায় লগে লগে প্ৰকৃতিষ্ঠ হৈ পৰিল। তাই একেছাটে বহাৰ পৰা উঠি সাগৰক এহাতেৰে টানিলৈ জীপখনত বহুৱালে। মতি দাস অলপ আগতে জুইকুৰাৰ মাজলৈ সোমাই গৈছিল। তাক সিহঁতে বচাব নোৱাৰিলে।

বুধীন সেইসময়তে মাটিতে হালি পৰিল। তাৰ ওচৰতে নৰকংকালটোও মাটিতে ঢলি পৰিল। জুইকুৰা কিন্তু দাউ দাউ কৰি জ্বলিয়েই থাকিল।

'সাগৰ! এতিয়াই ইয়াৰ পৰা পলাব লাগিব। নহ'লে...'

'কিন্তু ...মলয়হঁত?'

'শেষ হৈ যোৱা কেইজনকলৈ চিন্তা কৰি এতিয়া একো লাভ নাই। এতিয়াই ইয়াৰ পৰা পলাব নোৱাৰিলে আমাৰো বিপদ হ'ব।'

মায়াৰ কথাখিনি সাগৰে দ্ৰুত চিন্তা কৰি চালে। তাৰপিছত সি শেষবাৰৰ বাবে জুইকুৰালৈ চাই পঠিয়ালে। ঠিক চিতাৰ জুইকুৰাৰ দৰে দপদপাই জ্বলি আছিল জুইকুৰা। সেই জুইকুৰা দেখি সাগৰৰ আৰু অলপ সময়ো তাতে ৰৈ থাকিবলৈ মন নগ'ল। মায়াক কাষত বহুৱাই লৈ সি সজোৰে জীপখন চলাই দিলে।

সিহঁত সেই মৃত্যুপুৰীৰ পৰা ক্ৰমশঃ আঁতৰি আহিল।

কিন্তু সাগৰৰ চকুৰ আগত প্ৰিয়বন্ধু মলয় নিঃশ্চিহ্ন হৈ যোৱা জুইকুৰা মূৰ্ত্তিমান বিভীষিকাৰ দৰে জ্বলি থাকিল।

## অলৌকিক সূৰ্য্যৰ সন্ধানত

কোঠাটোৰ পৰিবেশ শান্ত, সমাহিত।

সময় এতিয়া পুৱতি নিশা।

আহল বহল কোঠাটোৰ এমূৰত থকা আৰামী চেয়াৰ এখনত বহি আছে চৌধুৰী ৰিচার্চ চেন্টাৰৰ মূল বিজ্ঞানী ডঃ অবিনাশ চৌধুৰী। তেওঁৰ দৃষ্টি আঁতৰত থকা বিচনাখনত স্থিৰ হৈ আছে। বিচনাখনত তেওঁৰ সহযোগী ৰূপালী দত্ত চিত হৈ শুই আছে।

ৰূপালীৰ কমনীয় মুখখন শেঁতা পৰি গৈছে। বিবৰ্ণ মুখখন শতযুগৰ অবিৰাম শ্ৰমৰ ক্লান্তিয়ে যেন গ্ৰাস কৰি পেলাইছে। ৰূপালীৰ উঠন বুকুখন এবাৰো উঠা নমা কৰা নাই। তাই....

অবিনাশৰ ভাব হ'ল কোঠাটোলৈ কোনোবা এজন যেন সোমাই আহিছে। অবিনাশে মূৰটো পিছ ফালে হলাই চাওঁতে দেখিলে বুঢ়া চকীদাৰ ৰামেশ্বৰ তেওঁৰ কাষতে থিয় হৈ ৰূপালীৰ অজ্ঞান দেহটোলৈ চাই পঠিয়াইছে।

'চাৰ!' অলপ পৰৰ পিছত অবিনাশলৈ চাই ৰামেশ্বৰে সৰুকৈ মাত লগালে।

'হু!'

'ডাক্তৰক মাতিব লাগিছিল। ৰূপালী আইদেৱেচোন এতিয়ালৈকে জ্ঞান ঘূৰাই পোৱা নাই।'

'এই বিলাক চিন্তা কৰা তোৰ কাম নহয়।' অবিনাশে বেছ খঙৰ সুৰেৰে ক'লে।

'কিন্তু....'

'ৰূপালীয়ে সম্পূৰ্ণকৈ জ্ঞান ঘূৰাই পাবলৈ আৰু আধাঘন্টা সময় বাকী আছে। এই আধাঘন্টা সময় তাই এনেকৈয়ে অচেতন হৈ শুই থাকিব।'

ৰামেশ্বৰ ধীৰ খোজেৰে উভতি গৈ দুৱাৰমুখ পাইছিল। তেনেতে অবিনাশে মতা দেখি আকৌ উভতি আহিল। অবিনাশে এইবাৰ অলপ মৰমৰ সুৰেৰে ক'লে 'তই বাহিৰৰ বাৰাণ্ডাতে বহি থাকিবি। ভিতৰলৈ কাকো সোমাই আহিব নিদিবি।'

'আজিজ ৰহমান চাৰ আহিলে?' ৰামেশ্বৰে সুধিলে।

কিবা এষাৰ ক'বলৈ ওলাইয়ো শেষ মূহূৰ্ত্তত অবিনাশে একো নক'লে। নীৰৱে ৰামেশ্বৰৰ মুখলৈ চাই ৰ'ল। নেকোৱাকৈয়ে মাথো ইংগিতেৰেই যেন ৰামেশ্বৰক কিবা বুজাব খুজিলে অবিনাশে।

ৰামেশ্বৰে লাহে লাহে খোজ দি কোঠাটোৰ পৰা ওলাই গ'ল।

অবিনাশে এইবাৰ ঘড়ীটো চালে। নিশা তিনিটা বাজিছে এতিয়া। তাৰমানে ৰূপালীৰ নিথৰ দেহৰ পৰা বিছিন্ন হৈ যোৱা কণমানি অদেহী আত্মা এতিয়াওঁ মহাশূণ্যতে বিচৰন কৰি আছে। অবিনাশৰ সদ্য আৱিস্কৃত যন্ত্রটোৱে সঠিক কাম কৰিলে হয়তো আৰু আধাঘন্টাৰ পিছতে ৰূপালীৰ আত্মা আকৌ আগৰ বন্ধনত সোমাই পৰিব। তেতিয়া ৰূপালীয়ে ক'ব পাৰিব জীৱনৰ চৰম ৰহস্যৰ বহু অজনা কাহিনী। কিন্তু..

একোবাৰ দুশ্চিন্তাই অবিনাশৰ মনটো অস্থিৰ কৰি তোলে। যদি তাৰ যন্ত্রটো শেষমূহূৰ্তত বিফল হৈ যায়! অবিনাশে অজান ভয়ৰ আশংকাত তাৰ পিছৰখিনি আৰু ভাবিব নোৱাৰিলে। চকু দুটা মুদি সি যোৱা নিশাৰ কথা মনত পেলালে।

তেতিয়া ৰিচাৰ্চ চেন্টাৰত ৰূপালী, সি আৰু ৰামেশ্বৰৰ বাহিৰে আৰু অইন কোনো নাছিল। অবিনাশে ৰূপালীক তাৰ কোঠাটোলৈ মতাই নি গহীন স্বৰেৰে ধীৰে ধীৰে কৈছিল 'চোৱা ৰূপালী! মোৰ গৱেষণাৰ ফলাফল সম্বন্ধে সুনিশ্চিত হ'বলৈ মই এটা সাংঘাটিক পৰীক্ষা চলাব লাগিব! নহ'লে হয়তো মই মোৰ যন্ত্রটোৰ ক্ষমতা সম্বন্ধে একোৱেই গম নাপাম।'

'পৰীক্ষাটো কেনেকৈ চলাবা?' ৰূপালীয়ে আগ্রহেৰে সুধিছিল।

অবিনাশে মনে মনে বৈ কিবা ভাবি অৱশেষত ক'লে 'যন্ত্রটোৰ প্লেটখনত

এজন মানুহ শোৱাই দিলে দহ মিনিটতে তেওঁৰ টোপনি আহিব। সেইয়া হ'ব অস্বাভাৱিক টোপনি। কিয়নো মানুহজনৰ দেহৰ পৰা আত্মাটো তেতিয়া বিছিন্ন হৈ পৰিব। সেইদেখি সেই অৱস্থাতো তেওঁ সকলো দেখিব, বুজিব আনকি উপলব্ধিও কৰিব পাৰিব। সেই অভিজ্ঞতাখিনি তেওঁ জ্ঞান ঘূৰাই পোৱাৰ পিছত ক'ব পাৰিব।'

'আৰু যদি জ্ঞান ঘূৰাই নাপাই?' ৰূপালীয়ে সুধিছিল।

'তাৰমানে তুমি সন্দেহ কৰিছা?'

'নাই.. নাই.. সন্দেহ আকৌ কিয় কৰিম? আচ্ছা! পৰীক্ষাটো কাক লৈ চলাবা?'

'মই ভাবিছো তোমাক....'

'কি?' ৰূপালী আচৰিত হৈছিল। তাইৰ কমনীয় মুখখনৰ কপালত চিন্তাৰ ৰেখা কিছুমান ততালিকে গোট খাইছিল। অবিনাশে এইবাৰ ৰূপালীৰ মুখলৈ নোচোৱাকৈ সুধিছিল 'তোমাৰ আপত্তি আছে নেকি?'

'মানে..'সেপ এটা ঢুকি ৰূপালীয়ে কোনোৰকমে কৈছিল 'আজিজক নোসোধাকৈ....'

'আজিজক ভাল পালা বুলিয়েই সকলো কথা আজিজক সুধিব লাগে নেকি?' অবিনাশে ভেকাহী মাৰি কৈছিল। সেই ভেকাহীটোতে ৰূপালীৰ সমস্ত আপত্তি আৰু অনিচ্ছা উটি ভাঁহি গৈছিল। ৰূপালীয়ে তাৰপিছত নীৰৱে যন্ত্ৰটোৰ প্লেটখনত শুই পৰিছিল।

অবিনাশে আকৌ ঘড়ীটো চালে। আৰু মাত্ৰ কেইটামান মিনিটহে আছে।

২

'ৰূপালী!'

'হু?'

'কেনে পাইছা এতিয়া?'

'ভালেই।'

'কিবা খাবা?'

'পানী এগিলাচ দিলেই হ'ব।'

অবিনাশ ৰূপালীৰ কাষৰ পৰা উঠি গৈ কোঠাটোৰ দাঁতিত থকা টেবুল

এখনৰ কাষ পালে। টেবুলখনত থকা ফ্লাস্ক এটাত গাখীৰ অকণমানো আছিল। অবিনাশে গাখীৰ কাপ আনি ৰূপালীক দিলেহি। ৰূপালীয়ে বিচনাখনতে বহি লৈ গাখীৰ কাপ লাহে লাহে পীব ধৰিলে।

অবিনাশৰ কৌতুহলে তেতিয়া চৰম সীমা পাইছিল।

সিযে এতিয়া বিশ্বৰ এজন অদ্বিতীয় বিজ্ঞানী, অন্ততঃ এটা দিশত।

'ৰূপালী!' অবিনাশে এইবাৰ মাত লগালে।

ৰূপালীৰ খোৱা শেষ হৈছিল। গিলাচটো বিছনাৰ কাষৰ টেবুলখনত থৈ ৰূপালীয়ে শেঁতাকৈ হাঁহি অবিনাশলৈ চাই ক'লে 'তোমাৰ এতিয়া খুউব কৌতুহল হৈছে, নহয়নে? হ'বই। তুমি এতিয়া এজন মহান বিজ্ঞানী। কিন্তু ইয়াৰ পৰা লাভেই বা হ'ব কি?'

'ৰূপালী!'

অবিনাশে আৰু কিবা ক'ব ওলাইছিল যদিও নোকোৱাকৈ থাকিল। কিন্তু অবিনাশৰ অব্যক্ত কথাখিনি ৰূপালীয়ে অনুমানতে ধৰিব পাৰিছিল। তাই বিছনাখনত আঁউজি চকুহাল মুদি ক্ষীণ স্বৰেৰে কৈ যাব ধৰিলে 'প্ৰথমে মোৰ চকুহাল আপোনা আপুনি জাপখাই আহিছিল। কিছুসময়লৈ সান মিহলি চিন্তা কিছুমানে মনটো জুমুৰি দি ধৰিছিল। অৱশ্যে অলপ সময়ৰ পিছতে মনটো পাতল যেন লাগিছিল। বহুদূৰৈৰ পৰা এক অচিনাকী শব্দৰ ক্ষীণধ্বনি ভাঁহি আহিছিল। তেতিয়া মই যেন বেছ উৎফুল্ল হৈ পৰিলো। এটা সময়ত সেই ধ্বনি কোনোবা প্ৰান্তত বিলীন হৈ গ'ল। লগে লগে শুনিছিলো প্ৰবল ধুমুহাৰ হো হোৱনিৰ শব্দ। মাজে মাজে শত সহস্ৰ লোকৰো আৰ্তনাদ কাণত পৰিছিল। এবাৰ কোনোবা চিনাকী কণ্ঠই কিৰিলিয়াই দিয়াও শুনিছিলো।'

'তুমি কিবা দেখা পাইছিলা?' অবিনাশে এইবাৰ অধীৰ আগ্ৰহেৰে সুধিলে।

ৰূপালীয়ে মুৰ জোকাৰিলে। ক'লে 'ওহো। মই একোকে দেখা পোৱা নাছিলো। মাত্ৰ শুনা পাইছিলো কিছুমান অলৌকিক আৰু অৰ্থহীন শব্দ।'

'তেনেহ'লে ইয়াৰ অৰ্থ এটাই হ'ব।'

'কি?' ৰূপালীয়ে সুধিলে।

'মোৰ যন্ত্ৰটোৰ খুঁট এটা ৰৈ গ'ল।' অবিনাশে হতাশাৰ সুৰেৰে ক'লে।

'তোমাৰ যন্ত্ৰটোৰ ক'তো খুট নাই। মাথো ইয়াৰ ক্ষমতাৰ এটা সীমা

আছে। এই সীমা পাৰ হৈ ই কাম কৰিব পৰাটো অসম্ভৱ।'

'তাৰমানে মোৰ গৱেষণা ইমানতে শেষ কৰিব লাগিব।'

ৰূপালীৰ ওঠত হাঁহিৰ ৰেখা এডাল বিৰিঙিল। ৰূপালীয়ে ক'লে 'জীয়াই থকা মানুহৰ আত্মা এটা বন্ধনত থাকে। সেইটো তুমি ইতিমধ্যে গম পাই থৈছা। মৃত্যুৰ সময়তহে আত্মাটো স্বয়ংক্ৰিয়ভাৱে এই বান্ধোন চিঙি অলৌকিক প্ৰান্তলৈ গুছি যায়। তেতিয়াহে...'

'কিন্তু মৃত আত্মাৰ নিয়ন্ত্ৰণ কৰাটো সহজ নহয়।'

'সদ্য মৃতৰ?' সুধিলে ৰূপালীয়ে।

অবিনাশে উত্তৰটো নিদি বহুপৰলৈ কিবা কিবি ভাবি ৰ'ল।

৩

সেইদিনাখনৰ পৰা ৰূপালীজনীৰ আগৰ ৰাংঢালী স্বভাৱটো হঠাতে নাইকিয়া হৈ গৈছিল। সকলো সময়তে ৰূপালী নীৰৱে এচুকত বহি আকাশলৈ চাই থকা হ'ল। আজিজৰ সংস্পৰ্শও তাই এৰাই ফুৰিব ধৰা হ'ল।

আগতে এনেকুৱা নহৈছিল।

চৌধুৰী ৰিচাৰ্চ চেন্টাৰৰ মূল বিজ্ঞানী তিনিজন।

অবিনাশ, ৰূপালী আৰু আজিজ।

অবিনাশ প্ৰতিষ্ঠানটোৰ গৰাকী। গতিকে স্বাভাৱিকতে তিনিজনৰ মাজৰ সম্পৰ্ক একে ধৰনৰ নাছিল। ৰূপালী আৰু আজিজে অবিনাশক তুমি বুলিয়েই মাতিছিল যিহেতু তিনিও একেলগেই পঢ়া। তথাপিও আজিজ আৰু ৰূপালীৰ আচৰণত অবিনাশৰ প্ৰতি সমীহৰ ভাব এটা ফুটি উঠিছিল। কিন্তু ৰূপালী আৰু আজিজৰ মাজত সম্পৰ্কটো অন্যধৰনৰ হৈছিল। সিহঁতৰ মাজত থকা নিবিড়তাৰ পৰিচয় সকলোৰে গম পাইছিল, বুজিছিল এদিন হয়তো সিহঁতৰ সম্পৰ্কই বিয়াৰ ৰূপ ল'ব। কিন্তু....

আজিজে ৰূপালীক চিনেমা চাবলৈ লগ ধৰিলে। আগতেও আজিজৰ লগত ৰূপালীয়ে কেইবাদিনো চিনেমা চাইছিল। কিন্তু আজি ৰূপালীয়ে একে আষাৰতে নাযাওঁ বুলি কৈ দিলে। আজিজ হতভম্ব হ'ল। বোধকৰো সকলোৰে আগত ৰূপালীয়ে তেনেদৰে কৈ দিয়াৰ বাবে সি লাজ পালে। মুখেৰে অস্ফুটভাবে কিবা এষাৰ বিৰবিৰাই আজিজ দীঘল দীঘল খোজ দি সেইখিনিৰ পৰা আঁতৰি গ'ল।

সৰু ঘটনাটো অবিনাশৰ কাণতো পৰিল। সি ৰূপালীক তাৰ ওচৰলৈ মাতি নিলে। ৰূপালী অবিনাশৰ কোঠাৰ চকী এখনত নীৰৱেই বহি ল'লে। তাইৰ মুখত শুকান হাঁহি এটা। চুলিকোচাও ঠায়ে ঠায়ে বিশৃংখল হৈ পৰিছিল। আৰু বুকুৰ চাদৰখন...

'ৰূপালী!' অবিনাশে মৰমেৰে মাত দিলে।

'কি?'

'তোমাৰ বহু পৰিবৰ্ত্তন হ'ল।'

ৰূপালীয়ে অবিনাশৰ চকুৰে চকুৰে চাই সুধিলে 'কেনেকুৱা পৰিবৰ্ত্তন হোৱা দেখা পালা?'

'তোমাৰ চালচলন, কথা কোৱাৰ ভংগী এইবিলাকৰ যথেষ্ট পৰিবৰ্ত্তন হ'ল। আগতে তুমি ৰাংঢালী আছিলা। অনবৰতে তোমাৰ মুখত হাঁহি এটা থাকেই। কিন্তু এতিয়া....'

'এতিয়াও মই একেই আছো।' ৰূপালীয়ে দুৰ্ব্বল কণ্ঠেৰে ক'লে।

'তেন্তে আজিজৰ সৈতে আজি চিনেমা চাবলৈ নগ'লা কিয়? আগেয়ে আজিজৰ সৈতে চিমেনা চাবলৈ তুমিয়েতো উত্ৰাৱল হৈ থাকা।'

'আজি অকনো ইচ্ছা নগ'ল।'

'কিন্তু কিয়?' অবিনাশে সুধিলে

'এনেয়ে।' ৰূপালীয়ে চমুকৈ কৈ থ'লে।

অবিনাশে আৰু কিবা সুধিব খুজিছিল। নুসুধিলে। ৰূপালী তেতিয়া বহাৰ পৰা উঠি খিৰিকিখনৰ কাষলৈ গৈ বাহিৰৰ আকাশখনলৈ চাব ধৰিলে। অলপপিছত আকৌ উভতি আহি চকীখনত বহি ল'লে। এইবাৰ হাতদুখনেৰে মুখখন ঢাকিলৈ ৰূপালীয়ে হঠাতে হুকহুকাই কান্দিব ধৰিলে। অবিনাশ আচৰিত হ'ল। সি নিজৰ বহা চকীখনৰ পৰা উঠি ৰূপালীৰ কাষত থিয় হ'ল। এইবাৰ সি কেতিয়াওঁ নকৰা কাম এটা কৰি পেলালে। সি ৰূপালীৰ চুলিকোচাত হাতফুলাই দিব ধৰিলে। তাক আচৰিত কৰি ৰূপালীয়ে কোনো বাধাই নিদিলে। লাহে লাহে ৰূপালীৰ কান্দোন উচুপনিত পৰিণত হ'ল। অবিনাশে এইবাৰ মৰমেৰে সুধিলে 'কি হ'ল ৰূপালী?'

'আজিজ ....'

'আজিজৰ কি?'

ৰূপালীয়ে সম্পূৰ্ণকৈ কথাখিনি ক'ব নোৱাৰিলে। তাই আকৌ উচুপি উঠিল। কিছুসময়ৰ পিছত ৰূপালীয়ে অস্ফুট স্বৰেৰে ক'ব ধৰিলে 'আজিজ ..আজিজ মৰিব ..... সোনকালে মৰিব... মই জানো....'

'কি কথা কৈছা তুমি ৰূপালী? আজিজ কিয় মৰিব? তুমি আজিজ মৰিব বুলি কেনেকৈ গম পালা? আজিজৰ স্বাস্থ্য ভাল, বেমাৰ আজাৰো একো নাই। তেনেস্থলত....'

'আজিজ মৰিবই। চাই থকা। মই জানো। মই গম পাইছিলো। কোনোবাই যেন মোক সেইদিনা সেইবুলি কৈছিল এই ভাবটোৱেই অহৰহ মোৰ মনত খেলাই আছে।'

অবিনাশে একো নক'লে। সিয়ো খিৰিকিখনৰ মুক্তফাকেৰে দূৰ দিগন্তলৈ চাই পঠিয়ালে। হয়তো সি অনুতপ্ত হৈছিল। সি ৰূপালী আৰু আজিজৰ কথাকে ভাবিছিল। ভাবিছিল তাৰ গৱেষণাৰ কথা। সি সীমাহীন কৌতুহলেৰে জানিবলৈ বাট চাই আছে মৃত্যুৰ পিছৰ জীৱনৰ কথা। ভ্ৰাম্যমান আত্মাৰ অতৃপ্ত বেদনাৰ কথা। সি কেতিয়াও ভাবিব পৰা নাছিল তাৰ গৱেষণাৰ পৰিণতিত আজিজ আৰু ৰূপালীৰ সম্পৰ্কত ফাট মেলিব।

হঠাতে কোঠাটোলৈ ৰামেশ্বৰ উধাতু খাই সোমাই আহিল।

'তোৰ আকৌ কি হ'ল?' অবিনাশে সুধিলে।

ৰামেশ্বৰ ফোপাইছিল। ঘন ঘন কৈ উশাহ লৈ সি কোনোমতে ক'লে 'এক্সিডেন্ট হ'ল।'

'কাৰ?'

'ৰহমান চাৰৰ।'

'কোন ৰহমান? আমাৰ....'

'হয় ...আজিজ ৰহমান চাৰক সেই পাহৰীয়া কেঁকুৰীটোতে ট্ৰাক এখনে খুন্দিয়াই দিলে। চাৰৰ মূৰটো ফাটি গৈছে। ইমানপৰে হয়তো ...'

'কি?' অবিনাশে সজোৰে চিঞৰি দি ৰূপালীলৈ চালে। ৰূপালীৰ মুখৰ অভিব্যক্তিত কোনো ভাবান্তৰ নাই। তাই নিৰ্বিকাৰ হৈ শান্ত স্বৰেৰে ক'লে 'এটা সুযোগ আহিছে অবিনাশ! এটা দুলৰ্ভ সুযোগ।'

অবিনাশে নিথৰ হৈ ৰূপালীলৈ চাই ৰ'ল, একো নক'লে।

৪

কেঁকুৰীটো ঠেক।

বাওঁফালে পাহাৰ। সোঁ-ফালটো তললৈ নামি গৈছে, বেছ দ আৰু থিয়।

কেঁকুৰীটোত তেতিয়া কিছুমানুহে জুম বান্ধিছে। সৰহখিনিয়ে অৰশ্যে চৌধুৰী ৰিচাৰ্চ চেন্টাৰৰে কৰ্মচাৰী।

ৰূপালীয়ে একেথিৰে পথৰ কাষতে পৰি থকা আজিজৰ ৰক্তাক্ত মৃতদেহটো চাই ৰ'ল। তাইৰ দুচকুৰ পৰা তপত চকুলো বৈ গৈ টোপাটোপে মৃতদেহৰ ওপৰত পৰা দেখি অবিনাশে ৰামেশ্বৰৰ হতুৱাই ৰূপালীক ৰিচাৰ্চ চেন্টাৰলৈ পঠিয়াই দিলে।

'ৰহমানৰ ঘৰত খবৰ দিয়া হ'লনে?' ৰূপালী যোৱাৰ পিছত অবিনাশে সুধিলে।

'দিয়া হ'ল চাৰ। দেউতাক পাবহি লাগে।'

'পুলিচক খবৰ দিয়া হ'ল নেকি?'

'নাই হোৱা চাৰ। খবৰ দিম নেকি?'

'নালাগে। দেউতাক আহি লওঁক।' অবিনাশে নিম্নস্বৰেৰে ক'লে। সি উপলব্ধি কৰিলে তাৰ অন্তৰাত্মাৰ শোকৰ ঢৌ যেন হঠাতে নিস্প্ৰভ হৈ গ'ল। সি এটা কথা গভীৰ ভাবে চিন্তা কৰি চালে। এনেকুৱা সুযোগ আৰু দুনাই পোৱা নাযাব। এনেকুৱা সদ্যমৃত চিনাকী মানুহ এজনৰ মৃতদেহ চব্বিশ ঘন্টাৰ ভিতৰত পালে সি গৱেষণাত সফল হ'বই। এই সুযোগটো কোনোপধ্যেই অথলে যাব দিব নোৱাৰি।

অবিনাশে কিবা এষাৰ ক'ব ওলাইছিল। ঠিক তেনেতেই আজিজৰ বৃদ্ধ পিতৃ সেইখিনি পোৱা দেখি সি একো নক'লে। নীৰৱেই কিছুসময় ৰৈ এটা সময়ত আজিজৰ পিতৃৰ কাষ চাপি সি মাত লগালে 'আব্বাজান!'

বৃদ্ধ ৰহমানে শোকাভিভুত দৃষ্টিৰে অবিনাশলৈ চালে।

'এতিয়া জানো এনেকৈ কান্দি থাকিলে কিবা লাভ হ'ব?'

বৃদ্ধ ৰহমানে অবিনাশলৈ চালে । অবিনাশে ক'বলৈ আৰম্ভ কৰিলে 'বেজাৰটো লাগিবই। তথাপিও ধৈৰ্য্য ধৰিব লাগিব। পুলিচৰ কবলৰ পৰা মৃতদেহটো ঘূৰি নহালৈকে....'

অবিনাশে যি আশা কৰিছিল সেইয়াই হ'ল। পুলিচৰ কথা শুনিয়েই

ৰহমান গৰ্জি উঠিল। প্ৰাণপ্ৰতিম পুত্ৰৰ মৃতদেহ এতিয়া টুকুৰা টুকুৰি কৰি কাটি পৰীক্ষা কৰিবলৈ তেওঁ এৰি দিব নোৱাৰে। তেওঁ লগে লগে মৃতদেহটো ঘৰলৈ লৈ গ'ল। কবৰস্থানলৈকো যথেষ্ট সোনকালেই নিলে মৃতদেহটো। কবৰস্থানৰ পৰা ওভতি আহিহে তেওঁ কিছু শান্ত হৈছিল। অবিনাশে প্ৰতিটো কামতে সহায় কৰিছিল। তাৰ মুখত এটা নিৰ্ব্বিকাৰ আৰু ভাবলেশহীন অভিব্যক্তি। কবৰত শেষ চপৰা মাটি দিয়াৰ মুহূৰ্তত খন্তেকলৈ সি যেন চঞ্চল হৈ পৰিছিল। পিছৰ পলকতে নিজকে সি চম্ভালি ল'লে। এইবাৰ সি পোনে পোনে ৰিৰ্চাচ চেন্টাৰলৈ ঘূৰি আহিল। ৰূপালী তেতিয়া বহল ইজি চেয়াৰ এখনত বহি আছিল। খিৰিকিখনৰ ফাঁকেৰে আকাশৰ শুভ্ৰ মেঘবোৰলৈ চাই তাই অন্যমনস্ক হৈ আছিল। সেয়েহে অবিনাশক দেখাৰ লগে লগে ৰূপালী সচকিত হৈ উঠি ক'লে 'মই অইন কোনোবা অহা বুলিহে ভাবিছিলো।'

'কোন বুলি ভাবিছিলা?' ৰূপালীৰ কাষতে চকী এখনত বহি লৈ অবিনাশে সুধিলে।

ৰূপালীয়ে একো নক'লে।

তাইৰ মুখখন আকৌ কান্দোনমুৱা হ'ল।

'ৰূপালী!'

ৰূপালীয়ে একো উত্তৰ নিদিলে। তাই ক'বলৈ কোনো উত্তৰ বিচাৰি নাপালে।

'ৰূপালী! বেজাৰ কৰি নাথাকিবা। আজিজৰ সান্নিধ্য আকৌ এবাৰ পাবা।'

ৰূপালীয়ে এইবাৰো একো নক'লে যদিও অবিনাশলৈ একেথিৰে চাই ৰ'ল।

'আজি নিশা ওলাবা।' অবিনাশে ফুচফুচাই ক'লে।

৫

চাৰিওফালে নিশাৰ কুহেলিকাময় অন্ধকাৰ।

কবৰস্থানৰ মায়াবী নিশা যেন আৰু বেছি ৰহস্যময়ী হৈ উঠিছে। নিশাৰ কবৰস্থানত তেতিয়া এক অসহ্যকৰ পৰিবেশ।

ৰূপালীৰ ভয় লাগিল। তাই অবিনাশৰ বাওঁহাতখনত খামুচি ধৰিলে। অবিনাশে চাৰিওফালে চাই অনুচ্চ কণ্ঠেৰে ক'লে 'আৰু অলপ দূৰ যাব লাগিব।'

'কবৰটো চিনি পাবাতো?'

'পাম।'

অবিনাশে উত্তৰটো দি খুপি খুপি আগবাঢ়ি গৈ এটা সময়ত ৰৈ গ'ল। পকেটৰ পৰা কণমানি টৰ্চটো উলিয়াই লৈ চাৰিওফালে চকু ফুৰালে। তাৰপিছত ৰূপালীক কিবা এষাৰ কৈ কান্ধৰ থকা বেগটো নমাই মাটিত থ'লে। বেগটোৰ পৰা কোডাল এখন উলিয়াই কবৰৰ মাটি এচপৰা এচপৰাকৈ খান্দি যাব ধৰিলে। আজি যেন অবিনাশৰ শৰীৰত অফুৰন্ত শক্তি গোট খাইছে। প্ৰায় আধামন্টামান এপলকো নৰৈ কবৰৰ মাটি খান্দি এটা সময়ত ৰৈ গ'ল। ঠিক সেইসময়তেই ৰূপালী অবিনাশৰ ওচৰলৈ আহি মাত দিলে 'অবিনাশ!'

'কি হ'ল ৰূপালী?' অবিনাশে সুধিলে।

'অলপ আঁতৰত কিবা এটা লৰি চৰি আছে। চোৱাচোন এবাৰ।'

অবিনাশে ৰূপালীয়ে দেখুৱাই দিয়া দিশলৈ চাই পঠিয়ালে। কিন্তু সি একো দেখা নাপালে।

'একো নাই দেখোন। তুমি কিবা দেখিছিলা নেকি?'

'পাইছিলো। গৰু বা ছাগলী যেন লাগিছিল। আমালৈ যেন একেথিৰে চাই আছিল।'

'তাৰপিছত?'

'তুমি চোৱাৰ লগে লগে আঁতৰি গ'ল।'

অবিনাশে হুমুনিয়াহ এটা পেলালে।

ইয়াৰ পিছত সি খৰখেদাকৈ শটো কবৰৰ পৰা উলিয়াই আনিলে। ৰূপালীক এটা মূৰ ধৰিব কৈ সি শটোৰ আনটো মূৰ ধৰিলে। এইবাৰ বেগটোত কোডালখন ভৰাই সি ৰূপালীক আগবাঢ়িব ক'লে। ৰূপালীয়ে যেন অবিনাশৰ ইংগিতলৈকে বাট চাই আছিল। তাই শটো এহাতেৰে ধৰি আগবাঢ়িব ধৰিলে। সিহঁত অহা এম্বেচাডৰ গাড়ীখন কবৰস্থানৰ গেটৰ মুখতে আছিল। গাড়ীৰ ডিকিত শটো ভৰাই অবিনাশে এবাৰ পিছলৈ ঘূৰি চালে। অবিনাশে এইবাৰ ভয় খালে। এটা যেন টৰ্চৰ পোহৰ আজিজৰ কবৰস্থানৰ ওচৰত সি দেখা পালে!! অবিনাশে আৰু খন্তেক সময়ো পলম নকৰিলে।

৬

ৰিচাৰ্চ চেন্টাৰত তেতিয়া কোনো নাছিল। সন্মুখৰ দৰ্জ্জাখনত তলা এটা ওলমি আছিল । গাড়ীখন পৰ্চত ৰখাই অবিনাশে প্ৰথমে দৰ্জ্জাৰ তলাটো খুলি ল'লে। চাবি এপাট তাৰ লগত সদায়ে থাকেই। সন্মুখৰ বাৰাণ্ডাখনৰ লাইটৰ বাল্বটো অবিনাশে এইবাৰ নুমুৱাই ল'লে। ইয়াৰ পিছত ৰূপালীৰ সৈতে সি মৰাশটো ভিতৰলৈ লৈ গ'ল। যাওঁতে দৰ্জ্জাখন ভিতৰৰ পৰা বন্ধ কৰি যাবলৈ নাপাহৰিলে। আজিজৰ মৃতদেহটো তাৰ সদ্য আৱিস্কৃত মেচিনটোৰ টেবুলখনত থৈ সি কোঠাৰ লাইটৰ বাল্বটো জ্বলাই দি ৰূপালীলৈ চালে। ৰূপালীয়ে তেতিয়া খিৰিকিৰ কাষত থিয় হৈ পৰ্দ্দাখন ফাঁক কৰি আকাশলৈ একমনে চাব ধৰা দেখি অবিনাশে অকলেই কামখিনি শেষ কৰিলে।

'ৰূপালী!' অৱশেষত ৰূপালীৰ কাষলৈ গৈ অবিনাশে মাত লগালে।

ৰূপালীয়ে যন্ত্ৰচালিতৰ দৰে অবিনাশৰ ফাললৈ মুখখন ঘূৰালে।

'মোৰ প্ৰাথমিক কামখিনি শেষ হ'ল। এতিয়া আৰম্ভ কৰিব পাৰো।'

ৰূপালীয়ে একো নক'লে। তাই আজিজৰ মৃতদেহটোলৈ চাই মাথো হুমুনিয়াহ এটাহে এৰিলে। অবিনাশে ৰূপালীৰ কাষৰ পৰা আঁতৰি আহি ডিচপ্লে বৰ্ডখনৰ সন্মুখত বহি ল'লে । কী বৰ্ডত থকা চুইচ কেইটা অন কৰি সি কোঠাটোৰ সম্পূৰ্ণ মৌনতাৰ আলম লৈ এইবাৰ শুনিব খুজিলে অশৰীৰি আত্মাৰ কলৰৱ। অবিনাশ কিন্তু বিফল হ'ল। সি একো শুনা নাপালে। অবিনাশে ৰূপালীলৈ চালে। ৰূপালী তেতিয়া তন্ময় হৈ আজিজৰ মৃতদেহটোলৈ চাই আছিল। হঠাতে ৰূপালী খৰখোজেৰে অবিনাশৰ কাষ চাপি আহিল।

'কি হ'ল?' অবিনাশে সুধিলে।

'অনুভৱ কৰা নাই?'

'কি?'

'কোঠাটোত যেন এক বিশেষ ধৰনৰ বতাহ ব'ব ধৰিছে।'

অবিনাশে চাৰিওফালে মূৰ ঘূৰালে। হয়, ৰূপালীৰ কথা সচাঁ। অবিনাশে এইবাৰ হেডফোনটো পিন্ধি ল'লে। কী বৰ্ডখনৰ নীলা চুইচ এটা টিপি মাত দিলে 'ৰূপালী!'

'লাইটটো নুমুৱাই দিওঁনে?' ৰূপালীয়ে সুধিলে।

'দিয়া। লগতে মনিটৰখনো এলাৰ্ট কৰি দিয়া।'

ৰূপালীয়ে আধামিনিটৰ ভিতৰতে কামখিনি শেষ কৰিলে। মনিটৰখনৰ বগা পোহৰকণৰ বাহিৰে কোঠাটো এতিয়া অন্ধকাৰ। সময়ো নীৰৱে আগবাঢ়ি গৈছে। এমিনিট, দুইমিনিট কৈ দহমিনিট স্বাভাৱিক গতিৰেই পাৰ হৈ গ'ল। কিন্তু একাদশ মিনিটত মনিটৰখনত সেউজবুলীয়া পোহৰৰ ক্ষীণৰেখা এডাল বিৰিঙি উঠিল। পিছৰ ছেকেণ্ডত পোহৰৰ ৰেখাডালে দীঘলীয়া আকৃতি ল'লে। অবিনাশে মনিটৰখনলৈ অপলকনেত্ৰে চাই সন্মোহিত হৈ মাত দিলে 'আ...জি...জ...'

কিছুসময়ৰ পিছত অবিনাশে আজিজৰ অনুচ্চ কণ্ঠৰ দুৰ্ব্বল সঁহাৰি শুনা পালে। আজিৰৰ কণ্ঠস্বৰ যেন আগতকৈয়ো মিহি হৈছে, অবিনাশৰ এনে ভাব হ'ল।

'মই কোন ধৰিব পাৰিছা?' অবিনাশে সুধিলে।

'পাৰিছো। কিন্তু মোক ইমানকৈ কষ্ট দিছা কিয়?' আজিজৰ অশৰীৰি কণ্ঠস্বৰ অবিনাশে শুনা পালে ।

'কিহৰ কষ্টৰ কথা কৈছা তুমি?'

'তুমি বুজি নাপাবা। ৰূপালীয়ে বুজি পাব কিজানি।'

'ৰূপালীলৈ মনত পৰে?' অবিনাশে এইবাৰ সুধিলে।

পোহৰৰ সেউজীয়া ৰেখাডাল কঁপি উঠিল। কিন্তু খন্তেক পিছতে আকৌ সুস্থিৰ হ'ল। অবিনাশে এইবাৰ শুনা পালে আজিজৰ কণ্ঠস্বৰ 'ৰূপালীলৈ কিয় মনত নপৰিব? কিন্তু মনত ৰাখিয়েইবা এতিয়া কি লাভ হ'ব? মনত পৰিলেও এতিয়া মোৰ কোনো দুখ নালাগে। মই যে এতিয়া মায়াৰ বাহিৰত।'

'কৈ যোৱা।'

'সেইকাৰণেই নেকি বহু কথাই মই এতিয়া পাহৰি গৈছো। পাহৰি গৈছো বহুদিনৰ আগৰ কথাবোৰ। মনত আছে মোৰ মৃত্যুৰ কথা। মোৰ মৃত্যুৰ পিছত তোমালোক আটাইয়ে কান্দিব ধৰা দেখি মোৰো দুখ লাগিছিল। পৃথিৱীৰ লৌকিক মায়া এৰি যাব লগা হোৱা কাৰণে প্ৰচণ্ড ক্ষোভ উপজিছিল। কিন্তু মোক কবৰ দিয়াৰ পাছতেই যেন মই মুক্তি পাইছিলো। অশৰীৰি হৈ তোমালোকৰ মাজত প্ৰচণ্ড যন্ত্ৰনাৰে ঘূৰি ফুৰাৰ পৰা মই এইবাৰ মুক্তি পালো। লগ পালো ....'

'কাক লগ পালা?' অবিনাশে উত্তেজিত ভাৱে সুধিলে।

'বহুতকে লগ পাইছিলো। চিনাকী অচিনাকী, আত্মীয় অনাত্মীয় বহুতকে লগ পালো। আমাৰ সকলোৰে এতিয়া এটাই পৰিচয়। লক্ষ্যও এটাই। এদিন

তোমাৰো একেটাই লক্ষ্য হ'ব।'

অবিনাশে একো নামাতিলে, সি নীৰৱেই শুনি গ'ল।

'শত সহস্ৰ দূৰৈত এটা প্ৰকাণ্ড সূৰ্য্য আছে। সেই অলৌকিক সূৰ্য্যটোত উত্তাপ নাই। আছে সুবিমল পোহৰ। সেই অলৌকিক সূৰ্য্যৰ সান্নিধ্য নোপোৱালৈকে আমি এনেকৈয়ে যাযাৱৰ হৈ ভ্ৰমি ফুৰিব লাগিব।'

'সেইয়াই ঈশ্বৰ নেকি?' অবিনাশে সুধিলে।

'মই ক'ব নোৱাৰো। মই এতিয়া খুব কষ্ট পাইছো অবিনাশ! ভীষণ কষ্ট পাইছো ....'

শেষলৈ আজিজৰ অশৰীৰি কণ্ঠস্বৰ কঁপি উঠিছিল।

অবিনাশে সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি আৰু কিবা সুধিব খুজিছিল, কিন্তু ৰূপালীয়ে নিদিলে। তাই জোৰ কৰি কী বৰ্ডৰ ৰঙা চুইচ এটা টিপি দিলে। লগে লগে মনিটৰৰ সেউজীয়া পোহৰৰ ৰেখাডাল পাতল হৈ আহি এটা সময়ত সমূলঞ্চে নিঃশেষ হৈ গ'ল ।

অবিনাশে এইবাৰ ফোঁপাব ধৰিলে। ৰূপালীয়ে লাইটতো জ্বলাই দি অবিনাশৰ বুকুখন পিহি দিলে। অবিনাশে পৰিতৃপ্তিত চকুহাল মুদি দিলে। অবিনাশে হয়তো তেনেকৈয়ে কিছুসময় বহি থাকি এটাসময়ত ৰূপালীক আৱেগেৰে সাৱতি ধৰিলেহেঁতেন। হয়তো অনিচ্ছাস্বত্বেও ৰূপালীয়ে অবিনাশক কিছুসময়লৈ হ'লেও প্ৰশ্ৰয় দিলেহেঁতেন। কিন্তু হঠাতে দৰ্জ্জাখনত কোনোবাই ঢকিয়াই দিয়াত অবিনাশৰ আৱেগৰ মূৰ্চনা ভাঙি চুৰমাৰ হৈ গ'ল। খপজপাই উঠি ঠিয় হ'ল অবিনাশ। ৰূপালীয়ে কাপোৰ এখন আনি আজিজৰ মৃতদেহটো ঢাকি দিলে। অবিনাশে অস্থিৰ খোজেৰে দৰ্জ্জাখনৰ ওচৰ চাপি গ'ল। সি সুধিলে 'কোন?'

'মই।' বাহিৰৰ পৰা কাৰোবাৰ অচিন কণ্ঠস্বৰ ভাঁহি আহিল।

মাতটো কাৰ ধৰিব নোৱাৰি অবিনাশে আকৌ সুধিলে 'কোন মই?'

'আগতে দৰ্জ্জাখন খোলকছোন।'

অবিনাশে কিছুসময় চিন্তা কৰি চালে। পিছত দৰ্জ্জাখন খুলি দিলে। লগে লগে পুলিচ ইন্সপেক্টৰ এজন কোঠাটোলৈ সোমাই আহিল। অবিনাশৰ মুখখন শেঁতা পৰি গ'ল। ৰূপালীৰ বুকুখন ধান বনাদি বানিব ধৰিলে।

পুলিচ ইন্সপেক্টৰজনে কোঠাটোৰ পৰিবেশটো ওপৰে ওপৰে এবাৰ

চকু ফুৰালে। আজিজৰ ঢাকি থোৱা মৃতদেহটোলৈকো এবাৰ চকু ফুৰালে। এইবাৰ অবিনাশৰ চকুত চকু থৈ তেওঁ সুধিলে 'আপুনি অলপ আগতে কবৰস্থানলৈ গৈছিল নেকি?'

'মানে...' অবিনাশে সেপ ঢুকিলে।

'কওঁক।'

অবিনাশে একো ক'ব নোৱাৰিলে।

ইন্সপেক্টৰজনে আগবাঢ়ি গৈ মৃতদেহটোৰ কাপোৰখন গুছাই কিছুসময় মৃতদেহটো নিৰীক্ষণ কৰিলে। তাৰপিছত আকৌ আগৰ ঠাইলৈ গুছি আহিল। এইবাৰ গুৰু গম্ভীৰ স্বৰেৰে কৈ গ'ল 'আপোনালোকৰ গতি বিধিৰ ওপৰত ৰাতিপুৱাতে মোৰ সন্দেহ উপজিছিল। এজন চিপাহীক আপোনালোকৰ ওপৰত নজৰ ৰাখিবলৈ দায়িত্ব দিছিলো। অৱেশ্যে কবৰস্থানলৈ আপোনালোক যোৱাৰ খবৰ পাওঁতে পলম হ'ল। সেইকাৰণে হাতে লোতে ধৰিব নোৱাৰিলো। এতিয়া অনুমানতে ইয়ালৈ আহি প্ৰথমেই মূল দৰ্জাখনত বাহিৰৰ পৰা তলা মৰা নেদেখিয়েই সন্দেহ উপজিছিল। সেইকাৰণেই দৰ্জাখন ভাঙি ভিতৰলৈ সোমাই আহিলো আৰু সকলো প্ৰমাণ এতিয়া পাই গ'লো। বাৰু বাদ দিয়ক সেইবোৰ। মটৰ এক্সিডেন্টটোত আপোনালোকৰ কোনো হাত নাই সেইটো বাৰু মানি ল'লো। কিন্তু কওঁকছোন মৃতদেহ এটা লৈ আপোনালোকে এই ৰাতিখন কি কৰিছিল?'

'গৱেষণা....'

অবিনাশক বাকীখিনি কথা ক'বলৈ সুযোগ নিদি ইন্সপেক্টৰজনে হো হোৱাই হাঁহিব ধৰি ক'লে 'মৃতদেহৰ ওপৰত গৱেষণা কৰিব ওলাই বৰ হহুৱালে দেই আপুনি।' এইবাৰ গহীন হৈ তেওঁ ক'লে 'কবৰস্থানৰ পৰা চোৰাংকৈ মৃতদেহ উলিয়াই অনাৰ অপৰাধত আপোনালোক দুয়োজনকে গ্ৰেপ্তাৰ কৰা হৈছে। এতিয়া থানালৈ ব'লক।'

ৰূপালী এইবাৰ ধীৰে ধীৰে অবিনাশৰ গাৰ কাষ চাপি আহিল।

## অন্ধকূপ

অমাৱশ্যা নিশাৰ অন্ধকাৰত প্ৰেতপুৰীযেন লাগিছিল বিৰাটকায় পুৰণি ঘৰটো। নিমাওমাও চৌহদটোৰ য'তে ত'তে বিশৃংখলভাৱে গজি উঠা গছবোৰ পৌৰাণিক প্ৰস্তৰ মূৰ্ত্তি যেন লাগিছিল। সেই দেখি ঘৰটোৰ কাঠৰ গেটখন খুলি নিঃস্তব্ধ চৌহদলৈ সোমাই যাব খুজিও ৰবীন ৰৈ গ'ল। তাৰ অন্তৰাত্মা এক অজান অনুভূতিত সেমেকি উঠিল। থৰ হৈ চাব ধৰিলে একালৰ তাৰ মৰমৰ ঘৰটোলৈ।

গেটখন খোলা ৰাখি ৰবীনে চৌহদৰ ভিতৰলৈ লাহে লাহে খোজ দি আগুৱাই গ'ল। ৰবীনৰ এহাতত জ্বলি থকা টৰ্চ এটা। টৰ্চটোৰ পোহৰত চৌহদৰ কিছু অংশ পোহৰ হৈ উঠিছে। ৰবীনে গেটৰ পৰা পৰ্চলৈ সোমাই যোৱা আগৰ পকী ৰাস্তাটো বিচাৰিছিল, তাৰ অৱশেষো সি নাপালে।

ৰবীনৰ দুখ লাগিল। সি বাওঁহাতখনেৰে পেন্টৰ জেপত থকা ভয়ানক চিঠিখন মুঠি মাৰি ধৰিলে। সি এইবাৰ ভয় খালে। যদি মনোহৰকাই চিঠিখনত লিখা প্ৰতিটো কথাই হঠাৎ বাস্তৱ হৈ উঠে তেতিয়া সি কি কৰিব?

পৰ্চৰ সন্মুখত ৰৈ ঘৰটোলৈ পোহৰ অকণমান চটিয়াই দি ৰবীন উচপ খাই উঠিল। দেৱালৰ য'তে ত'তে সৰু বৰ গছ পুলি গজি উঠিছে। ঠায়ে ঠায়ে চিমেন্টবোৰ এৰাই গৈছে। ৰবীনৰ হঠাতে ভাব হ'ল কোনোবাই যেন তাৰ নিচেই কাষতে তপত হুমুনিয়াহ এৰিছে। ৰবীন পৰ্চৰ পৰা আঁতৰি আহিল। এইবাৰ সি চিঞৰি দিলে 'মনোহৰকা!'

প্ৰত্যুত্তৰ নাপাই ৰবীনে আৰু দুবাৰমান চিঞৰিলে। শেষৰবাৰ মতাৰ পিছত চৌহদৰ সিটো কোণৰ পৰা দুৰ্ব্বল কণ্ঠস্বৰ এটা ভাঁহি আহিল 'কোন?'

'মই, ৰবীন।'

'গৈছো, ৰ'ৱা।'

ৰবীনে দেখিলে এহাতত মৃদু বতাহত কঁপিব ধৰা টিপ চাকি এটা লৈ শীৰ্ণকায় বুঢ়া মানুহ এজন চৌহদৰ একোণৰ পৰা লাহে লাহে খোজ দি আহি আছে। মানুহজনক দেখি ৰবীনে আনন্দতে 'মনোহৰকা!' বুলি চিঞৰি তেওঁক আকোৱালী ল'লে।

মধুপুৰৰ ভূত বাংলা ৰত্নভৱনৰ চকীদাৰ মনোহৰৰ দুচুকুৰ পৰা তপত চকুলো বৈ আহিল। হয়তো সেই সোণালী দিনবোৰৰ স্মৃতি মনত পৰিছিল মনোহৰৰ, সেইদিনবোৰ যেতিয়া ৰত্নভৱনত মৌজাদাৰ ৰত্নধৰ চৌধুৰী আৰু তেওঁৰ অকণমানি পৰিয়ালটো বাস কৰিছিল। সৰু পৰিয়ালটোত আছিল চৌধুৰী, তেওঁৰ পৰিবাৰ আৰু একমাত্ৰ সন্তান পাচঁ বছৰীয়া ৰবীন। লগত আছিল ভৃত্য মনোহৰ ...আৰু....

মনোহৰে চৌহদৰ একোণত থকা ভগা জুপুৰী এটালৈ ৰবীনক লৈ গ'ল। ৰবীনক তাত থকা একমাত্ৰ পুৰণি ভগা কাঠৰ চকীখনত বহিব দি নিজে ওচৰতে থকা পীৰা এখনতে বহি ল'লে।

'মধুপুৰ কেতিয়া পালা?'

'গধূলিহে পালো। ৰেলখনে এঘন্টা পলম নকৰিলে আবেলিয়েই আহি পালোহেতেঁন।'

'তাৰমানে বাহিৰে বাহিৰে এইখিনি পালা?'

ৰবীনে শলাগিলে। মনোহৰে এপলক নীৰৱে থাকি এলান্ধু লাগি থকা ক'লা বৰণৰ চিলিঙলৈ চাই সুধিলে 'ভয় লাগিছিল নেকি?'

'ভয়?'

'অ। গেটখন খুলি ভিতৰলৈ সোমাই আহোতে ভয় লগা নাছিল?'

'লাগিছিল। কিন্তু তোমাৰ চিঠিখন পাওঁতেহে খুব ভয় লাগিছিল। তোমাৰ চিঠিখন নাপালে কেতিয়াওঁ দেউতা আৰু মাহীমাৰ কথা মনত নপৰিলেহেঁতেন। মধুপুৰৰ কথা, ৰত্নভৱনৰ কথা তোমাৰ কথা এই সকলো মই কিজানি পাহৰি গ'লোহেতেঁন। আৰু..'

'আৰু কি?' মনোহৰে সুধিলে।

ৰবীন অলপপৰ ৰ'ল। মনত পেলালে দুদিন আগৰ সেই ভয়াৱহ

শণিবাৰটোৰ কথা।

২

শৰণীয়া পাহাৰৰ দাঁতিতে ৰবীনৰ সৰু ঘৰটো। ঘৰটো মানে দুই কোঠালী ৰ এটা ভাৰাঘৰ। অবিবাহিত ৰবীনৰ বাবে এইখিনিয়েই যথেষ্ট। সৰু চাকৰীটোৰ কাৰণেও ৰবীনে দুখ নকৰে। কপালত হয়তো এইখিনিও নহ'লহেতেন যদিহে বিশবছৰ আগতে মধুপুৰৰ পৰা তাক মোমায়েকে লৈ নাহিলহেতেঁন।

দ্বিতীয় শণিবাৰৰ বন্ধৰ বাবে ৰবীন সেইদিনা ঘৰতে আছিল। দুপৰীয়া ভাত খাই উঠি বিছনাখনতে সি শুই পৰিছিল। তাৰ টোপনি আহিছিল। চিলমিলিয়া টোপনিৰ আৱেশতে সি শুনা পালে আগফালৰ দৰ্জ্জাখনত কোনোবাই সশব্দে ঢকিয়াই আছে। ৰবীনে উঠি গৈ দৰ্জ্জাখন খুলি দিলে। ডাকঘৰৰ পিয়ন এটাই ভিতৰলৈ সোমাই আহি ফোঁপাব ধৰা দেখি সি কৌতুহলী হ'ল। সি সুধিলে কাৰণটো। পিয়নটোৱে মুখেৰে একো নকৈ গেটৰ ওচৰৰ কৃষ্ণচূড়া জোপালৈ আঙুলিয়াই দেখালে।ৰবীনে গছজোপালৈ চালে। গছজোপাৰ ডাল এটাত এটা ডাঙৰ ঢোঁৰাকাউৰী বহি থকা দেখি সি সুধিলে 'ঢোঁৰাকাউৰী এটা দেখিয়ে ভয় খালে নেকি?'

'ভয়? অকল ভয় খোৱাই নহয়, মৰিবলৈয়ো ওলাইছিলো।'

'কিয়?' ৰবীনে বুজি নাপালে।

পিয়নজনে আকৌ এবাৰ কাউৰীটোলৈ চাই ক'লে 'এইখিনি পাই বেগটোৰ পৰা আপোনাৰ চিঠিখন উলিয়াব যো-জা কৰোতে কাউৰীটো ক'ৰ পৰা জানো হঠাতে চো মাৰি উৰি আহি মোক খুটিয়াব খুজিলে। দুবাৰমান শিলগুটি এটাৰে খেদা খেদি কৰাৰ পিছতো কাউৰীটো নপলোৱা দেখি উপায় নাপাই দৌৰি আহিলো। আপুনি দৰ্জ্জাখন খুলি দিয়াৰ লগে লগে কাউৰীটো উৰি গৈ ডালত পৰিলগৈ।'

বিশ্বাস অবিশ্বাসৰ মাজেৰে ৰবীনে চিঠিখন ল'লে। পিয়নটো যোৱাৰ পিছত সি দৰ্জ্জাখন বন্ধ কৰি কোঠাটোতে বহি লৈ লেফাফাটোৰ ওপৰত চকু ফুৰালে। মোহৰত মধুপুৰ নামটোৱে ৰবীনৰ মনটো উৰুৱাই লৈ গ'ল বুঢ়াপাহাৰৰ দাঁতিৰ সেই গাওঁখনলৈ; য'ত সি উপজিছিল। কিন্তু চিঠিখন কোনে দিলে?

এতিয়াটো মধুপুৰত তাৰ কোনো আত্মীয় স্বজন নাই যে কোনোবাই চিঠি দিব...

হঠাতে ভেন্টেলেটাৰত কোনোবাই ঢকিয়াই দিয়াৰ শব্দত ৰবীন উচপ খাই উঠিল। সি ভেন্টেলেটাৰখনলৈ চালে। অথনিৰ প্ৰকাণ্ড ঢোঁৰাকাউৰীটোৱে বাহিৰৰ পৰা ভেন্টেলেটাৰৰ আয়নাত ঠোঁটেৰে টুকুৰিয়াব ধৰা দেখি ৰবীন আতংকিত হৈ উঠিল। কিছুসময় কাউৰীটোলৈ অপলকনেত্ৰে চাই ৰবীন বহাৰ পৰা উঠিল। চিঠিখন জেপত সুমুৱাই লৈ সি লাহে লাহে পিছুৱাই গ'ল। আলমাৰীটোৰ ওচৰ পাই আলমাৰীটোৰ দৰ্জ্জাখন খুলি সি মোমায়েকৰ পুৰণা লডেড ৰাইফলটো উলিয়াই ল'লে। ৰবীন দুখোজ আগুৱাই অহাৰ লগে লগে কাউৰীটোৱে আয়নাখন ভাঙি কোঠাটোলৈ সোমাই চো মাৰি তললৈ নামি আহিল। ৰবীনে তেতিয়াই ট্ৰিগাৰত সজোৰে টিপি দিলে। কিন্তুটো গুলীটো লক্ষ্যভ্ৰষ্ট হ'ল।

এইবাৰ যেন কাউৰীটো উদভ্ৰান্ত হৈ উঠিল।

আকৌ কাউৰীটোৱে খেদি অহাৰ লগে লগে ৰবীনে দৰ্জ্জা খুলি বাহিৰ পালে। গুলীৰ শব্দ শুনি চোতালত গোট খাব ধৰা ওচৰ চুবুৰীয়া কিজনৰ মাজত সোমাই সি ফোঁপাই জোপাই কাউৰীটোৰ কথা ক'লে।

কাউৰীটো ইতিমধ্যে উৰি গুছি গৈছিল।

মানুহজাকো লাহে লাহে কিছুসময়ৰ পিছত ঘৰা ঘৰি গৈছিল। নগ'ল মাথো তাৰ ওচৰতে থকা বৃদ্ধ কেশৱ পাঠক। তেওঁ ভিতৰলৈ সোমাই আহি চকী এখনত বহি লৈ ৰবীনৰ পৰা ঘটনাটো শুনি ল'লে। ভেন্টেলেটাৰৰ ফুটাটোলৈ চাই দীঘলকৈ উশাহ এটা ল'লে। অলপ চিন্তিত ভাবে তেওঁ এইবাৰ সুধিলে 'চিঠিখন ক'ৰ পৰা আহিছে?'

'মধুপুৰ।'

'মধুপুৰ!! জখলাবন্ধাৰ ওচৰৰ মধুপুৰ নেকি? মই মধুপুৰৰ বহুতকে জানো। তোমাৰ দেউতাৰৰ নাম কি?'

'ৰত্নধৰ চৌধুৰী।'

'ৰত্নধৰচৌধুৰী!! তেন্তে তুমি জখলাবন্ধাৰ প্ৰণৱ বৰুৱাৰ ভাগিনিয়েক, নহয়নে? সি প্ৰণৱ মোৰ লগত কলেজত একেলগে পঢ়িছিল। প্ৰণৱ যোৱা বছৰ ঢুকুৱা বুলি শুনিছিলো। থাওঁক বাৰু সেইবোৰ। চিঠিখন কোনে দিছে?'

'চিঠিখন খোলাই নাই।'

'খোলাছোন।' পাঠকে ক'লে।

ৰবীনে চিঠিখন খুলিলে। পাঠকে কিঞ্চিত উত্তেজিত ভাবে সুধিলে 'চিঠিখন মনোহৰে লিখিছে নেকি?'

'অ।'

'কি লিখিছে?'

পাঠকৰ শুকান নিস্তেজ মুখখনলৈ এবাৰ চাই ৰবীনে চিঠিখনত চকু ফুৰালে। চিঠিখন পঢ়ি উঠি সি মূৰটো ডাঙিলে। তাৰ মুখলৈকে তেতিয়াও আগ্ৰহেৰে চাই থকা পাঠকৰ প্ৰতি ৰবীনৰ অন্তৰত মমতা উপজিল।

সি ধীৰে ধীৰে ক'লে 'মনোহৰকাই চিঠিত লিখিছে কোনোবা এজন সন্ন্যাসীয়ে হেনো তেওঁৰ হাত চাই কৈছে যে অচিৰেই তেওঁৰ মৃত্যু হ'ব। সেইদেখি মোক যেনে তেনে এবাৰ মধুপুৰলৈ মাতি পঠিয়াইছে।'

পাঠকে অলপ তলকা মাৰি ৰৈ সুধিলে 'তুমি পিছে যাবা নে নোযোৱা?'

ৰবীনে ক'লে 'মই মধুপুৰলৈ গৈ এতিয়া কি কৰিম? মামাই কৈছিল দেউতা আৰু মাহীমাৰ মস্তিস্ক বিকৃত হৈ মৃত্যু হৈছিল। তেওঁলোকৰ মৃত্যুৰ পিছত ঘৰটো ভূত বাংলা হ'ল। দেউতাৰ দিনৰে লগুৱা মনোহৰকা নিজৰ কোনো নাই কাৰণে আমাৰ ঘৰটোতে থাকি গ'ল। এই মনোহৰকাকে চাবলৈ মধুপুৰলৈ ....'

'মই ভাবো তুমি যোৱা উচিত।'

পাঠকৰ কণ্ঠত এক নতুন সুৰৰ কঁপনিত ৰবীনে বিস্ময় অনুভৱ কৰিলে। পাঠকে তেওঁৰ চকীখন ৰবীনৰ কাষ চপাই নিলে।

এইবাৰ তেওঁ এটা দীঘলকৈ উশাহ ল'লে।

৩

'শুনা।' ধীৰ কণ্ঠেৰে পাঠকে কৈ গ'ল 'আজিৰ পৰা বিশ বছৰৰ আগৰ কথা। মই আৰু প্ৰণৱ তেতিয়া নগাওঁৰ কলেজত পঢ়ি আছিলো। আমি দুয়ো বৰ বন্ধু। সি মোক সকলো কথাই কয়। তোমাক মই এতিয়া কোৱা কথাখিনিও সিয়েই তেতিয়া মোক কৈছিল। তোমাৰ বয়স তেতিয়া পাঁচ বছৰ। তোমাৰ দেউতাৰা তেতিয়া চফল ডেকা। কেইমাহমান আগেয়ে প্ৰণৱৰ বায়েক অৰ্থাৎ তোমাৰ মাৰা এক অচিন ৰোগত হঠাতে ঢুকুৱাৰ বাবে তেওঁ আকৌ বিয়া কৰাইছিল। নতুন মাহীমাৰা একপ্ৰকাৰ ভালেই আছিল। তোমাকো বেছ মৰম কৰিছিল। মনোহৰেও নতুন আইদেউক পাই সুখী হৈছিল। কিন্তু....'

'কিন্তু কি?' সুধিলে ৰবীনে।

'সেইদিনা আছিল শনিবাৰ। গধূলিৰ পাতল অন্ধকাৰজাকে ৰত্নভৱন আগুৰি ধৰিছিল। চৌধুৰী আৰু শ্ৰীমতী চৌধুৰী ফুৰিবলৈ ওলাই গৈছিল। তুমি ৰত্নভৱনতে আছিলা। মনোহৰো আছিল। আৰু এজন আছিল বোধকৰো। মোৰ এতিয়া মনত নাই। লাহে লাহে গধূলি পাৰ হৈ ৰাতি হ'ল। চৌধুৰী দম্পতি উভতি নাহিল। মাজনিশালৈকে ঘূৰি নহা দেখি মনোহৰে গাওঁৰ দুই এজনৰ হতুৱাই বিচাৰ খোচাৰ কৰিলে। কিন্তু নাপালে।'

'তাৰপিছত?'

'তাৰপিছত দুদিন তেনেদৰে গ'ল। কোনেও ক'ব নোৱাৰিলে চৌধুৰী দম্পতি ক'লৈ গ'ল। পুলিচেও বিচাৰ খোচাৰ কৰি একো সন্তেদ উলিয়াব নোৱাৰিলে। তোমাৰ মোমায়েৰাও চেষ্টা কৰি একো সুফল নাপালে। কিন্তু সকলোকে অবাক কৰি তৃতীয় নিশা দুয়ো ঢলং পলঙকৈ আহি ওলাল। দুয়োৰো শৰীৰত ডাঠ ক'লা কাপোৰ একোখন। তেওঁলোক অহাৰ পিছৰে পৰায়ে সোণৰ ঘৰখনত কালিকা লাগিল। সেইদিনাৰ পৰা সদায় মাজনিশা চৌহদৰ বিৰাটকায় গছকেইজোপাৰ ডালবোৰ বতাহ বৰষুণ নহাকৈয়ে ভাঙি যায়। বীভৎস নিনাদেৰে অজান চৰাই কিছুমান অনবৰত মাজনিশা উৰি ফুৰে। ঘৰৰ মধুচত শগুণ পৰেহি। কিন্তু তোমাৰ দেউতাৰা আৰু মাহীমাৰা নিৰ্ব্বিকাৰ হৈ থাকে। কেতিয়াবা আকৌ উদভ্ৰান্ত হৈ উঠে। সেইদেখি তোমাক তোমাৰ মোমাইদেউৰাই লৈ গ'ল মধুপুৰৰ পৰা।'

পাঠক ৰ'ল। ৰবীনে এইবাৰ একো নসুধিলে। সি তন্ময় হৈ পাঠকলৈ মাথো চাই ৰ'ল।

পাঠকে পুনৰ ক'বলৈ আৰম্ভ কৰিলে 'তোমাক লৈ যোৱাৰ দুদিন নে তিনিদিনৰ পিছত এদিন তোমাৰ মাহীমাৰা আৰু দেউতাৰাক শোৱাকোঠাতে চিপজৰী লোৱা অৱস্থাতে পোৱা গ'ল। তেওঁলোকৰ দাহ সংস্কাৰ হোৱাৰ পিছতো দুয়োকো ৰত্নভৱনতে বহুতে ঘূৰি ফুৰা দেখিছিল। গাওঁৰ মানুহ সেইদেখি ৰত্নভৱনলৈ অহা বাদ দিলে। কিন্তু মনোহৰে ৰত্নভৱনৰ মোহ এৰিব নোৱাৰিলে। সি চৌহদতে জুপুৰী এটা সাজি তাতেই থাকি গ'ল। মোৰ বন্ধু অৰ্থাৎ তোমাৰ মোমাইদেউৰাৰ মতে মনোহৰে হয়তো তোমাৰ দেউতাৰাহতঁৰ মৃত্যু ৰহস্যৰ কথা জানে। নহ'লে ....থাওঁক বাৰু সেইবোৰ। এতিয়া তোমাৰ প্ৰধান কৰ্তব্য হৈছে

সেই অন্ধকূপটোৰ পৰা তোমাৰ মৃত পিতৃ মাতৃৰ অতৃপ্ত আত্মাৰ সদ্গতি কৰোৱা।'

পাঠকে কথাখিনি কৈ ৰ'ল।

'মই মধুপুৰলৈ যাম। অহা কাইলৈকে যাম।' ৰবীনে ক'লে।

৪

ৰবীনে এতিয়া মনোহৰৰ ওচৰত বহি কথাবোৰ পাগুলিব ধৰিলে। মনোহৰ নিঃশ্চুপ হৈ বহি আছিল। ৰবীনে মিহি স্বৰেৰ সুধিলে 'কি হ'ল মনোহৰকা?'

'চিন্তা কৰিছো।'

'কি চিন্তা কৰিছা?'

'সেই বিশবছৰ আগৰ আপদীয়া শনিবাৰটোৰ কথাকে মনত পেলাইছো।' ৰবীনে ঘপহকৈ সুধিলে 'আচ্চা মনোহৰকা! সিদিনা দেউতাহঁতঁ ওলাই যাওঁতে কিবা কৈ গৈছিল নেকি?'

'ওহো।' মনোহৰে মূৰ জোকাৰি ক'লে 'কাকো একো নজনোৱাকৈয়ে দুয়ো ওলাই গৈছিল।'

'কিহেৰে গৈছিল?'

'খোজ কাঢ়ি গৈছিল। সদায়ে যেনেকৈ যায় তেনেকৈয়ে দুয়ো খোজকাঢ়ি ফুৰিবলৈ ওলাই গৈছিল।'

'বাৰু, তেওঁলোক যোৱাৰ পিছত ঘৰখনত কোন কোন আছিল মনত আছেনে তোমাৰ?'

'তুমি, মই আৰু....'

'আৰু কোন মনোহৰকা?'

মনোহৰে কিন্তু ততালিকে উত্তৰ নিদিলে। কিবা ভাবি হঠাতে মূৰটো তললৈ হলাই দি ক'লে 'আৰু লগত আছিল শেৱালী গগৈ নামৰ প্ৰায় ওঠৰ বছৰমানৰ এজনী গাভৰু ছোৱালী। সেই ছোৱালীজনীয়ে অকল তোমাৰ আলপৈচান ধৰিছিল।'

'সেই ছোৱালীজনী এতিয়া ক'ত থাকে?' ৰবীনে সুধিলে।

'তাই ....তাই সেই বিশবছৰ আগতেই ঢুকাল।'

'ঢুকাল!! কেনেকৈ?'

'ঢুকাল মানে চিপজৰী ল'লে।' মনোহৰৰ মাতটো কিবা এক অজান বেদনাত কঁপি উঠিল। হুমুনিয়াহ এটা পেলাই ক'লে 'ক'ত চিপজৰী ল'লে জানা? বৰপুখুৰীৰ পাৰত থকা চৰকাৰী ডাক বাংলোটোৰ ভিতৰত। পুলিচে কৈছিল শেৱালী হেনো সেইসময়ত অন্তঃসত্বা আছিল। পুলিচে সন্দেহতে ডাকবাংলোটোৰ চকীদাৰজনকে গ্ৰেপ্তাৰ কৰিছিল। দুবছৰমান বোলে জেলো হৈছিল ডেকাজনৰ।'

'কি আছিল নামটো?'

'ডেকাজনৰ নাম আছিল মানস ফুকন। যোৰহাট জেলত থাকোতে মই এদিন খবৰ ল'বলৈ গৈছিলো। সি কিন্তু মোক একো কথা নক'লে। তাৰ মুখত মাথো শেৱালীৰ কথা। তাৰ চাল চলন দেখি মনে ধৰিছিল সি যেন শেৱালীৰ পৰা কিছুমান কথাৰ আঁত ধৰিব পাৰিছিল। হয়তো শেৱালীয়ে আইদেউহতঁৰ মৃত্যু ৰহস্য গম পাই তাক কৈছিল আৰু হয়তো ....'

ৰবীনে মনোহৰৰ কথা শুনি বহাৰ পৰা উঠি থিয় হ'ল। মনোহৰক বিপাঙত পেলাই সি পজাঁঘৰটোৰ পৰা ওলাই আহিল। মনোহৰে পিছে পিছে ওলাই আহি সুধিলে 'ক'লৈ যোৱা?'

ৰবীনে কিন্তু উত্তৰ নিদিলে।

৫

শান্ত নিজম পৰিবেশত আছে ঘৰটো। ভিতৰখনো নিজঞ্জাল হৈ আছে। ৰবীনে ঘৰটোৰ বন্ধ দৰ্জ্জাখনত টোকৰ কেইটামান দি থিয় হৈ ৰ'ল। কিছুসময় পিছত দৰ্জ্জাখন খোল খালে। মিঠা বৰণৰ যুৱতী এগৰাকী ওলাই আহি সুধিলে 'কাক লাগে?'

'এইটো মানস ফুকনৰ ঘৰ নহয়নে?'

যুৱতীয়ে ৰবীনৰ সমস্ত দেহৰ ওপৰত চকুফুৰাই শেষত অনুচ্চ কণ্ঠেৰে সুধিলে 'ঘৰটো তেখেতৰে। কিন্তু আপোনাক...'

'মোৰ নাম ৰবীন চৌধুৰী।'

যুৱতীয়ে উচপ খাই উঠি ৰবীনলৈ আকৌ এবাৰ চাই পঠিয়ালে। ৰবীনৰ চকুৰে চকুৰে পৰাত লাজ পালে। কোনো ৰকমে নিজকে চম্ভালি লৈ ৰবীনক ভিতৰলৈ মাতি নি বহিব দিলে। ৰবীনে সাধৰণ সাজ সজ্জাৰ ড্ৰইং ৰুমটোৰ পুৰণা

চোফাখনত বহাৰ আগেয়ে অনুমান কৰিছিল এনেকুৱা ঘৰ এটাতে মানস ফুকন থাকিব বুলি। যোৰহাট জেলৰ জেইলাৰেও এই ঘৰটোৰ কথাকে উল্লেখ কৰিছিল।

যুৱতী গৰাকীয়ো মূঢ়া এটাতে বহি ল'লে।

আধা চেকেণ্ড নীৰৱে পাৰ হৈ গ'ল।

ৰবীনৰ অস্বস্তি লাগিল। সিয়েই নীৰৱতা ভংগ কৰি অৱশেষত সুধিলে 'মানস ফুকন নাই নেকি?'

যুৱতীয়ে এইবাৰ মূৰটো তললৈ হলাই দি ক'লে 'খুড়া ঢুকুৱাৰ আজি চাৰি মাহমান হ'ল।'

'কি?'

ৰবীনৰ সমস্ত উৎসাহ উদ্দীপনা যেন হঠাতে মাটি হৈ গ'ল। সি একেথিৰে বোবা চাৱনিৰে যুৱতী গৰাকীলৈ চাই ৰ'ল। ৰবীনৰ অস্বাভাৱিকতাত যুৱতী বেছ কৌতুহলী হ'ল। অৱশ্যে কাকলিৰ স্বভাৱটোৱেই কৌতুহলী। অইন দিনা হ'লে এই যুৱকজনৰ এই আচৰণত তাই হাঁহি দিলেহেঁতেন। আজি কিন্তু কাকলিয়ে হাঁহিব নোৱাৰিলে। ৰবীনলৈ এবাৰ আঁৰ চকুৰে চাই তায়ো মনে মনে ৰ'ল। কিন্তু হঠাতে যেন কাকলি বিস্ময়ত আভিভূত হৈ পৰিল।

ৰবীন চৌধুৰী!

নামটো মনতে এবাৰ আওঁৰালে কাকলিয়ে। ক'ৰবাত শুনা যেন লাগিল নামটো কাকলিৰ। ক'ত শুনিছিল বাৰু? কাকলিৰ মনত পৰিল। তাইৰ সকলো কথাই মনত পৰিছে। কাকলিয়ে ৰবীনক একো নকৈ হঠাতে বহাৰ পৰা উঠি ভিতৰলৈ গৈ খুড়াকৰ কোঠা পালে। খুড়াকৰ মৃত্যুৰ পিছৰে পৰা ইমান দিন খুড়াকৰ কোঠাটোলৈ তাই ভয়তে অহা নাছিল। আজি কিন্তু তাই নিৰ্ভয়ে কোঠাটোলৈ সোমাই গৈ কাঠৰ আলমাৰীটোৰ ওচৰ পালে। আলমাৰীটো খুলি এখন শকত আৰু পুৰণা বহী উলিয়ালে। ওপৰে ওপৰে পঢ়ি চালে এবাৰ। তাৰপিছত বহীখন সাৱতি লৈ তাই ড্ৰইং কোঠা পালে।

ড্ৰইং কোঠাত ৰবীনক নেদেখি কাকলি আচৰিত হ'ল। কাকলিৰ দুখো লাগিল। হয়তো তাই তেনেদৰে উচাৎ মাৰি ভিতৰলৈ সোমাই অহাৰ কাৰণেই মানুহজনে বেয়া পাই গুছি গ'ল। কাকলিয়ে ঘৰৰ কাকো একো নজনোৱাকৈ বাহিৰলৈ ওলাই আহিল। পদুলিমুখৰ পৰা তাই দেখিলে ৰবীন খোজ কাঢ়ি গৈ থকা। কাকলিয়েও আগবাঢ়ি গ'ল।

মাত্র বিশ খোজমানৰ ব্যৱধান আছে কাকলি আৰু ৰবীনৰ মাজত।

কাকলিয়ে আৰু বেগাই আগবাঢ়িল। তেনেতেই...

'আহ...' চীৎকাৰ কৰি কাকলি ৰাস্তাতে পৰি গ'ল।

চিঞৰটো শুনি ৰবীন উভতি চালে। ৰবীনে দেখিলে অথনিৰ যুৱতীগৰাকীক পিছফালৰ পৰা এম্বেচাডৰ গাড়ী এখনে খুন্দিয়াই মাটিত বগৰাই দিছে। ৰবীন দৌৰি উভতি আহিল। কাকলিৰ উঠন বুকুৰ মাজত পুৰণি বহী এখন দেখি ৰবীন আচৰিত হ'ল।

'এইখন লওঁক।' কাকলিয়ে বহীখন আগবঢ়াই দি কোনো মতে সেহাঁই সেহাঁই ক'লে।

ৰবীনে এহাতেৰে বহীখন লৈ সুধিলে 'কি এইখন?'

'খুড়াৰ ডায়েৰী। খুড়াই...'

কাকলিয়ে সম্পূৰ্ণকৈ ক'ব নোৱাৰিলে। কাকলি অজ্ঞান হৈ গ'ল।

ৰবীনে ডায়েৰীখন বেগত সুমুৱাই লৈ কাকলিক ডাঙি এম্বেচাডৰখনতে নি উঠালে। চৰকাৰী হস্পিতালখন ওচৰতে আছিল। কাকলিক ইমাৰজেন্সি ৱাৰ্ডত ভৰ্ত্তি কৰাই সি হস্পিতালৰ বাৰাণ্ডাখনৰ কাঠৰ বেঞ্চতে বহি ল'লে। ডায়েৰীখন উলিয়াই লৈ প্ৰথম কেই পৃষ্ঠামান পঢ়ি সি আমনি পাইছিল। কিন্তু শেষলৈ.....

৬

মধুপুৰৰ নিচিনা সৰু ঠাইখনলৈ বদলি হৈ আহি গড়কাপ্তানী বিভাগৰ ডাক-বাংলোৰ চকীদাৰ মানস ফুকনৰ অকনো ভাল লগা নাছিল। কৰ্ত্তব্যৰ খাটিৰতে বৰপুখুৰীৰ পাৰৰ ডাকবঙলা ঘৰটোতে থাকিব লগা হৈছিল। দিনতো যেন নাযায়, নুপুৱাই। কিন্তু মৌজাদাৰ ৰত্নধৰ চৌধুৰীয়ে দ্বিতীয়বাৰ বিয়া কৰাই দিয়া ভোজ খাবলৈ যোৱাৰ দিনাখনৰ পৰায়ে যেন মানস ফুকনৰ দিনবোৰ অন্য ধৰনৰ হ'ল। সেই ভোজতে দেখিছিল কোচত পাচঁবছৰীয়া ল'ৰা এটা লৈ নিচুকাই থকা ওঠৰ বছৰমানৰ এজনী ষোড়শীক। আকস্মিকতে মানসৰ চকুৱে চকুৱে পৰাত ছোৱালীজনীয়ে অপলকনেত্ৰে মানস ফুকনলৈ চাই ৰৈছিল। ওঠৰ কোণত সলাজ হাঁহি এটা মাৰি ষোড়শী আঁতৰি গ'ল যদিও মানসৰ অন্তৰখন তেতিয়াই ভাঙি চুৰমাৰ হৈ গ'ল। কিন্তু তাৰকেইদিনমান পিছতে বৰপুখুৰীৰৰ পাৰতে ছোৱালীজনী আৰু সেই পাচঁ বছৰীয়া ল'ৰাজনক দেখি মানসৰ অন্তৰখন যেন

আকৌ জী উঠিল। অন্তৰত সাহস গোটাই নিজেই মানসে ছোৱালীজনীৰ লগত চিনাকী হ'বলৈ আগবাঢ়ি গ'ল।

'মোৰ নাম শেৱালী, শেৱালী গগৈ। এওঁ হ'ল ৰবীন। মৌজাদাৰৰ প্ৰথম পত্নীৰ ল'ৰা।'

'আৰু মোৰ নাম মানস ফুকন। ইয়াতে কাম কৰো।'

'গম পাইছো।' মিচিকিয়াই হাঁহি মাৰি শেৱালীয়ে কথাখিনি কৈ গুছি গ'ল।

পিছদিনাখন আবেলি শেৱালী আকৌ আহিছিল। ৰবীনক পুখুৰীৰ পাৰত কোচৰ পৰা নমাই শেৱালী গছ এজোপাৰ ছাঁত বহিলগৈ। দূৰৈৰ পৰা শেৱালীক দেখি মানস খৰখোজেৰে আহি গছজোপাৰ ওচৰতে ৰ'লহি। শেৱালীয়ে মানসক দেখি হাঁহিলে। মানসে সহাঁৰি পাই শেৱালীৰ ওচৰতে বহি ল'লে। কিন্তু কথা এষাৰ ক'বলৈ মুখ মেলোতেই ৰবীনে দৌৰি আহি পুখুৰীত ফুলি থকা পদুম ফুল এপাহ আনি দিবলৈ শেৱালীক খাটনি ধৰিলে। শেৱালী ৰবীনক লৈ পুখুৰীৰ পাৰ পালে। কিন্তু ফুলপাহ চিঙিবলৈ লওঁতেই শেৱালী পিছলখাই পানীত পৰি গ'ল। মানসে এবেলৰে গৈ শেৱালীক পানীৰ পৰা তুলি আনোতে শেৱালীৰ সৰ্বাংগত মানসৰ হাতৰ স্পৰ্শ লাগিছিল। মানসৰ শৰীৰ মন জিকাৰ খাই উঠিছিল। হয়তো শেৱালীৰো।

তাৰপিছৰ পৰা সদায় আবেলিপৰত শেৱালীয়ে ৰবীনক বৰপুখুৰীৰ পাৰলৈ ফুৰাবলৈ লৈ অনা হ'ল। ৰবীনক পুখুৰীৰ পাৰত থকা ঘাঁহনিডৰাত উমলিব দি শেৱালী আৰু মানস পুখুৰীৰ পাৰৰ গছজোপাৰ ছাঁত বহি লৈ কথা পাতে। এদিন মানসে শেৱালীক তাৰ ঘৰটোলৈ মাতি নিলে। শেৱালীয়ে প্ৰথম বাৰ যাবলৈ আপত্তি কৰিলেও সেই আপত্তি নৰজিল। সেইদিনাখনৰ পৰা শেৱালী সুযোগ সুবিধা পালেই মানসৰ কোঠালৈ নিৰ্ভয়ে যাব পৰা হ'ল।

এদিনাখন কিন্তু শেৱালীয়ে কোঠালৈ সোমাই আহিয়েই ক'লে 'আজি সোনকালে যাব লাগিব।'

'কিন্তু কিয়?' মানসে শেৱালীৰ ওচৰ চাপি আহি সুধিলে।

'আইদেউহতঁ আজি গধূলি ক'ৰবালৈ ফুৰিব যাব হেনো। গতিকে সোনকালে উভতিব কৈছে।'

'এতিয়াওটো গধূলি হ'বলৈ আৰু এঘন্টা বাকী আছে।'

'তাৰমানে আজিও....'

'অতো। নহ'লেযে তুমিয়েই মোক বেয়া পাবা।' শেৱালীক দুহাতেৰে সাৱতি লৈ মানসে ক'লে।

শেৱালীয়ে হাঁহি দিলে।

শেৱালীহতঁ যোৱাৰ পিছত মানসে ৰেলষ্টেছনৰ ফাললৈ এনেয়ে ফুৰিবলৈ ওলাই গৈছিল। দূৰৈৰ পৰা মৌজাদাৰ চৌধুৰীক সপত্নীক খৰখোজেৰে গৈ থকা দেখি মানস আচৰিত হ'ল। সি আৰু আচৰিত হ'ল মৌজাদাৰ দম্পতি তাক দেখি ভীতিগ্ৰস্ত হোৱা দেখি। দুয়ো আৰু বেছি বেগাই খোজ দি আতঁৰি যোৱা দেখি মানসৰ কৌতুহল উপজিল। সিয়ো ষ্টেছনলৈ খোজ দিলে। সি প্লেটফৰ্ম পোৱাৰ আগেয়ে দুয়ো উজনিমুৱা ৰেল এখনত উঠি গুছি গ'ল। মানসে বিস্ময় অনুভৱ কৰিলে। এটা অশান্ত মনলৈ সি ঘৰ পালেহি।

পিছদিনা আবেলি শেৱালী নহা দেখি মানসৰ সন্দেহ হ'ল। সি ৰত্নভৱন পালেগৈ। ৰত্নভৱনত গাওঁৰ কেইবাজনো মুখীয়াল লোক দেখি সি আৰু আচৰিত হ'ল। যেতিয়া সি গম পালে যোৱা নিশাৰ পৰা চৌধুৰী দম্পতি ঘৰলৈ ঘূৰি অহা নাই, তেতিয়াই তাৰ অন্তৰখন মূহুৰ্তলৈ কঁপি উঠিল। মানসে এটা গধুৰ মন লৈ ভিতৰৰ চোতালৈ সোমাই গ'ল। তাতেই সি শেৱালীক লগ পালে। শেৱালীৰ মন মৰা। মানসে সুধিলে 'তেওঁলোক ক'লৈ গৈছে কৈ গৈছে নেকি?'

'গধূলি গাওঁ ফুৰিবলৈ যাম বুলিহে মোৰ আগত এবাৰ কৈছিল।'

'কিন্তু মইতো তেওঁলোকক ৰেল ষ্টেছনত দেখিছিলো। দুয়ো উজনিমুৱা ৰেল এখনত উঠি যোৱা মই নিজ চকুৰে দেখিছিলো।'

শেৱালীৰ চকুহালযেন তিৰবিৰাই উঠিল। খন্তেকপৰ তললৈ মূৰটো হলাই দি ওঠ দুটা কামুৰি ক'লে 'তাৰমানে তেওঁলোক ৰূপাইপুখুৰীলৈ গ'ল।'

'ৰূপাইপুখুৰী?'

'অ। শিমলুগুৰি ৰেলষ্টেছনৰ কাষৰ গাওঁ এখন।'

'কিন্তু তালৈকে কাকো নজনোৱাকৈ যোৱাৰ কি কাৰণ থাকিব পাৰে?'

শেৱালীয়ে মানসক একাষৰিয়াকৈ মাতি নি ক'লে 'তাত এজন বেজ থাকে। কালীসাধক তান্ত্ৰিক তেওঁ । তেওঁৰ নাম হেনো হুদু বেজ। তেওঁৰ ওচৰতে আইদেউহতেঁ গোপনে দীক্ষা লৈছে হেনো। আগতেও গোপনে দুবাৰমান গৈছিল হেনো। আইদেৱে মোক মনে মনে কৈছিল ক'লৈ যায় তেওঁলোক। কিন্তু তোমাৰ

কথা যদি সচাঁ হয় তেতিয়াহ'লেতো ইমানপৰে তেওঁলোক আহি পাব লাগিছিল।'

মানসে সেইদিনা মূৰটো দুপিয়াই আঁতৰি আহিল।

পিছদিনা ৰাতিপুৱা খবৰ পালে মৌজাদাৰ দম্পতি তেতিয়াও অহা নাই।

সেইদিনাখন দিনটো মানস চৰকাৰী কামত এঠাইলৈ যাব লগা হোৱা কাৰণে গধূলিহে ৰত্নভৱনলৈ যাব পাৰিলে। ৰত্নভৱন তেতিয়া লোকাৰণ্য। এজনে ক'লে মৌজাদাৰ দম্পতি ক'লা কাপোৰ পৰিধান কৰি অলপ আগতে ঘূৰি আহিছে হেনো। দুয়ো ধলং পলংকৈ আহি পায়েই অজ্ঞান হৈ পৰিছে। দুয়োকো শোৱাকোঠাতে থৈছে মনোহৰে।

মানসৰ অন্তৰখনে ক'লে এইয়া সাধৰণ ঘটনা নহয়।

মানস সেইদিনা উভতি আহিল।

পিছদিনা সি শুনিলে চৌধুৰী দম্পতিৰ হেনো মূৰৰ বিকৃতি হৈছে। দুয়ো জ্ঞান পায়েই অদ্ভুত আচৰণ কৰিব ধৰিছিল। পাৰ আৰু কুকুৰা চৰাই মাৰি তেজবোৰ দুয়ো পি খাব আৰম্ভ কৰিছিল। কথাবোৰ শুনি মানস এটা বিসন্ন মন লৈ উভতি আহিছিল। কেইদিনমান সি শেৱালীক লগ পোৱা নাছিল। এদিন আবেলি পিছে শেৱালী নিজেই আহি ওলাল। কোচত অৱশ্যে ৰবীন নাই। শেৱালীৰ মনটো মৰা। মানসে সুধিলে 'ৰবীনক নানিলা কিয়?'

'ৰবীনক মোমায়েকে লৈ গ'ল।' শেৱালীৰ চুটী উত্তৰ।

'আইদেউহতঁৰ কেনেকুৱা এতিয়া?' মানসে সুধিলে।

'আগতকৈয়োবেয়া হৈছে। এতিয়া কাকো চিনি নাপায়। ভ্রম বকি থাকে।' শেৱালীয়ে উচুপিলে। মানসে শেৱালীৰ চুলিটাৰিত আলফুলে হাত বুলাই দিলে। এইবাৰ যেন শেৱালীৰ শোক দুগুনে বাঢ়ি আহিল। তাই কান্দোন মিশ্রিত স্বৰেৰে ক'লে 'তুমি এবাৰ ৰূপাই পুখুৰীলৈ যোৱা মানস। তালৈহে গ'লেহে প্ৰতিকাৰৰ বিধান পোৱা যাব পাৰে।'

কথাখিনিকৈ শেৱালী গ'লগৈ।

সেইদিনা ৰাতিয়ে মানসে শুনিলে চৌধুৰী দম্পতিয়ে হেনো চিপজৰী ল'লে। মানসে খবৰ কৰিবলৈ গৈছিল। ভিৰৰ প্ৰকোপত ভিতৰলৈ সোমাব নোৱাৰিলে। মাত্র এখন্তেকৰ কাৰণেহে শেৱালীক লগ পালে মানসে। শেৱালীয়ে ঘন ঘনকৈ উশাহ লৈ কৈছিল 'আজি আহিছিল।'

'কোন?'

'তেওঁ মানে....'

সেইসময়তে মনোহৰে মতা কাৰণে শেৱালীয়ে আধাকোৱাকৈ গুছি গ'ল।

তাৰপিছত মানস তাত নৰ'ল। গুছি আহি ঘৰ পাইহে সি শান্তিৰে উশাহ ল'ব পাৰিলে। সি ভাবি ওৰ নাপালে কাৰ কথা ক'ব ওলাইছিল শেৱালীয়ে। সেইদিনাৰ পিছত বহুদিনলৈ সি শেৱালীক লগ পোৱা নাছিল। মধুপুৰৰ পৰা আঁতৰত থাকিহে যেন সি শান্তি পাইছিল। আৰু তেনেকৈয়ে এদিন ৰাস্তাৰ কাম চাই থাকোতে আচম্বিতে পুলিচে আহি তাক থানালৈ লৈ গ'ল। পিছতহে সি গম পাইছিল শেৱালীয়ে তাৰ ঘৰটোতে চিপজৰী লৈছিল। শেৱালীৰ গৰ্ভত দুমহীয়া ভ্ৰূণ! তদুপৰি শেৱালীক কোনোবাই মৃত্যুৰ আগেয়ে ধৰ্ষণ কৰাৰো প্ৰমাণ আছে। পুলিচে সেইদেখি মানসকে ধৰিছিল।

সেইদিনা মানসে কান্দিছিল। জেলত পাঁচবছৰ থাকোতে সদায়ে সি শেৱালীক সপোনত দেখা পাইছিল। সপোনত শেৱালীয়ে কান্দি কান্দি কৈছিল 'তুমি ৰূপাইপুখুৰীলৈ কিয় নগ'লা মানস? তুমি আইদেউহঁতক বচাব পাৰিলাহেঁতেন। তুমি ৰবীনক লগ পালে ক'বা সি যেন ডাঙৰ হ'লে ৰূপাইপুখুৰীলৈ যায় আৰু বেজৰ কবলৰ পৰা আইদেউহঁতক মুক্তি দিয়ে।'

জেলৰ পৰা মুক্তি পোৱাৰ দহদিনমানৰ পিছৰ পৰায়ে মানস যেন অস্বাভাৱিক হৈ পৰিল। সি কোনো মতে কথা মনত ৰাখিব নোৱাৰা হ'ল। সি কেতিয়াবা নিজকে সোধে শেৱালীয়ে বাৰু তাক কি কৈছিল? আৰু শেৱালী!! শেৱালী কোন আছিল? মানসে কোনোপধ্যে কথাবোৰ মনত পেলাব নোৱৰা হৈ আহিল। সি কথাবোৰ ভাবি চকুহাল মুদি দিয়ে।

৭

কাকলিয়ে চকুহাল মেলিয়ে ৰবীনক কাষতে দেখা পাই বিস্ময়ৰ চাৱনিৰে খন্তেকপৰ ৰবীনলৈ চাই ৰ'ল। ৰবীনে কেনে পাইছা বুলি সোধাৰ লগে লগে কাকলিয়ে চকুহাল তললৈ নমাই আনিলে। অনুচ্চ কণ্ঠেৰে কাকলিয়ে উত্তৰ দিলে 'ভালেই পাইছো।'

কিছুসময় নীৰৱে গ'ল। ৱাৰ্ডটোত অকল ৰবীন আৰু কাকলি।

'ডায়েৰীখন পঢ়িলো।' ৰবীনে অৱশেষত মাত লগালে।

কাকলিয়ে ৰবীনলৈ চালে। কি ক'ব তাই ভাবিলে। কাকলি নীৰৱে

ৰোৱা দেখি ৰবীনে পুনৰ ক'লে 'ভাবিছো ৰূপাইপুখুৰীলৈ এবাৰ যাওঁ। তালৈ গ'লেহে কিজানি মই জানিব পাৰিম বিশবছৰৰ আগেয়ে মোৰ মা দেউতাৰ প্ৰকৃততে কি হৈছিল। গম পাম আজিও কিয় তেওঁলোকৰ প্ৰেতাত্মা ৰত্নভৱনত ঘূৰি ফুৰে। নহ'লে হয়তো ...থাওঁক বাৰু সেইবোৰ। ডায়েৰীখন পঢ়িব দিয়াৰ কাৰণে মই আপোনাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম।'

ৰবীন বহাৰ পৰা উঠিল।

কাকলিৰ চকুহালত এক অবুজ মিনতি। ৰবীন কিন্তু নিৰ্বিকাৰ। সি কাকলিৰ চলচলীয়া হৈ অহা চকুহালৰ বেদনাক উপেক্ষা কৰি ৱাৰ্ডটোৰ পৰা ওলাই আহিল। বাটত ৰবীন ক'তো নৰ'ল। সি পোনে পোনে ৰেলষ্টেছনলৈ আহি প্ৰথম ৰেলখনতে উঠি ল'লে। শিমলুগুৰিত ৰেলৰ পৰা নামোতেসি ঘড়ীটো চালে। নিশা এতিয়া দহটা বাজিছে।

প্লেটফৰ্মৰ পৰা ওলাই আহি ৰবীন ষ্টেছনৰ বাহিৰ পালে।

'শুনকছোন!' ৰবীনে ওচৰৰে গৈ থকা মানুহ এজনক মাত দিলে। মানুহজন তাৰ ওচৰতে ৰৈ গ'ল। ৰবীনে সুধিলে 'আপুনি বাৰু ৰূপাইপুখুৰী গাওঁ কোনফালে ক'ব পাৰেনে?'

মানুহজন যেন চক্ খাই উঠিল।

তেওঁ সুধিলে 'কি গাওঁৰ কথা ক'লে আপুনি?'

'ৰূপাইপুখুৰী।'

'এই ৰাতিখন তালৈ নগ'লে নহয় নেকি?'

'তাৰমানে ৰাতি তালৈ যোৱাৰ কোনো ব্যৱস্থা নাই হ'বলা?' ৰবীনে সুধিলে।

'ব্যৱস্থা কিয় নাথাকিব, আছে। কিন্তু আঘোন মাহৰ এইকেইদিন ৰূপাইপুখুৰীলৈ নিশা কোনো মানুহ যাব নোখোজে কাৰণেহে তেনেকৈ কৈছো।'

'নিশা নোযোৱাৰ কাৰণতো কি?' ৰবীনে সুধিলে।

'কাৰণতো ক'লে আপোনালোকৰ নিচিনা ডেকাবোৰে বিশ্বাস নকৰে। গতিকে নকওঁ। পিছে একান্তই যদি যাব খুজিছে সৌ লাইটপষ্টৰ কাষৰ ৰাস্তাটোৰে যাওঁক। এমাইল মান গ'লে স্কুলঘৰ এটা পাব। স্কুলঘৰটোৰ বাওঁহাতেৰে যোৱা ৰাস্তাটোৰে দুমাইলমান গ'লেই ৰূপাইপুখুৰী পাব।'

মানুহজনে কথাখিনি কৈয়ে গুছি গ'ল।

ৰবীনে লাহে লাহে খোজ দি আগবাঢ়িল। এমাইলমান যোৱাৰ পিছত সচাঁকৈয়ে সি এটা স্কুলঘৰ পালে। এইবাৰ সি স্কুলঘৰটোৰ বাওঁফালেৰে আগবাঢ়িল। এইবাৰৰ পথটো খলাবমা। ৰবীনৰ মনটো প্ৰতিটো খোজ দিয়াৰ লগে লগে শিয়ঁৰি উঠে। ৰবীনৰ অনুভৱ হ'ল ৰাস্তাটো ক্ৰমে যেন ঠেক হৈ আহিছে। চাৰিওফালে গুপ গুপীয়া আন্ধাৰ। কিন্তু এই নিজান নিতাল মাৰি থকা স্তব্দ পৃথিৱীখনত কোনে বাৰু তাৰ নিচেই ওচৰতে তপত হুমুনিয়াহ পেলাব ধৰিছে!

হঠাতে শিল এডোখৰত উজুটি খাই ৰবীন পৰি গ'ল। লগে লগে কেৰ মেৰ শব্দ কৰি কাষৰ গছ এজোপাৰ পৰা ডাল এডাল ৰবীনৰ গাৰ ওপৰত পৰিলহি। ৰবীনে সহ্যাতীত যন্ত্ৰনাত কাতৰ হৈ চিঞৰি দিলে। দুয়োখন হাতেৰে ডালটো সিকাষলৈ ঠেলি দিবলৈ চেষ্টা কৰিও ৰবীন ব্যৰ্থ হ'ল। দুবাৰমান চেষ্টা কৰিও নিৰাশ হোৱাৰ পিছত সি নিঃশ্চুপ হৈ ৰ'ল। চকুহাল মুদি দিলে ৰবীনে। ৰবীনৰ ভাব হ'ল ক্ৰমে যেন তাৰ সমস্ত শৰীৰটো অৱশ অসাৰ হৈ আহিছে। মুখেৰে মাত এষাৰ দিবলৈকো যেন সি শক্তিকণ হেৰুৱাই পেলাইছে।

হঠাতে ৰবীনৰ ভাব হ'ল কোনোবা এজন যেন আহিব ধৰিছে। সহায় পাবলৈ মাত এষাৰ দিবলৈ চেষ্টা কৰিলে ৰবীনে। কিন্তু মুখেৰে সি টু শব্দ এটাও উচ্চাৰণ কৰিব নোৱাৰিলে। মানুহজন ইতিমধ্যে আগবাঢ়ি আহি তাৰ কাষ পালেহি। ৰবীনে আকৌ এবাৰ চেষ্টা কৰিলে। এইবাৰো ৰবীনৰ মুখেৰে টু শব্দ এটাও নোলাল। আন্ধাৰৰ কাৰণে মানুহজনেও ৰবীনক দেখা নাপালে, তেওঁ ৰবীনক চেৰ পেলাই দুখোজমান আগবাঢ়ি গ'ল।

ৰবীনৰ বুকুখন ধৰফৰাই উঠিল। মৃত্যু আশংকাত কাতৰ হৈ ঈশ্বৰক সুঁৱৰি ওঠ দুটা সি সজোৰে কঁপাই দিলে। সি কি উচ্চাৰণ কৰিলে নিজেই গম নাপালে, কিন্তু ৰবীনে মন কৰিলে মানুহজন ৰৈ গৈছে। পিছফালে ঘূৰি চাওঁতে এইবাৰ হয়তো ৰবীনৰ অৱয়বটো ধৰা পেলালে তেওঁ। এইবাৰ তেওঁ একপ্ৰকাৰ দৌৰি আহিল। গছৰ ডালটো গুছাই তেওঁ ৰবীনক উলিয়াই আনিলে। ৰবীনে মানুহজনৰ কান্ধত ভৰ দি থিয় হৈ তেওঁলৈ চাই পঠিয়ালে।

৮

'মোৰ নাম অনন্ত মেধি। ৰূপাইপুখুৰী গাওঁৰ ময়ে গাওঁবুঢ়া।'

ৰবীনক মানুহজনে নিজৰ ঘৰলৈ নিছিল। ৰবীনক বিছনা এখনত শুৱাই দি তেওঁ লেম এটা জ্বলাই নিজে ওচৰতে মূঢ়া এটাত বহি কথাখিনি ক'লে।

ৰবীন মনে মনে ৰ'ল।

'ৰূপাইপুখুৰী গাওঁলৈ এই ৰাতিখন আপুনি বাৰু কিয় আহিছিল?'

'এনেয়ে।' সম্পূৰ্ণ অচিনাকী মানুহজনক প্ৰথমেই অহাৰ উদ্দেশ্যটো ক'বলৈ ইচ্ছা নকৰিলে ৰবীনে।

অনন্ত মেধি নীৰৱে ৰ'ল। এই বিশবছৰ কালৰাত্ৰি বুলি বিবেচিত হৈ অহা আঘোনৰ এইমাহকেইটাত অকলশৰীয়া ঘৰখনত নিশাটো কটাবলৈ লগ এটা পাই মেধিয়ে ভালেই পালে। কিন্তু....

মেধিৰ মনত পৰিল। বিশবছৰ আগেয়ে এনেকুৱা এটা নিশাতে তেওঁ এহাল নৱদম্পতিক লগ পাইছিল। তেওঁলোক গাওঁতে থকা মানুহ এজনৰ ঘৰটো ক'ত আছে বুলি সুধিছিল। মেধিয়ে ঘৰটো দেখুৱাই দিছিল। গাওঁবুঢ়া হিচাপে অচিনাকী মানুহহালক নিজৰ ঘৰলৈ আনি চাহ একাপো খুৱাইহে পঠিয়াইছিল। আজি অত বছৰৰ পিছত সাইলাখ একে চেহেৰাৰ অইন এজন লোকক পাই মেধিৰ মনলৈ বহু ভাব আহিল। সেই একে মুখৰ ভাৱ ভংগীৰ আজিৰ আগন্তুকজনেও ৰূপাইপুখুৰীৰ একেজন মানুহৰ ঘৰ বিচাৰি অহা নাইতো?

'আপুনি মোক মিছাকৈয়ে এনেয়ে অহা বুলি কৈছে। এই নিশা কোনেও ৰূপাইপুখুৰীলৈ অকাৰণে নাহে।'

ৰবীনে এইবাৰ মিছা মাতিব নোৱাৰিলে। সি ক'লে 'মানুহ এজনক বিছাৰি আহিছিলো।'

মেধিয়ে সুধো নুসুধোকৈ অৱশেষত সুধিলে 'কাক?'

'এজন তান্ত্ৰিকক।'

মেধি চক খাই উঠিল। বিশবছৰৰ আগতে সেইদিনা সেই দম্পতি হালেও তান্ত্ৰিক এজনকে বিছাৰি আহিছিল।

'কি নাম তেওঁৰ?' মেধিয়ে সুধিলে। উত্তেজনাত তেওঁৰ মাতটো কিঞ্চিত কঁপিছিল।

'হৃদু বেজ। আপুনি তেওঁক চিনি পায় হবলা?'

'চিনি পোৱা নোপোৱাৰ কথা এতিয়া বাদ দিয়ক। মৃত মানুহজনৰ কথা এতিয়া আৰু নুলিয়াওঁ।'

'মানে তেওঁ ঢুকাল?'

'অ। হৃদু বেজতো কেতিয়াবাই ঢুকাল।'

ৰবীনৰ অন্তৰখন এক অজান আক্ৰোশত গুজৰি গুমৰি উঠিল। সি সুধিলে 'কি হৈ ঢুকাল তেওঁ?'

মেধি আচৰিত হৈছিল। এই নিৰীহ ডেকাজনে হুদু বেজৰ নিচিনা এজন কুটিল মানুহৰ বিষয়ে কিয় জানিব বিচাৰিছে ভাবি মেধি চিন্তাত পৰিল। তেওঁ কিন্তু ভাবুক হৈ লাহে লাহে কৈ গ'ল 'কি হৈ ঢুকাল ক'ব নোৱাৰো। আচলতে তেওঁ ঢুকাল নে নাই কোনেও নাজানে। বিশ বছৰৰ আগেয়ে এদিন তেওঁ ৰূপাইপুখুৰীৰ পৰা মধুপুৰলৈ গৈছিল। তাৰ কেইদিনমান আগেয়ে মধুপুৰৰ পৰা এহাল মানুহ তেওঁৰ ওচৰলৈ আহিছিল। ময়ে তেওঁলোকক হুদু বেজৰ ঘৰটো দেখুৱাই দিছিলো। কিয় হুদু বেজৰ ওচৰলৈ তেওঁলোক আহিছিল মই নাজানিলো। তেওঁলোকে হুদু বেজৰ ওচৰত শৰণ লৈছিল বুলি কিছুমানে কয়। মই হ'লে বিশ্বাস নকৰো। তেনে এজন পাপিষ্ঠৰ ওচৰত নিজৰ গাভৰু ঘৈণীয়েকক লৈ কোনোবাই শৰণ ল'ব বুলি মোৰ মনে নকয়।'

'তাৰপিছত?' ৰবীনে সুধিলে।

'মধুপুৰলৈ বেজ তেওঁলোককে বিচাৰি গৈছিল হ'বলা।' অনন্ত মেধিয়ে ক'লে 'কিন্তু হুদু বেজ আৰু উভতি নাহিল। দুই এজনে কয় সেই মধুপুৰতে তেওঁ অইন এগৰাকী গাভৰুকো নষ্ট কৰিলে আৰু সেই গাভৰু গৰাকীয়েই হুদুবেজকো মাৰিলে আৰু নিজেও চিপজৰী ল'লে। কথা বিলাক এতিয়া সচাঁনে মিছা কোনেও নাজানে। কিন্তু এটা বিসংগতি ৰৈ গ'ল। হুদু বেজ নাইকিয়া হোৱা দিনটোতে প্ৰতিবছৰে গাওঁখনৰ একোজন মানুহ অপায় অমংগল হৈ মৰে। অইন বেজে কৈছিল এইয়া হুদু বেজৰ অতৃপ্ত আত্মাৰ কাম। হুদু বেজ য'ত মৰিছিল সেই ঠাইখন শুচি কৰিব পাৰিলেহে সকলোৱে মুক্তি পাব। কিন্তু হুদু বেজইবা ক'ত মৰিছিল কোনে গ'ম পাব? গতিকে.....'

তেনেতে লেমটো হঠাতে নুমাই থাকিল। মেধিয়ে নীৰৱে বহাৰ পৰা উঠি গৈ লেমটো জ্বলাব খুজিলে। দুবাৰমান জুইশলাৰ কাঠিটো জ্বলাব খুজিও জ্বলাব নোৱাৰি মেধিয়ে এইবাৰ ৰবীনলৈ চালে। ৰবীন তলমুৰকৈ কিবা ভাবি আছিল। মেধিয়ে এইবাৰ কাণদুখন সজাগ কৰি তুলিলে। সিটো কোঠাত কোনে খোজ কাঢ়িছে! ঘৰখনতো এতিয়া কোনো নাই। সকলো মোমায়েকৰ ঘৰলৈ গৈছে। তেনেহ'লে..!

মেধিয়ে ৰবীনক একো নক'ই সিটো কোঠালৈ গ'ল।

ৰবীন কিছুপৰ তেনেকৈয়ে ৰ'ল। দুইমিনিটমান অকলশৰে বৈ থাকিয়ে তাৰ এযুগ থকা যেন লাগিল। মজিয়াতে জুইশলাৰ বাকচ এটা পাই সি কাঠি এডাল জ্বলাই সিটো কোঠালৈ গ'ল।

'মেধি!!' ৰবীনে মাত দিলে।

প্ৰত্যুত্তৰত একো নুশুনি ৰবীনে জুইশলাৰ কাঠিৰ পোহৰত কোঠাটোৰ চাৰিওফালে চালে।

হে ভগৱান!! এইয়া সি কি দেখিছে!!

ৰবীনে দেখিছিল মেধিৰ দেহটো মজিয়াখনত চিত হৈ পৰি আছে আৰু তেওঁৰ বুকুখনত টোঁৰাকাউৰী এটা বহি বুকুৰ মাংসবোৰ এডোখৰ দুডোখৰকৈ ...

আতংকত ৰবীনে চিঞৰ এটা মাৰি কোঠাটোৰ পৰা বাহিৰ ওলাই আহিল।

৯

মনোহৰে হুমুনিয়াহ এটা এৰিলে।

'মনোহৰকা!' ৰবীনে মাত দিলে।

'হু!'

'এই সকলো ঘটনাৰ মূলতে হ'ল হুদু বেজ।'

মনোহৰ তথাপিও নীৰৱ। লেমৰ অনুজ্বল পোহৰত মনোহৰৰ নিৰ্ব্বিকাৰ মুখখন ৰহস্যময় হৈ উঠিছে। ৰবীনে মনোহৰৰ সৰু পজাঁ ঘৰটোৰ একমাত্ৰ কাঠৰ চকীখনত বহি আছে। সি ৰূপাইপুখুৰীৰ পৰা পোনে পোনে মধুপুৰলৈ আহি মনোহৰক লগ ধৰি আদ্যোপান্ত সকলো বিবৰি কৈছিল। মনোহৰে ৰবীনৰ মুখৰ পৰা সকলো শুনি বিস্ময়ত হতবাক হৈ পৰিছিল।

'মনোহৰকা! এই হুদু বেজৰ ওচৰলৈকে দেউতাহঁতে এবাৰ গৈছিল। কিহৰ কাৰণে গৈছিল এতিয়া জনাৰ উপায় নাই। এই হুদু বেজ আছিল এটা পাপিষ্ঠ। তাৰ কাৰণেই হয়তো মাহীমা ...আৰু হয়তো দেউতাই চিপজৰী লৈছিল। সি কিন্তু তাতেই ক্ষান্ত নাথাকিল। সি মধুপুৰলৈকো আহিছিল। তুমি এবাৰ মনত পেলোৱাছোন মনোহৰকা।'

মনোহৰে এইবাৰ গাটো লৰালে। মুখৰ ভিতৰতে এবাৰ হুদুবেজৰ নামটো আওঁৰালে। ৰবীনে অধৈৰ্য্য হৈ সুধিলে 'মনত পৰিছেনে মনোহৰকা?'

'মনত পৰিছে মোৰ।' বহুবেলিৰ মূৰকত মনোহৰে মাত লগালে।

ৰবীনে তাৰ চকীখন মনোহৰৰ ওচৰলৈ টানি নিলে।

'শুনা!' মনোহৰে মাত লগালে 'সিদিনাখন আইদেউহঁতে চিপজৰী লৈছিল। ঘৰখন লোকে লোকাৰণ্য। মই অতিশয় ব্যস্ত। তেনেতে মানুহ এজন মোৰ ওচৰলৈ আহি ওলাল। ৰূপাইপুখুৰীৰ পৰা অহা বুলিয়ে কৈছিল। কালীসাধক বুলিয়ে মোক তেওঁ চিনাকী দিছিল। নামটো সেইদিনা কোৱা নাছিল, ময়ো পিছে সোধা নাছিলো। তেওঁ আইদেউহঁতৰ মৃতদেহদুটা চাব খুজিলে। মই নিজে দেখুৱাই দিছিলো। সেইদিনা তেওঁ প্ৰায় লগে লগেই গুছি গৈছিল। তাৰ দুদিনমান পিছতে তেওঁ আকৌ আহি ওলাল। এইবাৰ তেওঁ নিজৰ নামটো হুদু বেজ বুলি কোৱা মোৰ মনত পৰিছে।'

'কৈ যোৱা মনোহৰকা।'

'সেইদিনাখন তেওঁ আইদেউহঁতে চিপজৰী লোৱা কোঠাটো এবাৰ চাব খোজা দেখি মই আচৰিত হৈছিলো। কিন্তু তন্ত্ৰ মন্ত্ৰৰ কথা ভাবি মই তেওঁক নিজে কোঠাটো দেখুৱাই দিছিলো। কিন্তু তেনেতে অইন কেইজনমান মানুহ অহা দেখি শেৱালীক হুদু বেজক সহায় কৰিবলৈ কৈ মই বাহিৰ ওলাই আহিলো। মই পিছে লগে লগে উভতি আহিব নোৱাৰিলো। দুঘন্টামান পিছতহে কিজানি উভতিলো। ভিতৰৰ বাৰাণ্ডাখনত শেৱালী সেইদিনা কান্দি আছিল। তাইৰ চুলি আউল বাউল, কাপোৰ কানিৰো লাগ-বান্ধ নাছিল। মই প্ৰশ্ন কৰাতো তাই একো উত্তৰ দিয়া নাছিল।' মনোহৰে খন্তেকপৰ নীৰৱে ৰ'ল। হয়তো সি সেই অতীতৰ কথাখিনি মনত পেলাই কষ্ট পালে।

'তাৰপিছত কি হ'ল মনোহৰকা?' ৰবীনে সুধিলে

মনোহৰে পুনৰ ক'বলৈ আৰম্ভ কৰিলে 'সেইদিনাখন মই ভাবিছিলো শেৱালীয়ে আইদেউহঁতৰ কথা ভাবিয়ে হয়তো শোকত দহি আছে। সেইদিনা হুদু বেজকো আৰু দেখা নাপালো। ভাবিলো মই অহা দেৰি কৰা কাৰণেই হবলা তেওঁ গুছি গ'ল। ময়ো অইন কামত ব্যস্ত থকাত হুদু বেজ আৰু শেৱালীৰ কথা পাহৰি থাকিলো। গধূলিহে....'

ৰবীনে অধৈৰ্য্য হৈ সুধিলে 'গধূলি কি হ'ল মনোহৰকা?'

মনোহৰে হুমুনিয়াহ এটা পেলাই ক'লে 'সেইদিনা গধূলিয়েই শেৱালীয়ে চিপজৰী ল'লে। তেতিয়া ভাবিছিলো আইদেউহঁতৰ বেজাৰতে তাই সেই কাণ্ড কৰিলে। পুলিচে ভবাৰ দৰে মানস ফুকন বোলা চকীদাৰজনে তাইক মাৰিলে বুলি অৱশ্যে ভাবো নহা নহয়। কিন্তু এতিয়া তোমাৰ কথা শুনি মোৰ ভাব হৈছে

সেই হুদু বেজে অকলশৰীয়াকৈ পাই তাইক.... আৰু তাই হয়তো সেই বেজাৰতে চিপজৰী ল'লে।'

'হুদু বেজক আৰু কেতিয়াও দেখা নাপালা নেকি?' ৰবীনে প্রশ্ন কৰিলে।

'এইখিনিতে আৰু এটা কথা মনত পৰিছে।'

'কি কথা?' সুধিলে ৰবীনে।

'আইদেউহতঁৰ শোৱা কোঠাৰ কাষতে গুপ্ত কোঠা এটা আছে। তোমাৰ ককাদেউতাৰ দিনৰে পৰা তাতেই টকা পইচা আ-অলংকাৰ আদি থোৱা হয়। তোমাৰ মায়ে সেইটো অন্ধকূপ বুলি কৈছিল। কিয় জানা? সেই কোঠাটোত পোহৰ নপৰে, বতাহো নবলে। কোনো মানুহ সেই অন্ধকূপটোত এঘন্টাতকৈ বেছি সময় থাকিলেই উশাহ নিশাহ নাপাই মৰি থাকিব। আইদেউহতঁ ঢুকুৱাৰ পিছৰে পৰা সেই অন্ধকূপটোৰ চাবি শেৱালীৰ হাততে আছিল। তাই কাপোৰৰ খোচনিতে চাবি ডাল থৈছিল। তাইৰ মৃত্যুৰ পিছত পিন্ধা কাপোৰ কাণি ক'তো চাবিডাল পোৱা নাছিলো। বহুদিনৰ মূৰতহে এটা পুৰণি ট্ৰাংকত সেই চাবিডাল পাইছিলো। সেই ট্ৰাংকতো আছিল শেৱালীৰেই। মোৰ মনে ধৰিছে শেৱালীয়েই চাবিপাত সেই ট্ৰাংকটোত থৈ দিছিল। কিজানি তাই হুদু বেজক সেই অন্ধকূপটোতে সুমুৱাই বাহিৰৰ পৰা তলা মাৰি থ'লে।'

'হ'ব পাৰে।'

'হ'ব পাৰে নহয়, হয়েই। কিয় কৈছো জানা? সেই অন্ধকূপটোৰ পৰা বেয়া দুগৰ্ন্ধ ওলোৱা মোৰ মনত আছে। হয়তো সেইয়া হুদু বেজৰে মৰাশৰ গোন্ধ। মই সেই অন্ধকূপটো আৰু কেতিয়াওঁ নুখুলিলো। শেৱালীয়ে বন্ধ কৰাৰ পৰা এতিয়াওঁ তেনেদৰেই আছে সেই অন্ধকূপটো। সেইকাৰণেই মই এদিন নিশা হুদু বেজৰ প্রেতাত্মাক চকামকাকৈ দেখা মনত পৰে। ছাঁ এটা যেন দেখিছিলো। আইদেউহতঁৰ কোঠাৰ ওচৰতে থাওঁকতে নোহোৱা হৈ গৈছিল ছাঁটো। সেই ছাঁটোৰ ঠাইত ঢোঁৰাকাউৰী এটাহে দেখিছিলো। কিন্তু আইদেউহতঁক প্রায়ে দেখিছিলো। দুয়ো ছাঁ হৈ ঘূৰি ফুৰে। কাকো অৱশ্যে একো অনিষ্ট নকৰে।' মনোহৰে কথাখিনি কৈ এইবাৰ আকৌ হুমুনিয়াহ এটা পেলালে।

ৰবীন কিছুসময় নীৰৱে বৈ হঠাতে সুধিলে 'সেই অন্ধকুপটোৰ চাবি পাত তোমাৰ লগত আছেনে?'

'আছে।' মনোহৰে বহাৰ পৰা উঠি গৈ পুৰণি ট্ৰাংক এটাৰ পৰা চাবি এপাত

উলিয়াই আনি ৰবীনৰ হাতত দিলে। ৰবীনে চাবিপাত লৈয়ে বহাৰ পৰা উঠি খোজ লোৱা দেখি মনোহৰে আতংকিত হৈ সুধিলে 'ক'লৈ যোৱা ৰবীন বোপা?'

'অন্ধকূপটোলৈ।'

'কি?' মনোহৰে বহাৰ পৰা একেজাপে উঠি চিঞৰি দিলে।

ৰবীনক বাধা দিবলৈ মনোহৰৰ শক্তি নাছিল। ৰবীন উদভ্ৰান্তৰ দৰে পুৰণি প্ৰাসাদোপম ঘৰটোৰ ভিতৰলৈ ইতিমধ্যেই সোমাই গৈছিল। উপায় নাপাই মনোহৰেও ৰবীনৰ পিছে পিছে আগবাঢ়িল।

ঘৰটো অন্ধকাৰ।

য'তে ত'তে মকৰাজাল। দুৰ্গন্ধ।

ৰবীন খেপিয়াই খেপিয়াই ভিতৰলৈ আগবাঢ়ি গ'ল। ঘৰটোৰ এটা মূৰত আছিল প্ৰকাণ্ড শোৱনি কোঠাটো। কোঠাটোৰ দৰ্জ্জাখনত থকা তলাটো মনোহৰেই নিজৰ চাবি এপাতেৰে খুলি দিলে। ৰবীনে কোঠাটোৰ দৰ্জ্জাখন খুলি ভিতৰলৈ সোমাই গ'ল। ৰবীনে মন কৰিলে কোঠাটোৰ বাওঁকোণত থকা দৰ্জ্জা এখনতো এটা প্ৰকাণ্ড তলা ওলোমোৱা আছে। সি সেইফালে আগবাঢ়ি যোৱাৰ লগে লগে তাৰ ভাব হ'ল কোঠাটোৰ ভিতৰখনত যেন কোনোবাই অবিৰাম লৰা ঢপৰা কৰিছে!!

'ৰবীন বোপা! তুমি ভিতৰলৈ নোসোমাবা।'

পিছফালৰ পৰা মনোহৰৰ দুৰ্ব্বল কণ্ঠস্বৰ শুনি ৰবীনৰ যেন উৎসাহ বাঢ়িহে গ'ল। সি দৰ্জ্জাখন খেপিয়াই চালে। হাতত থকা চাবিপাতেৰে দৰ্জ্জাখনত ওলমি থকা তলাটো খুলি দৰ্জ্জাখনত হেচাঁ দিয়াত এটা কৰ্কষ, বিকৃত শব্দৰ লহৰ তুলি দৰ্জ্জাখন খোল খোৱাৰ লগে লগে এটা পচাঁ জৈৱিক দুৰ্গন্ধই ৰবীনৰ নাক কোচাই পেলালে।

ৰবীনৰ খেয়াল হ'ল কোঠাটোৰ লৰা ঢপৰা যেন এইবাৰ আৰু বেছিহে হ'ল!

'ৰবীন বোপা! তুমি ভিতৰলৈ নোসোমাবা।

মনোহৰৰ দুৰ্ব্বল কণ্ঠস্বৰে ৰবীনৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰিলে। সি কোঠাটোৰ ভিতৰলৈ সোমাই গ'ল। অন্ধকাৰত একো মনিব নোৱাৰি ৰবীনে কোঠাটোৰ মাজলৈ খোজ দিলে।

ৰবীনে ধীৰে ধীৰে খোজ দিছিল।

তাৰ প্ৰতিটো খোজৰ লগে লগে ভিতৰখন যেন কঁপি উঠিছিল।

হঠাতে কোনোবাই উচ্চস্বৰে ঢেক ঢেকাই হাঁহি দিলে। ৰবীনে সচকিত হৈ পিছফালে ঘূৰি চাওঁতে আকৌ পচাঁ গোন্ধ এটাই তাৰ নাক মুখ কোচাই পেলালে। ৰবীনে হাত এখনেৰে নাকটো হেচি ধৰিলে।

'ৰবীন বোপা! তুমি গুছি আহা।'

পিছফালৰ পৰা মনোহৰৰ দুৰ্ব্বল কণ্ঠস্বৰ ৰবীনৰ আকৌ কাণত পৰিল। সি বহলকৈ চকুৰ পতাদুখন মেলি দিলে। ৰবীনৰ অনুভৱ হ'ল তাৰ সন্মুখৰ অন্ধকাৰত যেন এটা ছাঁ, হয়তো কোনোবা অশৰীৰিৰ অস্তিত্ব। সি এখোজ পিছুৱাই গ'ল।

কোঠাটো কাৰোবাৰ তপত হুমুনিয়াহে চঞ্চল কৰি পেলালে। অশৰীৰি ছাঁটো যেন লৰচৰ কৰিলে।

ৰবীনে সেপ ঢুকিলে।

'ৰবীন বোপা!'

ৰবীনে দেখিলে মনোহৰে দৌৰি আহি আন্ধাৰতে কিবা এটা জপটিয়াই ধৰিছে। কিন্তু পিছৰ পলকতে তাৰ দুচকুৰ সন্মুখতে ঢোঁৰাকাউৰী এটাই মনোহৰৰ গাৰ মাংসবোৰ বখলা বখলকৈ এৰুৱাই যাব ধৰিলে। ৰবীনে কিংকৰ্তব্যবিমূঢ় হৈ চকুহাল মুদি দিলে। মেলি দিলে দেখিলেহেতেঁন মনোহৰে তাৰ সত্তৰ বছৰীয়া বুঢ়াদেহটোৰ সমস্ত শক্তিৰে ঢোঁৰাকাউৰীটোৰ নেলুটো এখন হাতেৰে চেপি ধৰিছে আৰু কাউৰীটোৰ দেহটো ক্ৰমশঃ সৰু হৈ আহি অৱশেষত এটা নৰকংকালৰ ৰূপ লৈছে।

এটা সময়ত ৰবীনে চকুহাল মেলি দিলে।

কোঠাটোৰ পৰিবেশ এতিয়া শান্ত, পচাঁ দুৰ্গন্ধও এতিয়া আৰু নাই।

ৰবীনে অন্ধকূপটোৰ মজিয়াত পৰি থকা মনোহৰক ডাংকোলাকৈ লৈ বাহিৰ পালেহি। মুকলিৰ পোহৰত সি মন কৰিলে মনোহৰে লাহে লাহে উশাহ ল'ব ধৰিছে। ৰবীনে সকাহ পালে। সি মাত দিলে 'মনোহৰকা! তুমি চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব।'

মনোহৰে মাত্ৰ ক্ষীণকৈ সহাঁৰি এটাহে দিলে, একো নক'লে।